(a)—Whether the high-level Enquiry Commission instituted to go into death of Mozamil Hadue, Anil Bora and others have submitted their reports to the Government ?

(b)—If so, whether Government propose to lay the copies of these reports on the Member's table ?

(c)—How many other committees for enquiry into the language trouble in 1972-73 were formed.

Shri Sarat Chandra Sinha (Chief Minister) replied:—

50. (a)—No.

(b)—This will be done in one course.

(c)—Only one with Shri S.M.L. Bhatnagar Chairman, Assam Board of Revenue as Chairman.

Re : C. B. graded heifers

Shri Ayodhya Ram Das asked :—

*51.—Will the Minister Veterinary be pleased to state—

(a)—How many C.B. graded heifers have been distributed amongst the Cattle-Breeders on return basis during the last year as proposed under the Intensive Cattle Development Project ?

(b)—Whether the Government is intending to increase the number of such graded heifers of improved variety for distributing the same in the village areas ?

Shri Joy Bhadra Hagjer (Minister, Veterinary) replied :—

51. (a)—No. C. B. graded heifers were distributed under the Intensive Cattle Development Scheme. However, 141 such heifers were distributed on return basis in Assam under the Breeding Operation Scheme 1972-73.

(b)—Subject to availability of funds this will be considered.

Re : B.T. College

Shrimati Anandi Bala Rabha, asked :—

*52. Will the Minister Education be pleased to state—

(a)—When the B.T. College at Goalpara is going to be started ?

(b)—Whether the Goalpara Sainik School which have been occupying the Goalpara B.T. College building since its inception is going to shift to its own buildings at Mornoi ?

(c)—If so, when ?

Shri Harendra Nath Talukdar (Minister, Education) replied :—

52. (a)—Government propose to start thr Goalpara B.T. College with effect from the current academic

session (1974) at night in the Goalpara P. R. Government H. S. & M. P. School Building.

(b)—Yes.

(c)—As soon as the buildings at Mornoi are completed.

AGP. (Gau) 301/73—L A.—250—6-6-73

Re : Miscellaneous discussions

Shri Atul Saikia :—Sir, Rule 26 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, says that, "a List of business for the day shall be prepared by the Secretary and shall be circulated to all members on the previous day". Sir, I would like to report Sir, that I received the list of business this morning at 2 a.m. Yesterday also I received the list of business at 1.45 a.m. So Sir, I refer to you for favour of necessary action.

শ্রীজলিল চৌধুরী :—স্যার, আমরা আপনার Protection চাই। মুসলমান সংখ্যালঘূদের নিযুক্তির বিষয়ে যে প্রশ্ন করা হয়েছিল মাননীয় মন্ত্রী মহোদয় তার কোন সুস্পষ্ট উত্তর দিতে পারেন নি।

মিষ্টার স্পীকার :—এই কথা বাজেট বক্তৃতায় বলবেন।

শ্রীজলিল চৌধুরী :—না স্যার, মন্ত্রী মহাশয় এই ভাবে উত্তর দিয়ে আমাদের যে ভাবে helpless করে দিয়েছেন, তাতে আধঘণ্টা এই বিষয়ের উপর আলোচনা করা প্রয়োজন। তাই আপনার নির্দেশ চাইতেছি।

শ্রীগজেন তাঁতী (শ্রম মন্ত্রী) :—মই সেইটো বিলিজিয়াচ কুৱেচন বুলি কোৱা নাই। মই কৈছিলো যে আমাৰ ডিৰেক্টৰ অব এমপ্লয়মেণ্টত কোনো বিলিজিয়নৰ ভিত্তিত হিচাব ৰখা নাই।

মিষ্টার স্পীকার :—আপনি help an hour discuss করতে চাইলে Notice দিবেন।

Mr. Speaker :—Now, item No. 2

Shri Harendra Nath Talukdar (Minister, Education) :—Sir, I beg to lay a statement on the Table of the House correcting the reply to Starred Question No. 48 asked by Smti. Pranita Talukdar, M.L.A. during the March Session of the Assembly, 1973.

Shri Dulal Chandra Barua :—Sir, I have not given any notice on the matter. I want to draw your attention if you permit me. In connection with yesterday's happenings there is a strike call given throughout the State. This may lead to a bad situation and hence I would request the hon. Chief Minister to give a statement on this.

Shri Sarat Chandra Sinha (Chief Minister) :—I have given a statement on the matter and at the moment no further statment is necessary.

Shri Dulal Chandra Barua :—Whether the Govt. is aware of that ?

Shri Sarat Chandra Sinha (Chief Minister) :—Yes, Govt. is aware.

Re : Statement made by the Chief Minister

Shri Sarat Chandra Sinha (Chief Minister) :—

Mr. speaker sir,

It is a fact that for some time past there has been a tendency for rise in prices of commodities of daily

necessity. This is not however something peculiar to Assam alone but is an All-India phenomenon and in fact there has been such rise in prices all over the country.

The main reasons for rise in prices of commodities in Assam are two :—

1) Rice in prices at source leading to consequent rise in prices at consumers level;

2) Shortage of supply as compared to demand arising out of :—

i) Transport difficulties;

ii) Shortage at the sources of supply;

iii) Artificial scarcities caused by unscrupulous traders.

So for as the reason for rise in prices in the State because of rise in prices at source is concerned, there is very little that the Govt. of Assam can do to prevent such rise in prices of commodities within Assam because of rise in prices at the source. In this connection it may be stressed that this State depends to a very large extent on outside sources for supply of all important essential commodities like sugar, vanaspati, cement, pulses, C.I. sheets etc. In view of this fact, whenever prices of these commodities rise in the supplying States the price in Assam also immediately goes-up.

So for as the rise in prices due to shortage of supply is concerned, such shortfall in supply occurs for the three reasons mentioned above.

Firstly, during the monsoon and at other times, at the worst the rail communications into Assam get completely cut off and at best restrictions are imposed by the Railways for operational reasons on movement of essential commodities into Assam. When this happens the demand exceeds the supply temporarily and under the normal economic rules of supply and demand prices tend to go up. It is therefore the constant endeavour of the Govt. to keep a close watch over the inflow of commodities into the State to ensure that the inflow is uninterrupted. For this purpose the Govt. has set up a liaison committee consistng of the Supply Secy, a senior officer of the Railways and others, which meets from time to time discuss and settle difficulties of this nature.

Secondly, there can be a shortfall in supply as compared with the demand when there is a shortage at a source. So far as this is concerned, the Govt. tries its best, whenever such shortage at a source is apprehended to increase supplies by taking up the matter at the highest level with the Govt. of India and this approach has yielded dividends.

Thirdly, demand can exceed supply whenever artificial scarcities are deliberately created by unscrupulous traders. To prevent this the District Officers of the Govt. have been alerted to keep a close which over hoarders, profiteers and such other anti social elements

and take stern action against such elements under the law.

At this stage it may be appropriate to indicate briefly the reasons for the rise in price of a few essential commodities. For instance, whenever levy sugar is freely available in the market, the price of open market sugar comes down because the pressure on open market sugar is less. However during times of important festivals the demand for sugar as a whole goes up tremendously with the result that the prices of open Market sugar go up correspondingly even the through the quantity off levy sugar available in the market is the same as usual. Again, at times, inflow of levy sugar into the State descreases because of transport difficulties as a result of which there is short supply of levy sugar leading to more pressure on the open market sugar and a consequent rise in prices there in. On the other hand in the case of Mustard oil, the prices have gone up because of the decision of Govt. of India to release considerable quantities of Mustard oil to the Vanaspati industry which has led to the supply going down as compared to the demand and therefore, to a consequent rise in prices of the same. Similarly, in respect of Dal the prices in Assam depend on the prices at source as most of the dal consumed in assam is imported from outside and a rise in price at source is immediately followed by a rise in prices within the State. In respect of rice, with the onset of the lean season which lasts nearly from June to October i. e. till the new

paddy is harvested, because of less supply as compared to the demand, there is automatic seasonal rise in prices of rice in the open market.

It is clear from these facts that Govt. is taking all possible action within its power to keep prices under control. In fact the Govt. always keeps a close watch over the day to day situation and takes necessary steps wherever feasible to keep prices in check, for instance by issuing instructions to all local officers to take stern action against hoarders, profiteers and others contravening the laws. Recently with the co-operation of the Kamrup chambers of Commerce, even a voluntary scheme for selling Dal&Mustard Oil at reasonable rates to consumers with a subsidy from the wholesalers was taken up at Gouhati.

The above facts and figures reveal clearly that rise in prices in the open market is due to factors which are bound to operate in a free market and to prevent which there is no way, except by the Govt. taking over trade in all these items, which has already been done in respect of wheat and wheat products and may be done in respect of some other important essential commodities also in due course.

Re : Laying of the Annual Financial statement of the A.S.E.B.

Mr. Speaker :—Now, Item No. 4.

Shri Md. Idris (Minister) :—Sir, I bag to lay the Annual

Financial Statement of the Assam State Electricity Board for the year, 1973-74.

Laying of the Recommendations of the Rules Committee

Mr. Speaker :--Now, Item No. 5.

Shri Syed Ahmed Ali (Minister) :—Sir, I beg to lay the recommendations of the Rules Committee made in its sitting held on 4th June, 1973.

Shri Dulal Chandra Barua :—Mr. Speakea, Sir, regarding the recommendations made by the Rules Committee for amending the timing of the Assembly setting, we have had some discussions among the Hon. Members and we find that the proposed timings from 1-30p. m. to 4 p.m. and from 4-30 p m. to 6-30 p.m. on all week days except saturday are not convenient. From our sidr, we propose that the timing may be made from 9 a. m. to 1. p.m. without any break.

Shri Syed Ahmed Ali (Minister) :—Mr. Speaker, Sir, we have invited the suggestions from the Hon'ble Members and all these suggestions may be referred to the Rules Committee. After that let us have a disussion on this matter.

Mr. Speaker :—The suggestion were called for. So, all these suggestions may be referred to the Rules Committee.

Shri Dulal Chandra Barua :—Yes, Sir, we know that the suggestions were called for. We have discussed this matter among ourselves and we have found that the

proposed timing will hot be convenient. So, our suggestion is that there may be morning session from 9 a.m. to 1 p.m. without any break. All these suggestion will be referred to the Rules Committee. But as suggested by the Hon'ble Minister for Parliamentary Affairs, there may be a discussion on this matter.

Shri Shanti Ranjan Dasgupta :—Mr. Speaker, Sir, I have got a submission. In this connection Rule 144 should also be amended accordingly.

Re ;—General dicussion on the Bubget

Mr. Speaker :—Now, Budget discussion. Shri Promode Chandra Gogoi will speak.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত ৰাজ্যখনৰ এতিয়ালৈকে যিবিলাক আঁচনি লোৱা হৈছে তাৰ উল্লেখ কৰিছে। আৰু অহা বছৰত চৰকাৰ পক্ষৰ পৰা গ্ৰহণ কৰাৰ আঁচনিৰ কথাও উল্লেখ কৰিছে। অধ্যক্ষ ডাঙৰীয়া, বাজেট সম্পৰ্কত কোৱাৰ আগতে এই কথা ক'ব লাগিব যে যোৱা কালি বিধান সভাৰ সন্মুখত গোটেই অসমৰ শিক্ষক সকলে বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ আহোঁতে পুলিচ বাহিনীয়ে যিটো অত্যাচাৰ কৰি তেওঁলোকৰ ওপৰত লাঠি চাৰ্জ কৰিলে তাক সকলোৱে নিন্দা কৰা প্ৰয়োজন ।

উপাধ্যক্ষ ডাঙৰীয়া, যদিও কালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই শিক্ষক সকলৰ ওপৰত লাঠি ছাৰ্জ কৰা কথা স্বীকাৰ কৰা নাই তথাপি প্ৰত্যক্ষদৰ্শী হিচাবে এই কথা মই ডাঠি ক'ব পাৰো যে পুলিচৰ লাঠি চালনা কৰাৰ ফলত ইমান খিনি শিক্ষক আহত হ'ল আৰু তাৰ ভিতৰৰে এজনৰ অৱস্থা সংকট-জনক বুলি স্বীকাৰ কৰা হৈছে আৰু এইখিনিতে এই কথাও উল্লেখ কৰিব লাগিব যে আমাৰ বিশেষকৈ যিসকল বাতৰি কাকতৰ প্ৰতিনিধি আছে

সেইসকলে চৰকাৰে যি কি নকওঁক বাতৰি কাকতসমূহত নিৰপেক্ষভাৱে সংবাদ পৰিবেশন কৰাটো প্ৰয়োজন। যোৱা কালিৰ ঘটনা সম্পৰ্কত আজি যিকিখন বাতৰি কাকত দেখিছোঁ তাৰ ভিতৰত 'অসম ট্ৰিবিউন'ৰ হেড লাইন দিছে এনেকৈ—

Police clashed with Teachers in front of Assam legislative Assembly.

অসম ট্ৰিবিউনৰ নিচিনা এখন দায়িত্বশীল বাতৰি কাকতে লাঠি চালনাৰ কথাটো প্ৰকাশ কৰিবলৈ কিয় টান পালে ক'ব নোৱাৰো। অৱশ্যে 'অসম এক্সপ্ৰেচ, কাকতে লিখিছে—Many injured by alleged Lathi-Charge out side the Assembly".

যি কি নহওঁক, আমি আশা কৰো সংবাদ বিলাক বাতৰিত পৰিবেশন কৰোতে চৰকাৰৰ বক্তৃতা যি কি নহওঁক বা অন্য দলৰ কথা যি কি নহওঁক বাতৰি কাকতে সত্য বাতৰি পৰিবেশন কৰা দৰকাৰ। লগতে এই কথাও ক'ব খুজিছো যে শিক্ষকসকল আহি যোৱা কালি বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ কিয় দৰকাৰ হ'ল। আমাৰ বাজেট অধিবেশনৰ সময়ত, চিলঙত প্ৰথম অধিবেশনতেই শিক্ষকসকলে অনশন ধৰ্মঘট কৰিছিল। আৰু সেইসকল শিক্ষকৰ সজাতি দলৰ লগত চৰকাৰৰ পক্ষৰ পৰা শিক্ষা-মন্ত্ৰীয়ে এটা চুক্তিত আৱদ্ধ হৈছিল। সেই চুক্তি কাৰ্য্যকৰী নকৰা কাৰণে যোৱা এবছৰেও কাৰ্য্যকৰী ব্যৱস্থা নোলোৱা কাৰণে সেই শিক্ষকসকলে এই বিধানসভাৰ সন্মুখত পুনৰ বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ বাধ্য হৈছে। আৰু এটা কথা আমি বিবেচনা কৰি চাব লাগিব যে, যিবিলাক চুক্তি শিক্ষক-সকলৰ লগত চৰকাৰৰ তৰফৰপৰা কৰা হৈছিল সেই চুক্তিবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে আৰু এইটো কথাও আমি চাব লাগিব যে আজি হয়তো শিক্ষকসকলৰ লগত পুনৰ আলোচনা কৰাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই আহ্বান জনাইছে, কিন্তু যদিহে সেইটো চৰকাৰৰ দৃষ্টি-ভঙ্গী আছিল কালি এনেকুৱা এটা ঘটনা হোৱাৰ আগতে বিষয়টো বিবেচনা কৰি মিমাংসা কৰিবৰ কাৰণে চৰকাৰে কিয় চিন্তা নকৰিলে? লগত এইটোও উল্লেখ কৰিব খুজিছো যে যিসকল শিক্ষকৰ লগত চৰকাৰে

চুক্তিত আৱদ্ধ হৈছিল, যিখিনি কথা চৰকাৰৰ পক্ষৰপৰা দিয়া হৈছিল সেই খিনি কাৰ্য্যকৰী কৰাটো চৰকাৰৰ এটা পবিত্ৰ দৰকাৰ আছিল। আৰু আমি আশা ৰাখিছো, কালি যি ঘটনা হ'ল পুলিচৰ লাঠি চাৰ্জৰ ফলত ১৪ জন আহত হ'ল, তাৰ ভিতৰত এজনৰ অৱস্থা গুৰুতৰ। সেই ঘটনাৰ তদন্ত কৰিবৰ কাৰণে চৰকাৰ পক্ষক সঁকিয়াই থওঁ আৰু আজি ছয় বছৰ আগতে চিলঙৰ বিধানসভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰা একে কাৰণতেই আকৌ দিছপুৰ অধিবেশনৰ সময়ত কিয় বিক্ষোভ প্ৰদৰ্শন কৰিব লগা হ'ল ? আমি দেখিছো এতিয়ালৈকে কোনো বিক্ষোভকাৰী দলৰ ওপৰতেই লাঠি চাৰ্জ কৰা হোৱা নাই। কিন্তু কালি কিয় কৰা হ'ল, ইয়াৰ বাবে জগৰীয়া কোন, গোটেই কথাটো তদন্ত কৰিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনালো আৰু যিবিলাক কৰ্ম্মচাৰীৰ কাৰণ কালিৰ জটিল ঘটনটো ঘটিল সেই কৰ্ম্মচাৰী সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা উচিত। কিয়নো, কালিৰ ঘটনাৰ অভিজ্ঞতা আমাৰ আছে।

এনেকুৱা অভিজ্ঞতা আমাৰ হাতত আছে। এই কথাটোৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিছাৰিছো যে এনেকুৱা এটা সময়তে এই ঘটনা বিলাক হৈছে যিটো সময়ত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত প্ৰত্যেক বিষয়কে কেন্দ্ৰ কৰি এই ঘটনাবিলাক ন্যায় হওক বা অন্যায়েই হওক এই গনতন্ত্ৰৰ যি দাবী এই দাবীৰ ওপৰত বিক্ষোভ হয় তেতিয়া ভাৰতবৰ্ষৰ প্ৰতিক্ৰিয়াশীল শক্তি সমূহে প্ৰগতিবাদক তুৰ কৰিবলৈ ষৰযন্ত্ৰ কৰে। এই কথা আমি পাহৰি যোৱা উচিত নহয়। যি সময়ত ৰেহুৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ আনিছে, ধান চাউলৰ ব্যৱসায় নিজৰ হাতলৈ অনাৰ সিদ্ধান্ত লৈছে আৰু ভুমি সংস্কাৰৰ আইনবিলাক বিধান সভাত গ্ৰহণ কৰা হ'ল আৰু কাৰ্য্যকৰী কৰাৰ সময় আহিছে এনেকুৱা এটা সনয়ত প্ৰতিটো বিষয়ত আমাৰ প্ৰদেশৰ প্ৰতিক্ৰিয়াশীল শক্তি সমূহে এই প্ৰগতিশীল আইন বিলাকৰ বিশেষ বিৰুদ্ধাচাৰণ কৰিবলৈ যে চেষ্টা নকৰিব তাক কোনেও নুই কৰিব নোৱাৰে। সেই কাৰণে এই বিষয়টোৰ এটা তদন্ত হোৱা প্ৰয়েজেন আৰু তদন্তৰ পিচত যি সকল জগৰীয়া বুলি প্ৰমাণিত হয় তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা ল'ব লাগে।

উপাধ্যক্ষ মহোদয় মই আৰু এটা কথাৰ উল্লেখ কৰিব খুজিছো যোৱাকালি প্ৰশ্নোত্তৰৰ সময়ত আমাৰ গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল ১৯৭২ চনৰ বিধান সভাৰ অধিবেশনৰ সময়ত গড়কাপ্তানি বিভাগৰ কৰ্মচাৰী যি সকলে বিক্ষোভ প্ৰদৰ্শন কৰিছিল সেই কৰ্মচাৰী সকলৰ লগত চৰকাৰ পক্ষৰ পৰা যি চুক্তি কৰা হৈছিল কালি গড়কাপ্তানি মন্ত্ৰীয়ে কৈছে যে যিখন চুক্তি কৰা হ'ল তাত কথা দিয়া হোৱা নাই । মই পুনৰ এই কথাটোৰ কাৰণে গড়কাপ্তানি মন্ত্ৰীক সাৱধান কৰি দিব বিছাৰিছো যে এই চুক্তি মতে লক্ষ্যত উপনিত হ'ব নোৱাৰিলে পুনৰ বিক্ষোভ হ'লে তাৰ পৰিণতি ভয়াবহ হ'ব আৰু পৰিতাপৰ কথা হ'ব, কালি পুলিচৰ আৰু শিক্ষকৰ মাজত যিটো সংঘৰ্ষ হ'ল আৰু পুলিচে যেনেকৈ লাঠিচালনা কৰিলে গড়কাপ্তানি বিভাগৰ বৰ্খাষ্ট কৰা কৰ্মচাৰী সকলৰ মাজতো তেনে অৱস্থাৰ পৰিণতি হ'ব পাৰে । সেই কাৰণে মই অনুৰোধ কৰো গড়কাপ্তানি বিভাগৰ কৰ্মচাৰী সকলৰ মাজত যি চুক্তি কৰা হৈছিল তৎকালেই তাক কাৰ্য্যকৰী কৰিব লাগে ।

ইয়াৰ পিচত অসম চৰকাৰে গঠন কৰা 'পে কমিচন'ৰ বিষয়ে অলপমান কব খুজিছো 'পে কমিচনে' আংশিক ৰিপোৰ্ট ইতিমধ্যে দিলে আৰু চৰকাৰেও তাক গ্ৰহণ কৰিছে । কিন্তু 'পে কমিচন'ৰ ৰিপোৰ্টত কৰ্মচাৰী সকলে আশাকৰামতে ফল নাপালে । অসমত বস্তুৰ চৰাদামলৈ চাই আৰু অন্যান্য কথাবিলাক বিবেচনা কৰি আশা কৰা হৈছিল যে কৰ্মচাৰীৰ দৰ্মহা সেই অনুপাতে বাঢ়িব। ৰিপোৰ্ট প্ৰকাশ পালে চৰকাৰেও গ্ৰহণ কৰিলে কিন্তু এই ৰিপোৰ্টৰ পৰা সৰহভাগ কৰ্মচাৰীয়ে সন্তুষ্ট নহ'ল। নিতম্নম কৰ্মচাৰীৰ দৰ্মহা বঢ়া বুলি চৰকাৰে যি ঘোষণা কৰিছে আচলতে বৰ্ত্তমান এই কৰ্মচাৰী সকলে যিমান ভাট্টা পায় তাৰ তুলনাত এতিয়াৰ মূল দৰ্মহাৰ কোনো প্ৰাৰ্থক্য নাই । মই এটা কথা ক'ব বিচাৰিছো ভাৰবতৰ্ষত চৰকাৰী কৰ্মচাৰীয়ে হওক বা বেচৰকাৰী কৰ্মচাৰীয়ে হওক সকলো-কথা বিলাক বিবেচনা কৰি নিম্নতম কৰ্মচাৰীৰ দৰ্মহা অতি কমেও ২৫০ টকা হ'ব লাগে । এই কথাটো মই পুনৰ দোহাৰিছো যে বৰ্ত্তমান নতুন যিটো দৰ্মহাৰ নিৰিখ দিছে আৰু আগতে পাই থকাৰ মাজত কোনো পাৰ্থক্য নাই । বৰ্ত্তমান ভাৰতবৰ্ষত নিম্নতম দৰ্মহা নিদ্ধাৰণ কৰাৰ যি

দাবী সেই দাবীৰ লগত অসমৰ 'পে কমিচন'ৰ নীতিৰ কোনো পাৰ্থক্য বা সম্পৰ্ক নাই। বৰ্তমান কমিচনে যি দৰ্মহাৰ নিৰিখ ঠিক কৰিলে বস্তুৰ মূল্য বৃদ্ধিলৈ চাই নিম্নতম কৰ্মচাৰীয়ে তাৰ দ্বাৰা ভৰণপোষন কৰিব নোৱাৰে। আমি যেনেকৈ নিম্নতম দৰ্মহাৰ ২৫০ টকাৰ পৰামৰ্শ আগবঢ়াইছো ঠিক তেনেকৈ সৰ্ব্বোচ্ছ দৰমহাৰ লগত বেছি প্ৰাৰ্থক্য থাকিব নালাগে মাত্ৰ আমি ১০ গুন প্ৰাৰ্থক্য থকাটো বিছাৰো। গতিকে সেই হিচাবে সৰ্ব্বোচ্ছ দৰ্মহাৰ নিৰিখ বান্ধিব লাগে ২৫০০.০০ টকাত। তাতকৈ বেছি পাৰ্থক্য থকাটো আমি নিবিছাৰো বা এখন সমাজবাদী সমাজত থকাটো উচিত নহয়। অৱশ্যে এই কথাটোও ঠিক যে ২০জন নিম্নতম দৰ্মহাৰ কৰ্মচাৰীৰ দৰ্মহা এজন উচ্চ পদস্থ বিষয়াক দিয়োতে যায়। কিন্তু তেওঁলোকৰ দৰ্মহাৰ নিৰিখ যদি ২৫০০·০০ টকা কৰা হয় তেনেহ'লে চৰকাৰৰ বহুত ৰাহি হব। সেই কাৰণে দৰমহা সম্পৰ্কে এটা স্পষ্ট নীতি গ্ৰহণ কৰা প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ প্ৰদেশৰ সৰহ ভাগ জনসাধাৰণ, যিসকল ৰায়ত সেইসকলে আজি এটা সমস্যাৰ সন্মুখীন হৈছে আৰু এই সমস্যাটো হৈছে ৰায়তৰ ব্যাপক উচ্ছেদ। আমাৰ প্ৰদেশত ভূমিসংস্কাৰ আইন কৰিলে। ১৯৪৮ চনত অধিয়াৰ আইন পাচ কৰা হ'ল। মাটিৰ সৰ্ব্বোচ্চ আইন পাচ কৰা হ'ল। ১৯৭১ চনত প্ৰজা স্বত্ব আইন পাচ কৰা হ'ল। এই আইনবিলাক কৰাৰ উদ্দেশ্য আছিল আমাৰ দেশৰ যিসকল ৰায়ত সেই ৰায়ত সকলক যদি আমি নিৰপট্টা দিব বিচাৰো, তেওঁলোকে যি মাটি দখল কৰি আছে সেই মাটিৰে যাতে তেওঁলোক মালিক হ'ব পাৰে আৰু আমাৰ প্ৰদেশৰ এক স্বত্বভোগী যাতে কোনো কৃষক নাথাকে। আইন পাচ কৰাৰ লগে লগে আজি গোটেই প্ৰদেশৰে ৰায়ত সকলক ব্যাপকভাৱে উচ্ছেদ কৰা হৈছে। মই যোৱা বিধান সভাৰ অধিবেশনটো এই কথা উল্লেখ কৰিছিলো, যে ৰায়তী আইন পাচ হোৱাৰ পাচত যি ভাবেই হওক এই আইন কাৰ্য্যকৰী কৰিব লাগে। এই আইনত ১৯৭১ চনৰ ২৩ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰপতিয়ে এই আইনত সন্মতি দিছিল। আৰু সেই তাৰিখৰ পৰাই চৰকাৰে সকলো বিলাক ৰায়তকে উচ্ছেদ কৰা বন্ধ কৰিব লাগে। কিন্তু বৰ পৰিতাপৰ কথা আজিলৈকে তেনেকুৱা কোনো নিৰ্দেশ চৰকাৰৰ

তৰফৰ পৰা পোৱা নাই তাৰ ফলত আইন কাৰ্য্যকৰী হোৱাৰ আগতেই আজি এনেকুৱা এটা অঞ্চল নাই যি অঞ্চলৰ পৰা ৰায়ত উচ্ছেদ হোৱা নাই। আৰু আমাৰ অসমত এই আইন পাচ কৰা হ'ল, কাৰ্য্যকৰী কৰাৰ কাৰণে এতিয়ালৈকে প্ৰশাসন যন্ত্ৰ প্ৰতিস্থা কৰা হল, কিন্তু দুখন জিলা কামৰূপ আৰু শিৱসাগৰতহে। এই আইন প্ৰয়োগ কৰাৰ কাৰণে যি সময় নিৰ্দ্ধাৰণ কৰা হৈছে সেইমতে আইন সম্পৰ্কীয় ৰায়তসকলক তালিকাভুক্ত কৰোতে অন্ততঃ ৩ বছৰ সময় লাগিব। কিন্তু এই ৩ বছৰতে ৰায়তক উচ্ছেদ কৰিবলৈ আৰু কোনো বাকী নাথাকিব। বাকী জিলা বিলাকত প্ৰজা স্বত্ব আইন কাৰ্য্যকৰী কৰাৰ কাৰণে কোনো ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা লোৱা হোৱা নাই। এতিয়া কথা হ'ল এই আইন কাৰ্য্যকৰী কৰি ৰায়তক সংৰক্ষণ কৰিব বিচাৰেনে নিবিচাৰে আইন পাচ কৰি যদি কাৰ্য্যকৰী কৰা নহয় তেনেহলে আইন পাচ কৰাৰ পৰা একো লাভত নাহে। ১৯৪৮ চনতে আধিয়াৰ আইন পাচ কৰা হ'ল কিন্তু এই আইন পাচ কৰাৰ পিচত সৰহ ভাগ ৰায়তকেই উচ্ছেদ কৰা হ'ল। প্ৰজা স্বত্ব আইন পাচ কৰাৰ ইমান দিনৰ পাচতো কিয় চৰকাৰে এই আইন কাৰ্য্যকৰী কৰাৰ কাৰণে কোনো ব্যৱস্থা হাতত লোৱা নাই। এই কথা মই চৰকাৰক স্পষ্ট কৰি সুধিব বিচাৰিছো যে এই আইনত ৰাষ্ট্ৰপতিয়ে সম্মতি দিয়াৰ পিচত ৰায়তক উচ্ছেদ বন্ধ কৰাৰ কাৰণে নিৰ্দেশ দিয়াত চৰকাৰৰ কি অসুবিধা থাকিব পাৰে। এই আইন পাচ কৰা হ'ল, এই আইনত ৰাষ্ট্ৰপতিয়ে সম্মতি দিলে তেনে ক্ষেত্ৰতো চৰকাৰে এই আইন কাৰ্য্যকৰী নকৰাৰ কাৰণ হ'ব পাৰে যাতে অসম প্ৰদেশৰ সকলো বিলাক ৰায়ত উচ্ছেদ হৈ যায়। সেই কাৰণেই মই এই কথা চৰকাৰক স্পষ্ট ভাবে ক'ব বিচাৰো যে আইন কাৰ্য্য-কৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে ভাল ব্যৱস্থা ল'ব লাগে আৰু যি তাৰিখৰ পৰাই এই আইনত ৰাষ্ট্ৰপতিয়ে সম্মতি পাইছে সেই তাৰিখৰ পৰাই উচ্ছেদ বন্ধ কৰিব লাগে, আৰু চৰকাৰী কৰ্মচাৰী বিলাকক নিৰ্দেশ দিব লাগে যাতে কোনো ৰায়ত কোনো প্ৰকাৰে উচ্ছেদ হ'ব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, এইটো বৰ আচৰিত কথা যে বিভিন্ন ঠাইৰ ৰায়ত সকলক উচ্ছেদ কৰাৰ কাৰণে, মাটিৰ মালিকসকলে যি চেষ্টা কৰিছে সেই ক্ষেত্ৰত চৰ-কাৰৰ পুলিচ বিভাগে ৰায়তৰ পক্ষ লোৱা নাই। চৰকাৰৰ পুলিচে সহায় কৰিছে মাটিৰ মালিকসকলক। ৰায়তীস্বত্ব আইনে ৰায়তক যিবিলাক অধিকাৰ দিছে

সেই অধিকাৰ বিলাক উলংঘ কৰি মাটিৰ মালিকসকলে ৰায়তক বে-আইনীভাবে উচ্ছেদ কৰিবৰ কাৰণে চক্ৰান্ত কৰিছে আৰু এই চক্ৰান্তত সহায় কৰিছে চৰকাৰৰ পুলিচ বিভাগে। যোৱা বাৰ বিধানসভাত এই কথা কৈছিলো যে পুলিচ পক্ষক এই নিৰ্দেশ দিয়া দৰকাৰ যাতে প্ৰজাস্বত্ব আইনৰ বিৰুদ্ধে তেওঁলোকে কোনো কাম নকৰে। সকলোবিলাক বিভাগৰে এইটোৱেই উদ্দেশ্য হ'ব লাগিব। এই আইনত যিসকলক অধিকাৰ দিয়া হৈছে সেইসকলক ৰক্ষা কৰাৰ কাৰণে প্ৰত্যেক বিভাগে চিন্তা কৰা প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ এই আইনছোৱা কাৰ্য্যকাৰী কৰাৰ কাৰণে একমাত্ৰ প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰো। এইটো কথা অপ্ৰিয় হ'লেও ক'ব লাগিব, আমি বাস্তবতে এইটো দেখিবলৈ পাইছো যে যি বিলাক কৰ্মচাৰীক এই আইন প্ৰয়োগ কৰিবলৈ দিয়া হৈছে সেই কৰ্মচাৰী সকলৰ বহুতো এই আইনৰ বিৰোধী। যি কোনো কাৰণেই নহওক আজি চৰকাৰৰ প্ৰত্যেক জন অফিচাৰকে পৰিবৰ্তন কৰা সম্ভবপৰ নহয়। কিন্তু এই কথা চৰকাৰে নিশ্চয় লক্ষ্য কৰিব লাগিব যে এক মাত্ৰ যদি প্ৰশাসন যন্ত্ৰৰ ওপৰতেই এই আইনৰ কাৰ্য্যকাৰীতা নিৰ্ভৰ কৰে তেনেহ'লে এই আইন আমাৰ প্ৰদেশত কেতিয়াও কাৰ্য্যকৰী নহব। এই বিলাক কেৱল কাগজতে থাকি যাব। যি বিলাক ৰায়তৰ কাৰণে আইন পাচ কৰা হ'ল সেই ৰায়ত সদায় উচ্ছেদ হৈয়ে থাকিব। সেই কাৰণে মই পৰামৰ্শ দিছো প্ৰত্যেকটো স্তৰতে বিশেষকৈ মহকুমা পৰ্য্যায়ত বিধি বদ্ধ আইন সংগত বৰ্ড গঠন কৰিব লাগিব। এই বৰ্ডৰ হাতত ৰায়তী স্বত্ব আইন, ভূমিসংস্কাৰ আইন এই বিলাক থাকিব। এই বৰ্ডক আইন কাৰ্য্যকৰী কৰাৰ দায়িত্ব দিয়াৰ অৰ্থ এইটোৱেই যে যি বিলাকৰ অতিৰিক্ত মাটি আছে সেই মাটি বিলাক উলিয়াই ৰায়তক দিব লাগিব। আৰু মাটি বিতৰণ কৰিব লাগিব। আৰু যি বিলাকে এই আইন অমান্য কৰে বা উলংঘা কৰে তেনেলোকক বিচাৰি উলিয়াই শাস্তি বিহিব লাগিব। সেই কাৰণেই মই চৰকাৰক ক'ব বিচাৰিছে যে তেওঁলোকে অতিশীঘ্ৰে মহকুমা পৰ্য্যায়ত ভূমিসংস্কাৰ ব'ৰ্ড গঠন কৰক। প্ৰয়োজন হ'লে এই ব'ৰ্ডক স্থানীয় পঞ্চায়তে সহায় কৰিব পাৰিব।

উপাধ্যক্ষ মহোদয়, আজি কিছুদিনৰ আগতে পৰিকল্পনা আয়োগে ভুমিসংস্কাৰ আইন বিলাক পৰ্যালোচনা কৰিবলৈ কাচটা ফৰ্চ নিয়োগ কৰিছিল। ইয়াৰ প্ৰতিবেদন ইতিমধ্যে প্ৰকাশ পাইছে। এই প্ৰতিবেদন মই পঢ়ি দিবলৈ নিবিচাৰো। কিন্তু প্ৰতিবেদনত যি বিলাক কথা উল্লেখ কৰা হৈছে সেই বিলাক কথালৈ লক্ষ্য কৰিব লাগিব। আজি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত ভুমিসংস্কাৰ আইন বিলাক কিয় কাৰ্য্যকৰী হোৱা নাই।

এই কথা পৰ্য্যালোচনা কৰি তেওঁলোকে দেখিছে যে কাৰ্য্যকৰী নোহোৱাৰ কেইবাটাও কাৰণ আছে। তাৰ ভিতৰত এটা হৈছে আইন বিলাকৰ নিজস্ব দুৰ্বলতা। এনে কিছুমান কাৰণতে কিছুমান লোকে আইন বিলাক বাতিল কৰাৰ চেষ্টা কৰে। দ্বিতীয়তে আইন বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে ৰাজনৈতিক উদ্যোগৰ অভাৱ। যিটো সকলোতকৈ ডাঙৰ দৰকাৰ। এখন আইন পাছ কৰিলেই কাৰ্য্য সিদ্ধ নহয়, পাছ হোৱাৰ পিছত সেই আইনখন কাৰ্য্যকৰী কৰাৰ কাৰণে ৰাজনৈতিক উদ্যোগৰ দৰকাৰ। তৎপৰতাৰে চৰকাৰে যাতে আইনখন ততালিকে কাৰ্য্যকৰী কৰিব পাৰে। তৃতীয়তে তেওঁলোকে উল্লেখ কৰিছে যে প্ৰশাসন যন্ত্ৰৰ অনুপযুক্ততা, এই প্ৰশাসন যন্ত্ৰ এনেকুৱা ভুমিসংস্কাৰ আইন কাৰ্য্যকৰী কৰাৰ কাৰণে যথেষ্ঠ নহয়, তাৰ কাৰণে যিবিলাক বিভাগীয় আইন সেইবিলাক কাৰ্য্যকৰী কৰিবলৈ দায়িত্ব দিয়া হৈছে। এই বিভাগীয় আইন বিলাকৰ কৰ্মচাৰী সকলক সেই আইন কাৰ্য্যকৰী কৰাৰ কাৰণে উপযুক্ত প্ৰশিক্ষণ দিয়াব লাগে। তাৰোপৰি তেওঁলোকে উল্লেখ কৰিছে যে এবচেন অৱ এৱ এডেকুৱান্টি প্ৰেচাৰ 'ফ্ৰ'ম-বিল······অৰ্থাৎ যিবিলাকৰ কাৰণে আইন কৰা হৈছে সেই লোক সকলেও আইনখন কাৰ্য্যকাৰী কৰাৰ কাৰণে প্ৰেচাৰ দিব লাগিব এই কথাবিলাক সৰ্বভাৰতীয় ক্ষেত্ৰত বিভিন্ন আইনবিলাক পৰ্য্যালোচনা কৰি প্ৰতিবেদনত কোৱা হৈছে। আৰু আমাৰ প্ৰদেশৰ লগত যদি তুলনা কৰি চোৱা যায় তেতিয়া হ'লে সৰ্ব ভাৰতীয় ক্ষেত্ৰত পৰিকল্পনা আয়োগে ভূমিসংস্কাৰ আইন বিলাক কাৰ্য্যকৰী কৰিবলৈ যাওঁতে যিবিলাক দুৰ্বলতাৰ কথা উল্লেখ কৰিছে সেইবিলাক আমাৰ প্ৰদেশতো নথকা নহয়, বিশেষকৈ মই চৰকাৰক অনুৰোধ কৰিছো আমাৰ প্ৰদেশত এনেকুৱা এখন আইন

আছে। যিখন আইনে ৰায়ত সকলক অধিকাৰ দিয়াৰ সাব্যস্ত কৰিলে, সেইখন আইনকে ৰাষ্ট্ৰপতিয়ে সম্মতি দিছে । কিন্তু সেই আইনখন কাৰ্য্য-কৰী কৰাৰ কাৰণে চৰকাৰৰ ৰাজনৈতিক উদ্যোগৰ অভাৱ দেখা গৈছে। সেই কাৰণে এই আইনখন কাৰ্য্যকৰী কৰোতে যিখিনি প্ৰশাসনীয় ব্যৱস্থা লব লাগিব সেইখিনি লোৱাৰ আগতে এই কথা মই পুনৰ চৰকাৰক অনুৰোধ কৰিব বিচাৰো যে অতি শীঘ্ৰে এই নিৰ্দেশ জাৰি কৰি বা তাৰ কাৰণে এখন আইন কৰিব পাৰে। যি দিনাৰ পৰা প্ৰজা স্বত্ব আইনত ৰাষ্ট্ৰপতিয়ে সম্মতি দিছে সেই দিনাৰ পৰা কোনো ৰায়তক উচ্ছেদ কৰিব নোৱাৰিব —এইঁ কথা ঘোষণা কৰাৰ প্ৰয়োজন ।

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়, গগৈ ডাঙৰীয়াই যিবিলাক কথা কৈছে সেই সম্পৰ্কে চৰকাৰে চিন্তা কৰি আছে। কেৱল মাত্ৰ দুখন জিলাতহে যে ভূমিসংস্কাৰ কৰিব লাগে সেই কথা শুদ্ধ হোৱা নাই। বৰ্তমান তিনিখন জিলাত জৰীপৰ কাম চলি আছে আৰু কাছাৰ জিলাত এটা অংশত এই কাম চলি আছে । গোৱালপাৰাত টেনেনচি এক্ট থকাৰ কাৰণে যিধৰণে আগবাঢ়িব লাগিছিল সেই ধৰণেৰে আগবাঢ়িব পৰা নাই ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—উপাধ্যক্ষ ডাঙৰীয়া, যদি চৰকাৰৰ তৰফৰ পৰা তেনেকুৱা ব্যৱস্থা লোৱা হৈছে সেইটো ভাল কথা কিন্তু পুনৰ মই চৰকাৰক এই কথা কব খোজো যে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই এই কথা কৈছে যে আইন বিভাগে আইন বিলাক প্ৰস্তুত কৰি আছে। ২৪ তাৰিখে বিধান সভা শেষ হোৱাৰ আগতে ২০ তাৰিখ মানে প্ৰতিবেদন দখিল কৰিব । যদি তেনেকুৱা আইন প্ৰনয়ণ কৰিব খুজিছে তেন্তে অতি শীঘ্ৰে প্ৰনয়ণ কৰা দৰকাৰ। ৰায়ত সকলক পিচত উচ্ছেদ কৰিব নোৱাৰে আৰু ইতিমধ্যে যিবিলাক ৰায়তক অন্যায়ভাৱে উচ্ছেদ কৰা হৈছে সেই ৰায়তবিলাকক পুণৰ সেই মাটিত পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগিব আৰু যিবিলাক মালিকে এই আইন ভংগ কৰাৰ কাৰণে চেষ্টা কৰিছে তেওঁলোককো জগৰীয়া কৰি শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব ।

---

Speech not corrected

উপাধ্যক্ষ ডাঙৰীয়া, তাৰ পিচত মই আমাৰ খাদ্য সামগ্ৰী ৰাষ্টীয়-কৰণ কৰাৰ বিষয়লৈ আহিছো। ভাৰতবৰ্ষত খাদ্য ব্যৱসায় ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে বহুত দিনৰ পৰা দাবী কৰি অহা হৈছে। নিম্ন খাপৰ লোক সকলক উপযুক্ত মূল্যত আৰু নিয়মিত ভাবে খাদ্যৰ যোগান যদি ধৰিব লগা হয় তেন্তে খাদ্য ব্যৱসায়টো চৰকাৰে নিজৰ হাতলৈ অনা প্ৰয়োজন। এই খিনিতে এটা যুক্তি দেখুৱা হৈছে যে খাদ্য ব্যৱসায়টো যদি চৰকাৰে নিজৰ হাতলৈ আনে তেন্তে বস্তুৰ দাম বাঢ়ি যাব আৰু বস্তুৰ অনাতন হব। এনে এটা ভয় দেখুৱা হৈছে আৰু এই কথাও আমি দেখিছো যে খাদ্য ব্যৱসায় ৰাষ্ট্ৰৰ অধিনলৈ অনাৰ সিদ্ধান্ত কৰাৰ লগে লগে গোটেই ভাৰতৰ ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলে হৰতাল আৰম্ভ কৰি দিব আৰু অসমৰ ভিতৰতো বহুত ঠাইত ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলে খাদ্য ব্যৱসায় ৰাষ্ট্ৰীয় কৰণ কৰাত বিৰোধীতা কৰি আন্দোলন সংগঠন কৰিব। এই কথা আমি ভাবো যে ভাৰতবৰ্ষত দুটা পেৰেলেল ইকনমি চলি আছে। এই বছৰ কেন্দ্ৰীয় চৰকাৰৰ বাজেট হৈছে প্ৰায় ৫ কোটি টকা কিন্তু এতিয়ালৈকে আমি পোৱা তথ্য মতে ভাৰতবৰ্ষৰ যি ব্লেকমানি সি হৈছে ৯ হেজাৰ কোটি টকা। গতিকে ভাৰতবৰ্ষত দুটা পেৰেলেল ইকনমি চলিছে আৰু যি সকলৰ হাতত ব্লেক মানি আছে সেই সকলে খাদ্য ব্যৱসায়টো চৰকাৰৰ হাতলৈ আহিব খোজাত তাক নাকচ কৰিবৰ কাৰণে সকলো প্ৰকাৰৰ চেষ্টা চলাইছে। অলপতে মই এজন ডাঙৰ ব্যৱসায়িক সুধিছিলো যে খাদ্য সামগ্ৰীৰ ব্যৱসায়টো চৰকাৰে নিজৰ হাতলৈ আনিলে আপোনালোকৰ কি অসুবিধা হব? তেতিয়া তেওঁ ক'লে যে তেওঁলোকৰ বিশেষ একো অসুবিধা নহয়, কিয় বুলি সোধাত তেওঁ ক'লে যে আগতেও তেওঁ পইচা খৰচ কৰি আহিছে আৰু এই ব্যৱসায়টো চৰকাৰৰ হাতলৈ আহিলেও পইচা খৰচ কৰিব লাগিব। যিবিলাক চোচাইটি গঠন কৰা হৈছে তাত ৬০ কুইণ্টলৰ বীজ ললেও আৰু ৪০ কুইণ্টল থাকি যাব আৰু তাৰ দ্বাৰা আমি তেওঁলোকে যি কৰিব লাগে কৰিব বুলি মোক ক'লে। হয়তো এইটো সম্ভবপৰ নহব পাৰে কিন্তু এই কথা আমি জানো যে যেহুৰ দৰে এটা ডাঙৰ ব্যৱসায় চৰকাৰৰ হাতলৈ আনিলে তেওঁলোকে বিৰোধিতা কৰাই নহয় সেই ব্যৱসায় বিকল কৰিবৰ কাৰণে তেওঁলোকে

প্ৰচেষ্টা কৰিব । আজি কিছুদিনৰ পৰা এটা কথা ভাৰতবৰ্ষত কোৱা হৈছে যে উৎপাদন কম কিন্তু দাম বাঢ়িছে—এই কথা সঁচা নহয়, সৰ্বভাৰতীয় ক্ষেত্ৰত মই কেইটামান তথ্য দাঙি ধৰিব বিচাৰিছো । এই তথ্যৰ পৰা প্ৰমাণ হব যে ভাৰতবৰ্ষত উৎপাদন বাঢ়িছে কিন্তু দাম কমা নাই । এজন সৰ্বভাৰতীয় নেতাৰ ভেদ আহমেদে এটা প্ৰবন্ধ লিখিছে, সেই প্ৰবন্ধত তেখেতে যি খিনি তথ্য দিছে সেইখিনিৰ এটা অংশহে মাত্ৰ মই পঢ়ি দিব বিচাৰিছো ।

"It will be seen from the above table that the total food grains production increased to 80 million tons between 1960 and 1964, yet the wholesale price index rose from 100 m. tons from 1960 to 122·7 m. tons in 1964. The year 1964-65 was very good year for production of 89·4 m. tons and yet the wholesale price index rose to 152 m. tons in Feby/1965. The year 1967-68 was again a very good year marked by production of high-yielding seedsand the total production reached to 95·1 m. tons and yet the wholesale price index of foodgrains rose to 122·5 m. tons; again in 1970-71 was the best year when the total production rose as high as 108·4 m. tons and the price index in Feby/71 was as high as 201·1".

Shri Sayed Ahmed Ali :—I am very sorry to disturb you Sir. At that time Shri Barua gave a suggestion regarding the timing of the House. In this connection I refer to rule 260 (1) and (2). Rule 260 (1) the recomendations of 'the committee shall be laid on the Table and within a period of 7 days, beginning with the day

* Speech not corrected

on which they are so laid, any member may give notice of any amendment to such recommendations.' So I request the hon'ble member to give a notice for this.

Shri Dulal Chandra Barua :—I know the rule but the question is whether we can decide it outside and make it unanimous.

উপাধ্যক্ষ ডাঙৰীয়া, এই কথাৰ পৰা প্ৰমাণিত হয় যে, ডাঙৰ ডাঙৰ ব্যৱসায়ী বিলাকে প্ৰচাৰ কৰাৰ দৰে উৎপাদন কম হোৱাৰ কাৰণে বস্তুৰ দাম বঢ়া নাই। ইয়াৰ এটা ফিগাৰত দেখা গ'ল যে, প্ৰত্যেক বছৰে উৎপাদন বাঢ়ি গৈছে আৰু প্ৰত্যেক বছৰে বস্তুৰ দামো বাঢ়ি গৈছে। ইয়াৰ মূল কথাটো হ'ল যে ভাৰতবৰ্ষত যি পেৰেলেল ইকনমি চলি আছে আৰু খাদ্য বস্তুৰ দাম বঢ়াইছে। সেইকাৰণে খাদ্য ব্যৱসায়টো নিজৰ হাতলৈ অনাটো ঠিক হব। তেতিয়াহে সৰ্বসাধাৰণ মানুহে এটা নিদ্ধাৰিত মূল্যত খাদ্য বস্তু যোগান পাব পাৰে। এই ক্ষেত্ৰত অসম চৰকাৰে খাদ্য ব্যৱসায়ীক ঘেহু আৰু অন্যান্য বিলাক নিজৰ হাতলৈ অনাত আমি ধন্যবাদ জনাইছো। এই খিনিতে মই এই কথা উল্লেখ কৰিয়াব বিচাৰিছো যে, এই ব্যৱস্থা হোৱাৰ লগে লগে চৰকাৰে অনুমতি দিছে যে, এজন মানুহে একে সময়তে পাছ কুইণ্টল কৰি কিনিব পাৰে। এজনে আজি ৫ কুইণ্টল কিনিব পাৰে, কালিলৈ ৫ কুইণ্টল কিনিব পাৰে, পৰহিলৈ ৫ কুইণ্টল কিনিব পাৰে আৰু ১০ জন মানুহে মিলি ৫০ কুইণ্টল কিনিব পাৰে। তাক ধৰাৰ ক্ষমতা নাই। সেই কাৰণে খাদ্য ব্যৱসায়ী সকলক নিজৰ হাতলৈ অনাৰ কাৰণে সিদ্ধান্ত লোৱাৰ লগতে লোপ হ'লৰ ব্যৱস্থাৰ কৰি যাতে তাক বিকল্প কৰিব নোৱাৰে তাৰ কাৰণে চৰকাৰ সজাগ থকা দৰকাৰ। এই ক্ষেত্ৰত মোৰ পৰামৰ্শ হ'ল যে আমি যিবিলাক মানুহে গাইগোটে খোৱাৰ কাৰণেহে কৰো তেওঁলোকক একেবাৰে বন্ধ কৰিবলৈ কোৱা নাই। কিন্তু টাউন বিলাকত কিনা মানুহক সংগ্ৰহ কৰিবলৈ দিয়া উচিত নহয়। সেইটো সুযোগ দিলে যিবিলাক ব্যৱসায়ী সেইবিলাকে তাক ব্যৱহাৰ সম্ভৱনা আছে। গাওঁ অঞ্চলটো আমি ব্যক্তিগত মানুহক সংগ্ৰহ কৰিবলৈ দিওতে মাহেকতে

হওক বা বছেৰেকতে হওঁক এটা নিৰ্দ্ধাৰিত নিৰিখ বান্ধি দিয়া দৰকাৰ। যি কোনো সময়তে যেতিয়া ৫ কুইণ্টল কিনাৰ কাৰণে অধিকাৰ দিয়া হৈছে ইয়াৰ ফলত ডাঙৰ ডাঙৰ ব্যৱসায়ী বিলাকে নানা ভাবে সংগ্ৰহ কৰি ব্যৱস্থাতো বিকল কৰিব পাৰে। লগতে উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ এই ব্যৱস্থা কাৰ্য্যকৰী কৰাৰ কাৰণে সমবায় বিভাগটো পুণৰ গঠণ কৰা দৰকাৰ। আমি এইখিনি দেখিবলৈ পাইছো যে, বৰ্ত্তমান যিবিলাক সমবায় আছে এই সমবায় বিলাকৰ হিচাব পত্ৰ সঠিক আছে। কাৰণ যোৱা সময় ছোৱাৰ ভিতৰত ভালেমান সমবায় সমিতিৰ হিচাব পত্ৰ পৰীক্ষা কৰাৰ সুযোগ আমি পাইছিলো। তাত দেখা গৈছে যে, অনেক সমবায় সমিতি আছে যিবিলাকে লাখ লাখ টকা অপচয় কৰিছে। আৰু ভালেমান সমবায় সমিতি আছে যিবিলাকত লোকচান দেখা গৈছে আৰু কিছুমান মানুহ তাত কেন্দ্ৰীভূত হৈ আছে। প্ৰকৃতপক্ষে আমি সমবায় বিলাকৰ যোগেদি এই ব্যৱসায় বিলাক চলাবলৈ হ'লে কেইটামান পৰিয়ালৰ হাতত সমবায় বিলাক কেন্দ্ৰীভূত হোৱাৰ পৰিবৰ্তে প্ৰত্যেক গাওঁ পঞ্চায়তে এনে হলচেল চোচাইটি বিলাকক ইয়াৰ ভাব দিব লাগে। আৰু এইটো নিশ্চিত হোৱা উচিত যে, যাতে কোনো মানুহে বা ৪।৫ জন মানুহে গোপনে সমন্বয় সমিতি কৰিব নোৱাৰে। তাত সমবায় কৰিবলৈ হ'লে সেই গাওঁ পঞ্চায়তৰ সকলো মানুহকে চৰকাৰে সমবায় বিভাগৰ পৰা জাননী দিয়া দৰকাৰ। যাতে গাওঁ পঞ্চায়তৰ সকলে মানুহে জানে যে অমুকত এখন সমবায় সমিতি হব। আৰু সেই সমবায়ত যাতে এটা বা দুটা পৰিয়াল কেন্দ্ৰীভূত নহয় তাৰ কাৰণেও ব্যৱস্থা কৰিব লাগিব। যাতে এটা পৰিয়াল এখন সমবায়ৰ বাহিৰে আন এখনৰ অংশীদাৰ হব নোৱাৰে তাৰ ব্যৱস্থাও কৰিব লাগিব। এখন সমবায়ত ১১ জন সদস্য হ'লে ৰেজিষ্টাৰ কৰিব আৰু এই ক্ষেত্ৰত আমাৰ উদ্দেশ্য হ'ল যে, প্ৰকৃতপক্ষে সমবায় বিলাক জনসাধাৰণৰ যেতিয়া আস্থা ভাজন হয় তেতিয়া তাত মানুহে অংশ গ্ৰহণ কৰিবলৈ সুবিধা পায়।

উপাধ্যক্ষ ডাঙৰীয়া, বাজেট বক্তৃতাত নিবনুৱা সমস্যা সম্পৰ্কে আলোচনা কৰিছে। আমাৰ প্ৰদেশত নিবনুৱা সমস্যা কিভাৱে তীব্ৰতৰ হৈছে সেইটো দোহাই কোৱাৰ প্ৰয়োজন নাই। আজি আমাৰ প্ৰদেশত নিবনুৱা সমস্যা সংস্থাপন কৰিবৰ কাৰণে বিশেষ ব্যৱস্থাৰ প্ৰয়োজন। তাৰ লগতে এই

কথাত মই জোৰ দিব বিচাৰিছো যে আমাৰ প্ৰদেশত যিবিলাক সাম্ভাব্য উদ্যোগ হ'ব ধৰিছে সেইবিলাক যাতে উপযুক্ত স্থানত হ'ব পাৰে তাৰ কাৰণে আমাৰ প্ৰদেশৰ চৰকাৰে উপযুক্ত পৰিদৰ্শন দিয়াৰ প্ৰয়োজন। এতিয়া চৰকাৰে যিভাৱে উদ্যোগ কৰিবলৈ টকা-পইচা দিয়া হৈছে—সেই বিলাকত আমি বিৰোধিতা কৰা নাই। কিন্তু এই কথাত মই চৰকাৰক জোৰ দিব বিচাৰিছো যে কেৱল টকা দিলেই নহয়, যিটো উদ্যোগৰ কাৰণে খৰচ-পাতি বহন কৰিব বিচাৰিছে, তাত নিৰ্দিষ্ট সময়ত উপযুক্ত পৰিদৰ্শন দিয়াৰ দৰ্কাৰ। সেই কাৰণে মই এই কথাত দাবী কৰিব বিচাৰিছো যে আমি উদ্যোগ কৰোতে সেই উদ্যোগ বিলাকত নিবনুৱা সমস্যা সমাধানৰ উপযুক্ত পৰিদৰ্শন দিয়াৰ বাবে চৰকাৰে এটা ব্যাপক আঁচনি গ্ৰহণ কৰাৰ প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, সদৌশেষত মই এটা কথা আলোচনা কৰিব বিচাৰিছো—সেইটো হ'ল আমাৰ প্ৰদেশৰ জনজাতীয় লোকসকলৰ সমস্যা। এইটো কথা আমি স্বীকাৰ কৰিব লাগিব—আমাৰ প্ৰদেশত যিসকল জন-জাতীয় লোক আছে এই লোকসকলৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, আৰু সাংস্কৃতিক বিষয়ত একেবাৰে পিচ পৰা। এইটো অস্বীকাৰ কৰাৰ কোনো উপায় নাই। আমি যদি আমাৰ প্ৰদেশৰ উত্তৰ অঞ্চলৰ লগত তুলনা কৰি চাওঁ, বিশেষকৈ যিবিলাক অঞ্চলত জনজাতীয় লোকসকলে বাস কৰিছে, তুলনামূলক ভাৱে সেই অঞ্চল বিলাকত আৰ্থিক ক্ষেত্ৰত, সামাজিক ক্ষেত্ৰত আৰু শিক্ষা-দিক্ষা আদিৰ ক্ষেত্ৰত একেবাৰে পিচ পৰা আৰু কিছুমান অঞ্চলত যাতায়াতৰ ব্যৱস্থা অতি বেয়া। তাৰ উপৰিও এই জনজাতীয় সকলৰ হোজা মনোবৃত্তিৰ সুযোগ লৈ মই জনাত কিছুমান লোকে শোষণ কৰিছে। য'ত এনেদৰে শোষণ কৰিছে সেই কথা কোনো পধ্যেই অস্বীকাৰ কৰাৰ উপায় নাই। বহুতো জনজাতীয় অঞ্চলত তেওঁ-লোকৰ নিৰক্ষৰতাৰ সুযোগ লৈ কেনেকৈ বঞ্চিত কৰিছে সেই কথা মই ভালদৰে জানো। এজন বিখ্যাত ব্যৱসায়ীৰ কথা মই জানো। তেওঁৰ নাম হ'ল শ্ৰীগণেশ শৰ্ম্মা। এই ব্যৱসায়ীজন যেতিয়া তিতাবৰলৈ যায়, তেতিয়া তেওঁৰ হাতত মাত্ৰ এটা ঘটি আছিল। আজি এই ১০০ বছৰৰ

ভিতৰতে তিতাবৰত যিমানবিলাক জনজাতীয় লোকৰ মাটি আছিল সেইবিলাক গ্ৰাস কৰি ল'লে। শ্ৰীগণেশ শৰ্মাই যিবিলাক মাটি ল'লে তেওঁ সেই মাটি বিলাকৰ ৰায়ত কেনেকৈ হ'ল? ই বৰ দুখৰ বিষয় যে তাত থকা জন-জাতিৰ লোকসকল একেবাৰে নিৰক্ষৰ লোক। ব্যৱসায়ীজনে তেওঁলোকক বস্তু বাকী দিয়ে। বাকী দিয়াৰ পাছত কয় আপোনালোকে পইচা দিব নোৱাৰিলে মাত্ৰ এখিলা কাগজত লিখি দিয়ক যে মাটিখিনি দিলো। মাটিখিনিতটো আপোনালোকেই খেতি কৰি খাই থাকিব, গতিকে সৰু কাগজখনত লিখি দিয়াতনো কি আপত্তি থাকিব পাৰে। এইদৰে গোটেই মাটি-বিলাক লৈ ল'লে। এনেকুৱা বহুতো দৃষ্টান্ত বহুতো ঠাইত আছে—য'ত ট্ৰাইবেল সকলৰ নিৰক্ষৰতাৰ সুযোগ লৈ তেওঁলোকক সকলো ফালৰ পৰা বঞ্চিত কৰিছে। সেই কাৰণে আজি আমাৰ জনজাতীয় লোকসকলৰ মাজত ৰাজনৈতিক জাগৰণ হোৱাতো স্বাভাৱিক। আজি অসমত থকা প্ৰত্যেকটো অঞ্চলৰ মানুহেই নিজৰ নিজৰ ৰাজনৈতিক, সামাজিক মানদণ্ড উন্নত কৰিবলৈ বিচাৰিছে, ঠিক তেনেকৈয়ে আজি আমাৰ জনজাতীয় লোক সকলে তেওঁলোকৰ নিজৰ ৰাজনৈতিক আৰু সামাজিক মান উন্নতি কৰিবলৈ আন্দোলন কৰাটো স্বাভাৱিক আৰু ই যুক্তি সঙ্গত কথা। সেই কাৰণে চৰকাৰে আমাৰ জনজাতীয় লোক সকলৰ সামাজিক, অৰ্থনৈতিক, আৰু শিক্ষা-সাংস্কৃতিক মানদণ্ড উন্নত কৰাৰ কাৰণে বিশেষভাৱে মনোযোগ দিবলৈ মই অনুৰোধ কৰিলো। লগতে এইটো কথাও ক'ব বিচাৰিছো যে এই বিলাক কাৰণতেই আজি জন-জাতীয় ৰাইজে বেলেগে উদয়াচল দাবী কৰিছে। কিন্তু এইটো আজি সমৰ্থনযোগ্য হব নোৱাৰে। যিকোনো কাৰণতেই নহওক লাগে আজি যি নীতিৰ ভিত্তিত নগালেণ্ড, মেঘালয়, মিজোৰাম আৰু অৰুণাচল বেলেগ হ'ল সেই নীতিৰ ভিত্তিত উদয়াচল বেলেগ ৰাজ্য হোৱাটো সম্ভৱপৰ নহয়। ১৯৫১ চনৰ চেনচাচ্ মতে কোনো এখন জিলাতেই জন-জাতীয় লোকৰ সংখ্যা গৰিষ্ঠ নহয়। আজি যি যুক্তিত নগালেণ্ড, মেঘালয়, অৰুণাচল আৰু মিজোৰামক বেলেগ কৰিলে সেই যুক্তিটোৱেই উদয়াচলৰ কাৰেণ হ'ব নোৱাৰে। এখন বেলেগ ৰাজ্য গঠন কৰিবলৈ যিখিনি যুক্তি আৰু কাৰণ লাগে সেইখিনি অন্যান্য ৰাজ্যৰ দৰে উদয়াচলৰ আছে নে নাই সেইটো চৰকাৰে লক্ষ্য কৰিব লাগিব।

আমি আমাৰ অসম প্ৰদেশৰ ভিতৰতেই সকলো গোষ্ঠিয়ে নিজকে বেলেগ জাতি হিচাবে গঢ়াৰ কাৰণে যি প্ৰচেষ্টা চলিছে, তালৈ লক্ষ্য ৰাখি চৰকাৰে সেই মনোবৃত্তি দূৰ কৰি দিয়াটো উচিত হব। লগতে মই এইটো কথাও ক'ব বিচাৰিছো যে আজি জন-জাতীয় লোক সকলে প্ৰত্যেকেই ৰাজনৈতিক বিকাশৰ বাবে বেলেগে বেলেগে কাৰণ দেখুৱাব পাৰে, কিন্তু ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদত যিটো কথা আছে, সেইমতে ট্ৰাইবেল সকলৰ নিৰ্বাচনী কাউন্সিলে যিমান বিলাক টকা বিচাৰে সেই বিলাক এই জনজাতীয় লোক সকলৰ কাউন্সিললৈ হস্তান্তৰ কৰিব লাগে। অৰ্থাৎ জনজাতীয় লোকসকলে নিজৰ নিজৰ প্ৰতিনিধি সকলৰ যোগেদি নিজৰ অঞ্চলৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশত যাতে লাভবান হ'ব পাৰে আৰু সকলো সুবিধা পবে পাৰে তাৰ বাবে যিটো ষষ্ঠ অনুচ্ছেদত সুবিধা দিয়া আছে সেইটো সংশোধন কৰিব লাগে। সেই কাৰণে মই কৈছো অসম চৰকাৰে এই কথা বিবেচনা কৰি আমাৰ প্ৰদেশৰ জন-জাতীয় লোক সকলৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে বিশেষ যত্নপৰ হৈ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

শ্ৰীসুৰেন্দ্ৰ নাথ দাস :—মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ এই শিতানত মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে এই বছৰৰ ১৯৭৩-৭৪ চনৰ যিখন বাজেট উত্থাপন কৰিলে তাত দেখা গৈছে যে এই বাজেটখনত এটা নতুন দৃষ্টিভঙ্গীৰ নতুন আঁচনিৰে আমাৰ সদনৰ মজিয়াত প্ৰচাৰ কৰাৰ বাবে মই চৰকাৰক ধন্যবাদ দিছো। বিশেষকৈ আমাৰ এই অসমখনক বিভিন্ন সমস্যা আৰু নানান প্ৰাকৃতিক দুৰ্য্যোগে জুৰুলা কৰি ৰাখিছে। দুৰ্দ্দশাগ্ৰস্ত এই অসমৰ সমস্যাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ইয়াৰ কাৰণে আমাৰ চৰকাৰে ঋণ আদি লʼবলগীয়া হৈছে। আনকি বানপানীৰ সময়ত যিখন দেশৰ লাখ লাখ টকা পয়মাল হৈ যায়, যিখন দেশৰ জনসাধাৰণে বানপানীৰ কবলত পৰি সৰ্ব্বহাৰা হয়, সেইখন দেশৰ সমস্যা অতি গুৰুতৰ সমস্যা।

যি হওঁক, চৰকাৰে যদি এতিয়া এই দুৰ্গত জনসাধাৰণক খোৱা-বোৱা ভাত-কাপোৰৰ যোগান ধৰি এই মানৱ কল্যাণ সাধন কৰি ৰাইজৰ উপকাৰ

Speech not corrected

সাধে তেতিয়া হ'লে আমি চৰকাৰক ধন্যবাদ দিম। আজি সজ সৰল এই প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলে বহু সন্থাৰ জৰীয়তে চৰকাৰৰ ওচৰত তেওঁলোকৰ উচিত মৰ্য্যদা, উচিত বৰঙণি দিবলৈ চৰকাৰক প্ৰতিবেদন দিছেহি, তেওঁলোকে আজি কঠোৰ জীৱন নিৰ্বাহ কৰিব লগা হৈছে অথচ আজি সমাজৰ পথ পদৰ্শক হ'ল এই প্ৰাইমাৰী স্কুলৰ শিক্ষক সকল, এওঁলোকৰ অভাব অভিযোগবোৰ দূৰ কৰিবৰ কাৰণে চৰকাৰে যি চেষ্টা কৰিছে তাৰ বাবে মই চৰকাৰক অভিনন্দন জনাইছো। আমাৰ বহু ৰিজাৰ্ভ মাটি আছে, সেই বিলাক তেওঁলোকে দখল কৰি ১০।১২ জনীয়া পৰিয়াল এটা জীৱন নিৰ্বাহ কৰি আছে, তেওঁলোকে হাড় ভঙা পৰিশ্ৰম কৰি জীৱন নিৰ্বাহ কৰি আছে, সমবায় ভিত্তিত তেওঁলোকক মাটিৰ পট্টা দি মাটি ৰেজিষ্টাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। কমলপুৰ সমষ্টিত ২১ হাজাৰ বিঘা মাটি আছে তাত ১৯৫৩ চনতে ৮ হাজাৰ বিঘা মাটি ডিষ্ট্ৰিবিউত কৰা হৈছিল, কিন্তু সেই মাটি বিলাকৰ এতিয়াও পট্টন দিয়া হোৱা নাই। সমবায়ৰ জৰিয়তে সেইবিলাক মাটিৰ ওপৰত ঋণ ইত্যাদি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু যাতে সেই মাটিৰ ওপৰত তেওঁলোকে মজুৰী পোৱাত সুবিধা হয়।

চৰকাৰে কৃষি নিগম কৰি যি খেতিৰ ব্যৱস্থা কৰিছে তাৰ দ্বাৰা আমাৰ মহামানৱ বিনোৱাজীৰ গ্ৰাম দান নিদৰ্শনৰ এটা সুন্দৰ ছবি ডাঙি ধৰিছে এতিয়া আচল কথা হ'ল এই নিগমে ভালদৰে খেতিয়কে মাটিখিনি ব্যৱহাৰ কৰিছেনে নাই তাক চোৱা, গৰু হাল কিনি যাতে তেওঁলোকে দোপত দোপে আগবাঢ়ি যাব পাৰে তাৰ বাবে ব্যৱস্থা কৰা।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ দেশত নিবনুৱা সমস্যাই এক উৎকত সমস্যা ৰূপে দেখা দিছেহি, বাটে-পথে কেৱল দৰ্খাস্ত কাৰীৰ প্ৰশ্ন, এই বিষয়ে বাজেট বক্তৃতাত ৩০ হাজাৰ নিবনুৱা ডেকাই এমপ্লয়মেণ্ট এক্সেঞ্জৰ জৰীয়তে চাকৰী বিচাৰিছে কিন্তু আতকৈ বহুত বেচি হয়তো এম্পলয়মেণ্ট এক্সেঞ্জত নাম ভৰ্ত্তি হোৱা নাই। গতিকে এইটো এটা ভয়াবহ হৈ পৰিছে গতিকে আমি ভাবো হে বৃহৎ সংখ্যক প্ৰাইমাৰী স্কুল প্ৰতিষ্ঠা

কৰি আমাৰ কেবাহাজাৰো নিৰনুৱা শিক্ষিত ডেকাক চাকৰীত নিয়োজিত কৰি নিবনুৱা সমস্যাৰ সমস্যাটো কিছু পৰিমাণে উপশম কৰিব পৰা হব। লগে লগে এওঁলোকে এটা পৰিয়ালৰ ভৰণ-পোষণৰ বাট মোকলাব পাৰিব।

আজি দেখা গৈছে আমাৰ পিছপৰা জন-জাতি আৰু পিছপৰা সম্প্ৰদায়ৰ ডেকা সকলে কোনো ধৰণৰ সুবিধা পোৱা নাই আনকি তেওঁলোকৰ বহুতে শিক্ষা পোৱা স্বত্বেও চৰকাৰৰ ঘৰত এল. ডি চাকৰী এটা পোৱা নাই, ডি, পি, আই অফিচত জন-জাতিৰ ডেকা এটাও চাকৰী পোৱা নাই, আমি টেকনিকেল বা মেডিকেল কলেজৰ চাকৰীৰ কথা কোৱাই নাই।

যিয়েই নহওক আন আন দেশ বিলাকে শিক্ষাৰ ক্ষেত্ৰত বহুত খিনি আগবাঢ়িছে। কিন্তু জনজাতীয় অঞ্চলত ল'ৰা বিলাক বি-এ, এম-এ পাচ কৰিও বহি থাকিব লগীয়াত পৰিছে। তেওঁলোকে পঢ়া-শুনা কৰি বি-এ, এম-এ পাচ কৰি উঠিও সাধাৰণ অস্থায়ী হাইস্কুল এখনৰ পোষ্ট এটাৰ কাৰণেও ৫০ টকা পৰ্য্যন্ত দিব লগীয়া হয়। তথাপিও তেওঁলোকৰ ভাগ্যত চাকৰি নঘটে।

উপাধ্যক্ষ মহোদয়, আমাৰ যিমান বিলাক ৰোগী আছে সেই আটাই বিলাক ৰোগীৰ উপযুক্ত চিকিৎসাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা হোৱা নাই। জনস্বাস্থ্য বিভাগ আদিও খুলিছে যদিও, বহুত অঞ্চলত তেজ গ্ৰহণী পৰ্য্যন্ত হৈ আছে। কোনো কোনো ঠাইত আকৌ ডাক্তৰ নাই, পিল নাই ৰোগীক দিবলৈ। একোটা পিলতে দুই তিনি টকা দিব লাগে। তেজ গ্ৰহণীৰো প্ৰকোপ দেখা গৈছে কেইবা ঠাইতো। তাৰ কাৰণে অন্ততঃ কেইটামান চাব চেণ্টাৰ খুলি দিব লাগে। কিয়নো ১০-১২ মাইল দূৰৰ পৰা ৰোগী আহি চিকিৎসা কৰোৱা অথবা কোলাত কেচুৱা লৈ অহাটো বৰ টান কথা। হস্পিটাল বিলাকত প্ৰায় দুশৰ পৰা আঠে শ পৰ্য্যন্ত ৰোগী জমা হয়। বজাৰৰ দিনাটো চাৰিশ মানেই হয়। মন্ত্ৰী ডাঙৰীয়াই নিজেও এইবোৰ কথা জানে। একোটা ৰোগীৰ তিনি তাঁৰমান গৈয়েই মৃত্যু হয়। ডাক্তৰেও অৱস্থা দেখি বুজি পাই ঔষধেই নিদিলে।

এই বিলাক কথা আজিৰ চৰকাৰে মনোযোগ দি চাব লাগে তেহে আমাৰ দেশৰ জনস্বাস্থ্য উন্নত হব। আগতে মেলেৰিয়া আদি আছিল এতিয়াও উত্তৰ গোৱালপাৰা কামৰূপৰ উত্তৰ অঞ্চলত এই মেলেৰিয়া ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা যায়। মেলেৰিয়া ৰোগ হোৱাৰ মূল কাৰণ হ'ল ডি-ডি-টি স্প্ৰে নকৰে। মেলেৰিয়াৰ পৰা কলাজৰ আদিও হব পাৰে। আমি এই বিলাক ভূক্ত ভোগী। গতিকে যাতে ৰোগীৰ অৱস্থা বেয়াৰ ফালে যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, পিচ পৰা অঞ্চল বিলাকৰ ভিতৰত অসমৰ অৱস্থা আটাইতকৈ বেয়া। এই আনডেভেলাপড্ ঠাই বিলাকৰ ভিতৰত অন্তত ভূটান পাহাৰৰ কাষে পাজৰে চেৰফাং গুৰি আদি ঠাইৰ পৰা উত্তৰ ট্ৰাংক ৰোডেৰে সংলগ্ন কৰি সুৱণখাটা ওদালগুৰিলৈ আহিব লাগে। এই বিষয়টো মই দৃষ্টি আকৰ্ষণ কৰিলো। যাতে এই ৰাস্তাটো এই পৰিকল্পনাত ঠিক কৰি দিয়া হয়।

আজি ৰাজ্যিক বাণিজ্যৰ ক্ষেত্ৰত চাব লাগিব কেনেকৈ স্থানীয় অসমীয়া লোকে বাণিজ্যত নামিব পাৰে। ডাগা-পাল্লা আদি ধৰি হ'লেও বাণিজ্যৰ ক্ষেত্ৰত অলপ সহানুভূতি দেখুৱাব লাগে। সমবায় মাৰ্কেটিং চোচাইটি বিলাকৰ যোগেদি জীৱন ধাৰণৰ অপৰিহাৰ্য্য আৰু নিত্য ব্যৱহাৰ্য্য বস্তু বিলাক যাতে সুলভ মূল্যত পাব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। আনকি নিমখ-তেল-কেৰাচিন আৰু মাৰ্কিন কাপোৰ আদিও এই সমবায়ৰ জৰিয়তে বেচা কিনা কৰিব পাৰি। তেতিয়া মাৰ্কিন লংক্লথ আদি কাপোৰ ১·১০ টকা মানতে পাব পৰা হ'ব। এই বিলাক চোচাইটিৰ জৰিয়তে বস্তু বিতৰণ কৰা হ'লে অসমৰ বাণিজ্য নিশ্চয় আগবাঢ়িব। মোৰ মনত আছে, যে ১৯৪৮ চনত প্ৰাইমাৰী কনজিউমাৰ চোচাইটি গঠন হৈছিল সেই বিলাকৰ যোগেদি এচেন্‌চিয়েল কমোডিটিজ বেচা-কিনা কৰি বেছ লাভ হৈছিল। আমাৰ বৰমা অঞ্চলটো আমি চাৰি বছৰ ধৰি চলাইছিলো এই চোচাইটি আৰু তাৰ পৰা বহুত লাভবানো হৈছিলো। হাইস্কুলৰ কাৰণে পাচ হাজাৰ টকা দান দিছিলো। ঘৰ দুৱাৰ বান্ধি দিছিলো স্কুলৰ কাৰণে। এনেকুৱা চোচাইটিৰ যোগেদি গঠনমূলক কাম আৰম্ভ কৰিব লাগিব তেতিয়া

হ'লে বাণিজ্যৰ লগতে গঠনমূলক কামো যথেষ্ট পৰিমাণে আগবাঢ়িব। বৰ্তমান আমাৰ গাওঁৰ ঘৰত প্ৰত্যেককে কমেও গড়ে এক কিলোগ্ৰামকৈ চেনী লাগে। গতিকে মই মন্ত্ৰী ডাঙৰীয়াৰ কথাত পূৰ্ণ সমৰ্থন জনাইছো। বিশেষকৈ গাৱেঁ ভূঞে সমবায় সমিতি গঠন কৰি তাৰ যোগেদি গঠনমূলক কাম কৰিবলৈ আমি সকলোৱে চেষ্টা কৰিব লাগিব। তাৰ কাৰণে মই সমবায় বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো।

উপাধ্যক্ষ :—আপুনি আৰু কিমান কৰ?

শ্ৰীসুৰেন দাস :—আৰু পাচ-দহ মিনিট কম।

উপাধ্যক্ষ :—পাচ মিনিট হ'লে এতিয়াই কব পাৰিব কিন্তু দহ মিনিট হলে পিচলৈ কব।

The Assembly reassembled at 2 P.M. in the Assembly Chamber after lunch break with the Hon'ble Speaker in the chair.

অধ্যক্ষ মহোদয়, আমি জানি সুখী হৈছো যে পঞ্চ বাৰ্ষিক পৰিকল্পনাত কেন্দ্ৰীয় চৰকাৰে অসমৰ পিচপৰা জনজাতীৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ কথা চিন্তা কৰিছে। যোৱা ২৯ মে তাৰিখে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে জনজাতীয় নেতাৰ এটা দলে আলোচনাক্ৰমে আমি দিল্লীত প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীক লগ কৰি এখন স্মাৰক-পত্ৰ দিছো। প্ৰধানমন্ত্ৰী মহোদয়াই আমাৰ সকলো কথা বৰ আগ্ৰহেৰে শুনিলে আৰু ক'লে যে এই পৰিকল্পনাত অসমৰ পিচ পৰা জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে আপ্ৰাণ চেষ্টা কৰিব। লগতে হৰিজনসকলৰ উন্নতিৰ কাৰণেও আঁচনি লোৱা বুলি ক'লে। তাৰ পাছত আমি কংগ্ৰেছ সভাপতি শ্ৰীশংকৰ দয়াল শৰ্মা প্ৰমুখ্যে শ্ৰীএমা শংকৰ দিক্ষীত, কে, চি, পন্ত আদিক লগ কৰিলো। তেখেত সকলৰপৰাও আমি অসমৰ পিচ পৰা আৰু জনজাতিয় লোক-সকলৰ উন্নয়ণৰ কথাটো সুস্থিৰে বিবেচনা কৰা বুলি জানি আনন্দিত হৈছো। গতিতে আশা কৰিছো আমাৰ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এই আঁচনিবিলাক লোৱাত সুফল কৰিব। তাৰ পাচত

আমি উদয়াচলৰ দাবী সম্পৰ্কে প্ৰধানমন্ত্ৰীক জনোৱাত আৰু প্ৰধানমন্ত্ৰীয়ে উদয়াচল হ'ব বুলি আশ্বাস দিছে নেকি বুলি সোধাত আচৰিত হৈ ক'লে যে এইটো অবাস্তৱ আৰু ভিত্তিহীন কথা। উদয়াচল কেতিয়াও হ'ব নোৱাৰে।

অধ্যক্ষ মহোদয়, অসমত যথেষ্ট ৰিচোৰ্চ থকা স্বত্বেও আজি অসমৰ অৰ্থ নৈতিক অৱস্থা দেউলীয়া। অসমত ৰেচম শিল্প এটা পুৰণি শিল্প আৰু এই শিল্পৰ দ্বাৰা বহুতো গৰীব লোক জীয়াই আছিল। কিন্তু আজি সেই শিল্পৰ মৃতপ্ৰায় অৱস্থা। বোৱা-কটাৰ ওপৰত আমাৰ মানুহৰ ৰাপ কমোৱা হ'ল। তাৰ আচল কাৰণ বজাৰ। আগতে নিজৰ কাপোৰখিনি বৈ লোৱাৰ উপৰিও বজাৰত বিক্ৰী কৰি জীৱন নিৰ্ব্বাহ কৰিছিল। কিন্তু আজি চৰকাৰৰ অৱহেলাৰ কাৰণে এই শিল্পই উন্নতি কৰিব পৰা নাই। আমাৰ অঞ্চলত এই মাটিহীন অৱস্থাতো ১০০ বিঘা মাটি ৰেচম শিল্পৰ কাৰণে এৰি দিয়া হ'ল। কিন্তু তাত এতিয়াও চৰকাৰে ককুনচ দিব পৰা নাই। উন্নত ধৰণৰ ককুনচ দিব পাৰিলে তাত এখন ভাল ৰেচম ফাৰ্ম হ'ব আৰু ৰাইজৰ দুখ-দুৰ্গতি কিছু কমিব। আমাৰ যিবিলাক ইন্সপেক্টৰ আছে তেওঁলোকে গাওঁলৈ নাযায়, আৰু এৰি-মুগাৰ উপকাৰিতা সম্পৰ্কে ৰাইজক বুজাই দিব নোৱাৰে। কিন্তু ৰাইজক বুজাই-মিলি ল'ব পাৰিলে অকল এৰি মুগা কাতি এখন ঘৰে মাহেকত ১০০-১৫০ টকা উপাৰ্জন কৰিব পাৰে। গতিকে চৰকাৰৰ ফালৰপৰা ককুনচ যোগান ধৰি ৰাইজক সহায় আদি কৰি এই শিল্প পুনৰ গঢ়ি তুলিব বুলি মই আশা কৰিলো। কাৰণ এই ব্যৱসায় সাধাৰণতে ধনীয়ে নকৰে, কৰে দুখীয়াই—গাওঁলীয়া লোকে। এৰী সূতা গুৱালকুছি, তামোলপুৰ, বৰমা আদিত খুব ভাল হয়। উজনি অসমত মুগাপাট হয়। গতিকে এইবোৰ কৰি আমাৰ সৰ্ব্বসাধাৰণৰ যি চাহিদা তাক পুৰণ কৰিব পাৰে আৰু নিজে নিজে স্বাৱলম্বী হ'ব পাৰে। এই-খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰাম চন্দ্ৰ শৰ্মা :—মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই যি বাজেট সদনত দাঙি ধৰিলে এই বাজেট কোনো নিৰ্দিষ্ট লক্ষ্য নথকা আৰু আশাহীন বাজেট বুলি ক'ব পাৰি। যি বাজেটত ৯৫'৬৪ লাখ টকা ঘাটি, যি বাজেটত ৪২১ কোটি টকা ধাৰ আৰু যাৰ কাৰণে ১৪ কোটি টকা সুত

হিচাবে দিব লাগিব তেনে এখন বাজেটে জনসাধাৰণৰ মনলৈ কেতিয়াও সন্মতি আনিব নোৱাৰে। কৰ-কাটল ৰেহাই দিয়া আৰু ধাৰ নকৰাটোৱেই একমাত্ৰ কথা হ'ব নোৱাৰে। এখন দেশক শক্তিশালী কৰিবলৈ হ'লে, আয় বৃদ্ধি কৰিবলৈ হ'লে টকা ধাৰ কৰিবই লাগিব। কিন্তু এতিয়া এনেকুৱা দেখা গৈছে "নামাতো মাত মতালি, নাখাও ভাত খুৱালি নিগিলো কি কৰ কৰ।" ধাৰ নকৰো, কৰ-কাটল নলগাও যি আছে তাৰেই কোনো ৰকমে চলাই লৈ যাম। এই বাজেটখন এনেকুৱা হৈছে যে এজন মানুহক ৩ টকা দি বজাৰলৈ পঠাই দিলে, তাৰে চাউল, দাইল, তেল আনিবলৈ কোৱাৰ উপৰিও তাৰে যি থাকে পাণ, চূণ, চাধা আনিবলৈ ক'লে মানুহজনৰ যেনেকুৱা পৰিস্থিতি হ'ব আজি আমাৰো তেনেকুৱা পৰিস্থিতি হৈছে। অৱশ্যে এই বাজেটত তেখেতসকলৰ ফালৰ কাৰোবাৰ আস্থা থাকিলেও জনসাধাৰণৰ কোনো আস্থা থাকিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, এখন দেশৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ হ'লে নিশ্চয় কিছুমান লক্ষ্য থাকিব লাগে। ভাল পৰিবেশন আৰু ভাল ভাল আঁচনি থাকিব লাগিব। ধাৰ কৰি হ'লেও সেইবিলাক টকা ভাল ভাল আঁচনিত খটুৱাই তাৰ দ্বাৰাই দেশৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব লাগিব। আজি আমি এই বাজেটখনত চাৰিওফালৰ পৰাই এটা নতুন ৰূপ দেখিবলৈ পাইছো। এই বাজেটত কিছুমান সদস্য সন্তুষ্ট হ'ব পাৰিলেও জনসাধাৰণ কেতিয়াও সন্তুষ্ট হ'ব নোৱাৰে।

অসমৰ জনসংখ্যা ভাৰতবৰ্ষৰ জনসংখ্যাতকৈ তুলনামূলক হিচাবে বাঢ়ি গৈছে। প্ৰতি দশকত ১৯৫১—১৯৬১ চনলৈ ভাৰতৰ জনসংখ্যা আছিল ২১·৬৪ আৰু অসমত ৩৫·০৪। ঠিক সেই হিচাবে ১০ বছৰত ১৩·৪২ বেচি বাঢ়ি গৈছে। আৰু ঠিক তেনেকৈয়ে ১৯৬১—৭১ লৈ ২৪·৫৭ ভাৰতবৰ্ষৰ জনসংখ্যা আৰু অসমত হ'ব ৩৩·৫৯, এই হিচাবে প্ৰায় ৯ গুণ বাঢ়িছে।

আনহাতে অসমত প্ৰত্যেক বছৰে প্ৰাকৃতিক দুৰ্যোগ আৰু বানপানীত ২৪ কোটি টকা লোকচান হৈছে। তাৰোপৰি আমাৰ প্ৰত্যেক পঞ্চবাৰ্ষিক পৰিকল্পনাত ধাৰৰ মাত্ৰা ক্ৰমান্বয়ে বাঢ়িহে গৈছে। প্ৰথম পঞ্চবাৰ্ষিক

পৰিকল্পনাত ২.৮ কোটি টকা, দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত ৩৯.৯২ কোটি টকা, তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত ৫৩.৭২ কোটি আৰু চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত সেই সংখ্যা বাঢ়ি গৈ ৪২১.৬৪ কোটি টকা হৈছেগৈ। এইদৰে ধাৰৰ বোজা বাঢ়ি যোৱাৰ ফলত সেই বোজা আমাৰ জনসাধাৰণৰ মূৰত বেচিকৈ পৰিছে। এতিয়া চৰকাৰে ধাৰ নকৰো, কৰ-কাটল নলগাও বুলি বহি থাকিলে আমাৰ দেশৰ অৱস্থা কি হ'ব? আমি আগৰ ধাৰবিলাকক মাৰিম কেনেকৈ? সিদিনা নীলাচলত অলপমান কথা লিখিছে। সেইখিনি মই পঢ়ি দিছো—পঢ়ি দিছো এই কাৰণেই যে আপোনালোকে আমাৰ কথা বিশ্বাস নকৰে আৰু পেপাৰৰ কথা বিশ্বাস কৰে। সেই কাৰণে মই এই কথাখিনি পঢ়ি দিছো। "কেন্দ্ৰৰ ৰাজ্যিক পৰিকল্পনা মন্ত্ৰী শ্ৰীমোহন ধাড়িয়া অলপতে অসমলৈ আহোতে এই বুলি দুখ প্ৰকাশ কৰে যে অসমে যোৱা বছৰ কেন্দ্ৰীয় মঞ্জুৰীৰ ৩ কোটি ৩৯ লাখ টকাৰ ভিতৰত শতকৰা ২০ ভাগৰেই খৰচ কৰিব পৰা নাই। বিধানসভাৰ যোৱা অধিৱেশনতো অসম চৰকাৰে কেন্দ্ৰীয় মঞ্জুৰীৰ টকা খৰচ কৰিব নোৱাৰি ঘূৰাই দিয়া বুলি অভিযোগ উঠিছিল, আৰু মুখ্যমন্ত্ৰীয়ে সেই বিষয়ে তদন্ত কৰা হ'ব বুলি কৈ প্ৰকাৰান্তৰে সেই অভিযোগ মানি লৈছিল। যোৱা বছৰ অসম চৰকাৰে খৰচ কৰিব নোৱাৰা টকাৰ ভিতৰত শিক্ষা বিভাগে লাইব্ৰেৰীৰ কাৰণে কিতাপ কিনিবলৈ পোৱা ৭০,০০০ টকাও আছিল। যি সময়ত বিক্ৰীৰ অভাৱত অসমীয়া লিখক আৰু প্ৰকাশকৰ সকলো উদ্যম হেৰাই গৈছে, তেনে সময়ত অসম চৰকাৰে কিতাপ কিনিবলৈ পোৱা ৭০,০০০ টকা কি কাৰণত ঘূৰাই দিলে সি আজিও সাথৰ হৈ আছে।

সম্প্ৰতি আৰু তেনেকুৱা এটা চাঞ্চল্যকৰ তথ্য পোৱা গৈছে। গুৱাহাটী মেডিকেল কলেজৰ প্ৰসূতি বিভাগ আৰু ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজৰ শৈল্য চিকিৎসা বিভাগৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেকখন কলেজকে ১০ লাখকৈ মুঠ ২০ লাখ টকা দিব খুজিছিল। কলেজ দুখনেও প্ৰয়োজনীও আঁচনি কৰি কেতিয়াবাই চৰকাৰৰ ওচৰত দাখিল কৰিলে। কিন্তু চৰকাৰৰ বিত্ত দপ্তৰত ইমান শামুকীয়া গতিৰে সেই আঁচনি দুখন ইখন টেবল্ পৰা সিখন টেবল্ যাব ধৰিছে যে অসম চৰকাৰে এই টকাও হেৰোৱাৰ

উপক্ৰম হৈছে। ভূ ৰাখোতা মইলৰ মতে চৰকাৰী সচিবালয়ত অসমৰ স্বাৰ্থ বিৰোধী কেতবোৰ লোকৰ ষড়যন্ত্ৰৰ ফলতেই বা অসমৰ উন্নতিৰ কাৰণে আশাশুধীয়াকৈ চেষ্টা কৰা লোকৰ অভাৱতেই বিভিন্ন আঁচনি যথা সময়ত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈ নুঠে। আৰু ফলত অসমে বছৰি কোটি কোটি টকাৰ মঞ্জুৰী কেন্দ্ৰক ঘূৰাই দিব লগা হয়। টকাৰ অভাৱতেই অসমৰ উন্নতি সম্ভৱপৰ হোৱা নাই বুলি যুক্তি দেখুওৱা হয়, কিন্তু যি চৰকাৰে টকা পায়ো খৰচ কৰিব নোৱাৰে, তেনে ৰাজ্য চৰকাৰক কেন্দ্ৰই কি দৃষ্টিৰে চাব সি সহজেই অনুমেয়। টকা নাপালেতো কথাই নাই। আনকি যি টকা পাইছে সেই টকাকো ৰাজ্য চৰকাৰে কামত লগাব নোৱাৰি ওভোটাই পঠাই দিবলগীয়া হৈছে।

আনহাতে আজি অসমত নিবনুৱা সমস্যা দিনক দিনে বাঢ়ি যাব লাগিছে। মুখ্যমন্ত্ৰীয়ে এই সংখ্যা যদিও ২৩ হাজাৰ বুলি কৈছে মই কওঁ এই সংখ্যা তাৰো দুগুন হব। কাৰণ মুখ্যমন্ত্ৰীয়ে যি হিচাব দিছে সেই হিচাব ৰেজিষ্টাৰ কৰা সংখ্যাৰ হিচাবহে। ৰেজিষ্টাৰ নকৰা নিবনুৱা তেনেকুৱা গাৱঁত আৰু দুগুন হ'ব। আমাৰ দেশত আজি ৪৭ হাজাৰ আৰু ৬০ হাজাৰ ভূমিহীন লোক আছে। আনহাতে বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগে আমাৰ দেশত প্ৰত্যেক বছৰেই লাগি আহিছে। আমাৰ চৰকাৰে যদি নিবনুৱা সমস্যা দূৰ কৰিবলৈ বিচাৰে তেন্তে তাৰ কাৰণে কিছুমান আঁচনি লব লাগিব। তাকে নকৰি টকা নাই বুলি বহি থাকিলে নহ'ব। এইদৰে বহি থাকিব লগীয়া হ'লে অসম এদিন বিক্ৰি কৰি দিব লাগিব।

অধ্যক্ষ মহোদয়, আমি আমাৰ দেশত হোৱা বিপ্লব বা বিদ্ৰোহ বিলাক হোৱাৰ যদি কাৰণ বিশ্লেষণ কৰি চাওঁ তেন্তে দেখিবলৈ পাম যে যি দেশতেই যেতিয়া শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাইছে সেই দেশতেই বিদ্ৰোহ হৈছে। আমাৰ অসমতো সেইদৰে যিবিলাক জিলাত শিক্ষিতৰ সংখ্যা বেছি সেই জিলাতেই এই চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে। ফ্ৰান্স আৰু তিব্বতৰ বিদ্ৰোহ এই কাৰণেই হৈছিল। যেতিয়া দলৈ লামাই পিছপৰা অবহেলিত মানুহ বিলাকক তলত পেলাই ৰাখিব খুজিছিল তেতিয়াই তিব্বতত বিদ্ৰোহ

হৈছিল আৰু ফলত দলৈলামা পলাই আহিবলগীয়া হৈছিল। নগালেণ্ড, মেঘালয়া, মিজোৰাম আদিত শিক্ষিত সংখ্যা বেচি হোৱাৰ কাৰণেই সেইবিলাক অঞ্চলে এই চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি এই চৰকাৰৰ তলৰ পৰা ভাত কাপোৰৰ কাৰণেই আতৰি যাববৈ বাধ্য হ'ল। মানুহ যেতিয়ালৈকে নুবুজা হৈ থাকে তেতিয়ালৈকে চৰকাৰে যিয়ে কয় তাকে মানি থাকে। কিন্তু যেতিয়া শিক্ষিত হৈ উঠে তেতিয়া সকলো বিলাক কথা বুজি পায় আৰু চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। নগাপাহাৰত শিক্ষিতৰ সংখ্যা ৭০% ভাগ, খাচিয়া পাহাৰত ৫৯.৬ গাৰো পাহাৰত ৩৬.৩। তুলনামূলক ভাবে চালে দেখা যায় যে অসমতকৈ নাগালেণ্ডত শিক্ষিত মানুহৰ সংখ্যা সৰহ হোৱাৰ কাৰণেই সেই সকলে অসম চৰকাৰৰ আস্থা হেৰুৱাই পেলাইছে, ফলত এখন বেলেগ ৰাজ্য গঠন কৰে।

খাচীয়া জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ জিলাৰ শিক্ষিতৰ সংখ্যা নাগালেণ্ডৰ তলত। উক্ত দুয়োখন জিলাক অবহেলা কৰাৰ ফলত অৱশেষত অসমৰ পৰা ফালৰি কাটি গুচি গ'ল। এওঁলোকৰ শিক্ষিতৰ হাৰ শতকৰা ৬৯। তাৰ পিচত মিজোৰামৰ শিক্ষিতৰ সংখ্যা শতকৰা ৫০.৯। এওঁলাকো অসমৰ পৰা ফাটি গ'ল। তাৰ তলত শিৱসাগৰৰ শিক্ষিতৰ সংখ্যা হ'ল ৩৬.৮। এতিয়া দেখিছো উজনি অসম ৰাজ্য পৰিষদে অসন্তোষ্টি প্ৰকাশ কৰিছে। শিৱসাগৰ জিলাও এতিয়া কাটি যোৱাৰ উপক্ৰম হৈছে। ঠিক তেনেকৈ শিৱসাগৰ জিলাৰ তলত কাচাৰ জিলাৰ শিক্ষিতৰ সংখ্যা। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অৰুণাচলৰ পৰা আৰম্ভ কৰি উত্তৰ অঞ্চলটো উদয়াচলে দাবী কৰিছে। এইবিলাক দাবীৰ উদ্ভৱ হোৱাৰ প্ৰধান কাৰণ হ'ল জনসাধৰণ নিম্নতম চাহিদাও চৰকাৰে পূৰণ কৰিব পৰা নাই। আজি জনসাধাৰণ অৱহেলিত নিষ্পেষিত অৱস্থাত পৰি আছে। এশ ডেৰশ টকা দৰমহা পোৱা শিক্ষক-সকলে বিধান সভাৰ সমুখত তেওঁলোকৰ অভাৱ অভিযোগৰ কথা ব্যক্ত কৰিবৰ কাৰণে বিক্ষোভ প্ৰদৰ্শন কৰিছে। তেওঁলোকৰ সকলো কথা জনোৱাৰ একমাত্ৰ ঠাই হ'ল বিধান সভা কিন্তু চৰকাৰে ইয়াৰ পৰা পুলিচ পঠিয়াই শিক্ষক শিক্ষয়িত্ৰীৰ ওপৰত নিৰ্মমভাৱে লাঠি প্ৰহাৰ কৰাইছে যাৰ ফলত ১৪-১৫ জন আহত হৈছে আৰু ২-৩ জনৰ অৱস্থা একেবাৰে বেয়াৰ ফালে

গৈ.ছে। এই নির্মম কার্য্যৰ বাবে নিষ্পেষিত জনসাধাৰণে কেতিয়াও ক্ষমা নকৰিব—মই চৰকাৰক সাৱধান কৰি দিছো। অসমৰ শতকৰা ৯০ ভাগ মানুহ খেতিয়ক তেওঁলোকৰ কাৰণে চৰকাৰে চিন্তা কৰা নাই। নিবনুৱা সমস্যা সমাধানৰ কাৰণে ভাল ব্যৱস্থা লোৱা নাই। শিল্পায়নৰ ব্যৱস্থা নকৰিলে অসম নিশ্চয় অবহেলিত হ'ব। তাৰ পিচত আমাৰ চৰকাৰে কোনো আঁচনি ললেও সেই আঁচনিৰ ওপৰত ৰাইজৰ বিশ্বাস জন্মাব নোৱাৰে। আগৰ আঁচনিবিলাকৰ উদাহৰণৰ কাৰণে জনসাধাৰণে বিশ্বাস নকৰে। যেতিয়া আইন এখন পাচ কৰা হয় তাৰ পিচত এই আইনৰ কোনো মূল্য নাইকিয়া হয়। আমাৰ বহুতো আইন পাচ কৰা হ'ল কিন্তু কামত নাহিল। তাৰ পিচত চৰকাৰে ঘেহু জাতীয় সামগ্ৰী আৰু খাদ্য জাতীয় সামগ্ৰীৰ ব্যৱসায় চৰকাৰে সম্পূৰ্ণ হাতলৈ আনিবলৈ চেষ্টা কৰিছে। তাৰ প্ৰতি মই আদৰণি জনাইছো। এইখিনিতে মই এটা কথা সকিয়াই দিব বিছাৰিছো যে আগৰ যি ১৩৮ খন সমবায় দোকান আছিল তাৰ বেচিভাগেই দুৰ্নীতিপৰায়ন লোকৰ প্ৰতাৰণাত পৰি সেই সমবায় দোকান ক্ষতিগ্ৰস্ত হ'ল। সেই সমবায় দোকানৰ হিচাব কেতিয়াও দিব নোৱাৰে। চেনী বা চিমেণ্টৰ কণ্ট্ৰোল কৰিছে হয় কিন্তু চেনী ৪ টকা দৰত কিনিব লগা হৈছে। শতকৰা ৪০ আৰু ৬০ ভাগ কৰি ব্যৱসায় কৰা লোকক এটা লাভ কৰাৰ সুবিধা কৰি দিছে। এচাম মুষ্টিমেয় মানুহক সুবিধা কৰি দিয়াৰ বাহিৰে চৰকাৰে একো কৰিব পৰা নাই। ব্যক্তিগত মানুহকতো চিমেণ্ট নিদিয়েই আনকি টেষ্ট ৰিলিফৰ কামৰ কাৰণে আলি বাট আদি বন্ধাত চৰকাৰে চিমেণ্টৰ যোগান ধৰিব নোৱাৰিলে। ফলত কালভৰ্াড বিলাক বনাব নোৱাৰিলে। চিমেণ্টৰ বস্তা বাহিৰত ২৫-২৭ টকাত পোৱা যায়। ঠিক সেই ধৰণে টিন পোৱা নাযায়। যদি চৰকাৰে কণ্ট্ৰোল কৰিব নোৱাৰে তেন্তে কণ্ট্ৰোল কৰিবলৈ বাদেই দিয়ক। এই বিষয়ে নানা সমালোচনা কৰা হৈছে কিন্তু চৰকাৰে তাক নিৰ্মুল কৰিবৰ কাৰণে কি ব্যৱস্থা কৰিছে? মাৰ্কেটিং বিলাকে নানা খেলি মেলিৰ কাৰণে নবেম্বৰ, ডিচেম্বৰ, জানুৱাৰী মাহতহে ধান ক্ৰয় কৰিবৰ বাবে চৰকাৰে অনুমতি দিয়ে। ফলত দুখীয়া ৰাইজে সস্তা দামতে ধান বিক্ৰি কৰি দিয়ে। এই ধান বিলাক ব্যৱসায়ী সকলে মজুত কৰি ৰাখে। আমাৰ পে কমিচনৰ ৰিপোৰ্ট ওলোৱাৰ লগে লগেই বস্তুৰ দাম দুগুণ বাঢ়িল। আনকি ৰঙালাওঁৰ

আগ ঢেকীয়া মুঠিৰ দামো বাঢ়িছে। চাকৰিয়াল সকলে কৈছে দৰ্মহা বঢ়াব নালাগে বস্তুৰ দাম নিয়ন্ত্ৰন কৰিব লাগে। তেওঁলোকে অসন্তুষ্টি প্ৰকাশ কৰিছে। আমি জনসাধাৰণৰ কথা বিলাক উপলব্ধি কৰিব লাগিব।

আমাৰ আজি শতকৰা ৮০ ভাগ খেতিয়কৰ ভিতৰত ৬০ ভাগৰ মাটি নাই। এতিয়া ফাৰ্মি কৰপৰেশ্যন কৰা হৈছে। ইয়াৰ এটা মই উদাহৰণ দিব বিচাৰিছো। লক্ষীপুৰত ২ অক্টোবৰ তাৰিখ পূবজ্যোতি নামে এই ফাৰ্মী কৰপৰেশ্যন এখন মুকলি কৰাৰ কথা আছিল। কিবা অসুবিধাৰ কাৰণে ২৬ জানুৱাৰী তাৰিখে মুকলি কৰাৰ কথা কৈছিল। যি সকলক তাৰ দায়িত্ব দিয়া হ'ব তেওঁলোকে এখন মাটিহান মানুহৰ লিষ্ট কৰিব লাগে। তাত ইতিমধ্যে বেদখল কৰি মানুহ বহি গৈছে। এই ফাৰ্মিং কৰপৰেশ্যনৰ কথা কোনেও কব নোৱাৰে। আনকি তেজপুৰৰ এম, এল, এ বা ডি, চি, এও কব নোৱাৰে। তাত বাহিৰৰ ৩০০ মানুহ বেদখল কৰি বহি গেছে। শিক্ষক সকলৰ পৰা ভূমিহান বুলি চাৰ্টিফিকেট আনিছে। এনে ধৰণে মানুহে নিজৰ ইচ্ছামতে বহি গেছে। আনহাতোদ তেজপুৰৰ হেলেম চাৰ্কোলত ৬০০০ ভূমিহীন মানুহ আছে। এই কাৰ্য্যৰ দ্বাৰা এইলোক সকলক প্ৰতাৰণা কৰা হৈছে। এই ধৰণেই ফাৰ্মিং কৰপৰেশ্যন হৈ আছে।

কিন্তু ফাৰ্মি কৰপৰেশ্যনৰ যিবিলাক আঁচনি লোৱা হয় সেইবিলাক একোটা নিৰ্দিষ্ট সীমা ৰেখাৰ মাজত হ'ব লাগে বুলি সিদ্ধান্ত লব লাগিব। ফাৰ্মি কৰপৰেশ্যান হোৱাৰ পিছত মাটিহীন মানুহো মাটি পোৱাৰ পৰা বঞ্চিত হৈ পৰিছে। গতিকে যিবিলাক মাটিহান মানুহে মাটি বেদখল কৰি আছে সেইবিলাক মানুহক উচ্ছেদ নকৰি পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা মই ক'ব খুজিছো—সেইটো হৈছে আমাৰ গাওঁ অঞ্চলবিলাক উন্নত কৰিবৰ কাৰণে চৰকাৰে কিছুমান চাব-ডিভিজনেল প্লেনিং চেল কৰিব বিচাৰিছে, অন্য ঠাইত কি হৈছে কব নোৱাৰো। কিন্তু তেজপুৰত এজন মৰা মানুহো এই চেলৰ সদস্য হৈ আছে। ডম্বৰু বৰা নামৰ এজন মানুহৰ মৃত্যু হোৱাৰ পিছতো প্লেনিং সদস্য হৈ আছে

ইয়াৰ বাদেও একেজন মানুহেই দুবাৰকৈ সদস্য হোৱাৰ নমুনাও বিৰল নহয়। যেনে হিৰণ্য বৰা, এবাৰ হিৰণ্য বৰা হিচাবে এই চেলৰ সদস্য হৈছে আৰু এবাৰ জিলা কংগ্ৰেছৰ চেক্ৰেটৰী হিচাবে নাম আছে। সেই বুলি মই ক'ব খোজা নাই যে আমাকো তাৰ সদস্য কৰি লওক। কিন্তু জনসাধাৰণে যি গুণাগুণৰ ওপৰত ভিত্তি কৰি প্ৰতিনিধি নিৰ্বাচন কৰে সেই প্ৰতিনিধিসকলক তাৰ সদস্য কৰি লোৱা যুক্তিকৰ হ'ব বুলি আমি ভাবো। "যি মূলা বাঢ়িব তাৰ দুপাততে চিন" প্ৰথম অৱস্থাৰে পৰা ফাটিং কৰ-পৰেশ্যনৰ অৱস্থা আমি দেখি আহিছো। ১৪ টা বেংক আজি ৰাষ্ট্ৰীয়কৰণ কৰা হ'ল আৰু তাৰ বাবে জয় ঢোল বজোৱা হ'ল, ৰেডিঅ'টো তাৰ গুণানুকীৰ্ত্তন কৰা হ'ল। ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা টকা ধাৰে লোৱাৰ ক্ষেত্ৰত এনে নিয়ম কৰা হ'ল যে দহ মাইলৰ ভিতৰত থকা লোকেহে তাৰ পৰা টকা ধাৰে পাব এনেবোৰ কথাই তেলীৰ মূৰত তেল দিয়াৰ নিচিনা কথাহে হয়। এই ক্ষেত্ৰত মোৰ এটা কথা মনত পৰিছ—কেনেডীয়ে এটা কথা কৈছিল যে "যি কাম মই সংখ্যা গৰিষ্ঠ দুখীয়া জনসাধাৰণৰ কাৰণে কৰিব নোৱাৰো সেই কাম মই কেনেকৈ সংখ্যা লঘু আৰু মুষ্টিমেয় ধনী শ্ৰেণীৰ কাৰণে কৰো?" কিন্তু আমাৰ ইয়াত তাৰ ওলোটাটোহে হৈছে। মুষ্টিমেয় কেইজনমান ব্যৱসায়িক সুবিধা দিবৰ কাৰণে সংখ্যা গৰিষ্ঠ দুখীয়া জনসাধাৰণৰ সুবিধাৰ বিপৰীতে আঁচনি তৈয়াৰ কৰা হৈছে। মাটি থকা মানুহে মাটি পাই আৰু মাটি নথকা মানুহে মাটি নাপায়।

কেটোল ল'নৰ বেলিকা পাচঁ শ টকা ধৰা হৈছে। কিন্তু সেই পাচঁ শ টকাৰ ১ শ মাইল দূৰৰ পৰা অহা-যোৱা কৰোতে প্ৰায় দুশ টকা খৰচ হয়, তাৰোপৰি জিলালৈ টকা নিবলৈ আহি ঘূৰি যাওঁতে ল'ৰা-ছোৱালীলৈ কাপোৰ আৰু মাছ একণ লৈ যাব লগা হোৱাত হাতত দুশ টকাও নাথাকে। গতিকে মই চৰকাৰক কওঁ যদি এটা শকত পৰিমানৰ ধাৰ গৰু কিনাৰ বাবে চৰকাৰে দিব নোৱাৰে তেন্তে এনে সৰু সুৰা ধাৰ নিদিয়াই ভাল। বানবিধ্বস্ত লোকৰ বাবে জনমূৰি এক কিলো চাউলৰ সহায় দিয়া হয়। কিন্তু সাহাৰ্য্যৰ নামত শ শ কুইন্টল চাউল আৰু ঘেহু ক'লৈ যায়, ক'ৰ দোকান পাইগৈ তাৰ কোনো হিচাব নাই। ৰবিশস্য আঁচনীও ঠিক

সেইদৰে ডুৰ্নীতিগ্ৰস্ত মহকুমা ভিত্তিত উপদেষ্টা কমিটি এখন আছে আৰু প্ৰকল্প উপদেষ্টা কমিটিও আছে। মহকুমাৰ দায়িত্বত এজন মন্ত্ৰী, সভাপতি আৰু প্ৰকল্পৰ সভাপতি স্থানীয় এম, এল, এ। কিন্তু ই এটা অৰ্থহীন কথা। উক্ত কমিটিৰ লগত চৰকাৰৰ কোনো যোগাযোগ জাননী নথকাত কৰ্মচাৰীৰ বিল পাছ কৰাৰ বাদে আন কাম নাই। এনে হোৱাত বিষয়া সকলে ডুনীতি কৰিবলৈ সুবিধা পাইছে। আনকি বহু কথা জিলা কৃষি বিষয়া বা D. C. ৰ লগ.তা যোগাযোগ নঘটে। বিতৰণ কৰি বাকী থকা যেহু প্ৰায় ৪১০ বস্তা ছয় ডুৱাৰ উঃ খঃ ২নং প্ৰকল্পত জমা আছিল। কিন্তু প্ৰকল্প বিষয়াই ৰাতি অক্চন কৰি বিক্ৰি কৰা কথাও কমিটিয়ে নাজানে জানিব পাৰিছে তাত যিমান আছিল তাৰ আধাৰ হে হিচাব দিছে।

অধ্যক্ষ মহোদয়, ইয়াৰ পাচত বানপানীৰ নিয়ন্ত্ৰণৰ কথালৈ আহো। আজি দেখা গৈছে বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বছৰি কোটি কোটি টকা খৰচ হৈছে। ব্ৰহ্মপুত্ৰ আৰু অন্যান্য নদীবিলাক যদি নিয়ন্ত্ৰণ কৰিব পৰা হয় আজি বানপানী নিয়ন্ত্ৰণ শিতানত চৰকাৰৰ ইমান টকা অপচয় নহ'লহেঁতে। ইয়াৰ উপৰিও দেখা গৈছে যে, বাৰিষা কালত এই বান নিয়ন্ত্ৰণৰ কাৰণে টকা দিয়া হয় কিন্তু সেই সময়ত নদী নিয়ন্ত্ৰণ কাম বিশেষভাৱে কৰিব নোৱাৰে। ফলত সেই টকা ঠিকাদাৰ বা অন্যৰ পকেটত সোমায়। গতিকে খৰালি কালতে টকা চেঞ্চন কৰি দিলে বান নিয়ন্ত্ৰণৰ কাম কিছু হ'ব পাৰে। যদি অসমৰ আন নদ-নদীৰ লগতে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰা হয় তেতিয়া হ'লে বিদ্যুৎ শক্তি উৎপাদন হ'ব আৰু আমাৰ চৰকাৰৰ প্ৰায় ২৪ কোটি টকা বছৰি ৰাহি হ'ব। ইয়াৰ বাহিৰেও ভূমি সংস্কাৰ আৰু ভূমি সমস্যা সমাধান কৰিব পৰা হ'ব। গতিকে মই আপোনাৰ জৰিয়তে, অসম চৰকাৰৰ জৰিয়তে ভাৰত চৰকাৰক অনুৰোধ কৰিছো যে অতি সোনকালে নদীবিলাক নিয়ন্ত্ৰণ কৰিব লাগে আৰু ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ কাম ভাৰত চৰকাৰে হাতত ল'ব লাগে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা ক'বলৈ বিচাৰিছো যে, আমাৰ অস্থায়ী ৰাজধানীৰ সকলো কামেই আজি অস্থায়ী হৈ আছে। "স্থায়ী ৰাজধানীৰ স্থান কেতিয়া নিৰ্দ্ধাৰণ কৰা হ'ব? কলীয়া ভোমোৰা বৰফুকনেও

শিলঘাটতে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং দিবলৈ সিদ্ধান্ত কৰিছিল. অসমৰ মধ্য স্থান বুলি, গতিকে ভোমোৰাগুৰিৰ পৰা শিলঘাটলৈ এখন দলং দিব লাগে। ইয়াৰ বাহিৰেও শদিয়াৰ ওচৰতো ব্ৰহ্মপুত্ৰৰ ওপৰত কেবাখনো দলং হ'ব পাৰে। ৰাজধানীৰ সম্পৰ্কত মই ইয়াকে ক'ব বিচাৰো যে, গুৱাহাটীত জনসাধাৰণৰ সংখ্যা এনেও বেছি। তাৰোপৰি ইমান দূৰৰপৰা সৰু সৰু ল'ৰা-ছোৱালী স্কুললৈ অহা-যোৱা কৰিব নোৱাৰা অৱস্থাত পৰিছে যান-বাহনৰ উৎপাতত। বস্তুৰ দাম দিনে দিনে বাঢ়ি গৈছে। মানুহৰ ওপৰতে মানুহ হৈ পৰিছে। গতিকে এনকোৱাৰী কমিচনৰ ৰিপ'ৰ্ট অতি সোনকালে আনি স্থায়ী ঠাই নিৰ্ণয় কৰিব লাগে আৰু মধ্যস্থান শিলঘাটতে ৰাজধানী পাতিব লাগে। কাৰণ শিলঘাটেই মধ্য স্থান। সময়ৰো সংকেত আহি পৰিছে। গতিকে ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি ঃ—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৪ জুন তাৰিখে বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৭৩-৭৪ চনৰ কাৰণে যি বাজেট উত্থাপন কৰিছে সেই বাজেট যদিও ঘাটি হৈছে তথাপি তাত কোনো নতুন কৰৰ প্ৰস্তাৱ দিয়া হোৱা নাই। কিন্তু আজি এইটো দুখৰ বিষয় হৈ পৰিছে যে, আজি ২৫টা বছৰৰ পাছতো আমাৰ ঋণৰ বোজা কমা নাই। আমাৰ যিটো জনসংখ্যাৰ পৰিমান সেই হিচাবে প্ৰত্যেকজনৰ প্ৰায় জনমূৰি ৪০০ টকা হয়গৈ। আজি আমাৰ ৰাজ্যখনৰ কাৰণে, দেশখনৰ কাৰণে আমাৰ জন-সংখ্যা বাঢ়ি গৈ আছে। ইয়াৰ বাহিৰেও বহিৰাগত আহি ভৰি পৰিছে। আৰু আমাৰ চৰকাৰে যিবিলাক আঁচনি তৈয়াৰ কৰিছে সেই সকলোবিলাকেই অকৃতকাৰ্য্য হৈছে। গতিকে আমি সকলো মানুহ যাতে স্বাৱলম্বী হ'ব পাৰো আৰু আমাৰ দেশখনক যাতে উন্নতিৰ পথত অগ্ৰসৰ কৰি নিব পাৰো তাৰ বাবে আমি সকলোৱেই লক্ষ্য কৰিব লাগিব। আমি আজি কেইটামান বলিষ্ঠ আঁচনি গ্ৰহণ কৰিলেই নহ'ব। চৰকাৰে যি গৰীৱী হতাও আঁচনি লৈছে সেই গৰীৱী হতাও আঁচনিৰে—আমাৰ যিবিলাক ভূমিহীন খেতিয়ক সেইসকলৰ কাৰণে কৃষি নিগম কৰা হৈছে। যোৱা জুনৰ পহিলা তাৰিখে খাদ্য দ্ৰব্য ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে আৰু ভূমি সংস্কাৰ নীতি হাতত লোৱা হৈছে। এই সকলোবিলাক কাম কৰোতে আমি ভাল

ভাবে কৰিব লাগিব। এইবিলাক কাম কৰিবলৈ যাওঁতে যথেষ্ট পৰিশ্ৰমো আছে। আজি আমাৰ কৃষি নিগম কৰা হৈছে আৰু আমাৰ সকলো মানুহৰে অভাৱবিলাক পূৰণ কৰিবৰ কাৰণে আমি চেষ্টা কৰিব লাগে। এতিয়া কৃষি পাম হোৱাত কৃষকৰ আগ্ৰহো দেখা গৈছে। গতিকে এই কামবিলাক যাতে ভাল ভাৱে কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আজি খাদ্যদ্ৰব্য ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে, এইটো এটা ডাঙৰ কথা। আগতে আমাৰ যিবিলাক সমবায় কৰা হৈছিল সেই সকলোবিলাক অকৃতকাৰ্য্য হৈছে। দেখা গৈছে আমাৰ দেশত এজন মানুহে এটকাৰ পৰা লাখ টকা পৰ্য্যন্ত উপাৰ্জন কৰিছে। গতিকে আজি খাদ্যদ্ৰব্য ৰাষ্ট্ৰীয়কৰণ কৰা বাবে চাউ, দাইল, আটা, ময়দা, চুজি, চেনি, কেৰোচিন তেল আদি আমি সুলভ মূল্যতে পাওঁ। এইখিনি কৰিবলৈ হ'লে আমাৰ আৰু চৰকাৰৰ মাজত সম্পূৰ্ণ সহযোগিতা থাকিব লাগিব। আনহাতে ভূমিসংস্কাৰৰ ক্ষেত্ৰত ৰায়তী স্বত্ব দিয়া কাৰণে আজি কিছু দিনৰপৰা শিৱসাগৰ আৰু কামৰূপ জিলাত আৰম্ভ কৰিছে। আমাৰ গগৈ ডাঙৰীয়াই কৈছে যে বহুতো ঠাইত ৰায়ত-সকলক উচ্ছেদ কৰা হৈছে। এইখিনিতে মই ক'ব খুজিছো যে ৰায়ত-সকলৰ ৰায়তী স্বত্ব ল'বৰ কাৰণে তেওঁলোকৰ সম্বল নাই। পিছত সেই স্বত্ব মহাজনে পায়। কাৰণ আমাৰ খেতিয়কসকল ইমানেই গৰীৱ যে তেওঁলোকৰ গৰু কিনা, খাদ্যদ্ৰব্য কিনাৰ টকা নাই।

আন এটা কথা হ'ল অহা নৱেম্বৰ মাহত পঞ্চায়ত নিৰ্বাচন হ'ব বুলি ঘোষণা কৰিছে। শাসনৰ সুবিধাৰ বাবে মহকুমা পঞ্চায়ত যি ভাবে কাম কৰিব পাৰি তাৰ কাৰণে এই নিৰ্বাচনলৈ অপেক্ষা কৰি আছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই সকলো ক্ষমতা এতিয়া এচ, ডি, অ' ডি, চি ৰ হাতত আছে। ইয়াত দেখা যায় যে যিবিলাক কৰ্ম্মচাৰী পঞ্চায়তৰ ফালৰ পৰা নিযুক্তি দিয়া হৈছিল সেইসকল কৰ্ম্মচাৰীৰ এতিয়া নিৰাপত্তা নোহোৱা হৈছে। গতিকে এই বিষয়েই বিভাগীয় কৰ্তৃপক্ষই বিবেচনা কৰিব লাগে। সেইবিলাকত আজি-কালি বয়োবৃদ্ধ লোকো আছে, তেওঁলোকক হঠাতে ৰিট্ৰেন্স দিয়া কথাটো কি ভাবে কৰা যায়, বিভাগীয় কৰ্তৃপক্ষই চাব লাগে। আজি আঞ্চলিক পঞ্চায়তত বহুত শিক্ষিত নিবনুৱাই কৰ্মসংস্থান

পাইছিল । কিন্তু ৪।৫ বছৰ কাম কৰাৰ পাছত যদি ৰিট্ৰেন্স হ'ব-লগীয়া হয় তেতিয়া হ'লে সেইটোৱে আকৌ নিবনুৱা সমস্যা বৃদ্ধিহে কৰিব। তেওঁলোক নিবনুৱা হৈ থকাটো আমাৰ কাৰণেই এটা সমস্যা ।

শ্ৰীচৈয়দ আহমদ আলি ঃ—মই জনামতে যিবিলাক অফিচাৰ, কেৰাণীয়েই হওক বা চেক্ৰেটৰীয়েই হওক যিসকলে কাম কৰি আছে তেওঁলোকক ৰিট্ৰেন্স দিয়া হোৱা নাই । নিৰ্বাচনৰ পাছত এইটো আমি বিবেচনা কৰি চাম। কিন্তু কোনো নটিচ দিয়া হোৱা নাই ।

শ্ৰীগোলোক পাটগিৰি ঃ—যিসকলে ফাৰ্মত সহকাৰী হিচাবে কাম কৰি আছে তেওঁ-লোকক নটিচ দিয়া কথাটো মই জানো। গতিকে ৫৫ বছৰ হোৱা লোকৰ অৱস্থা কি হ'ব পাৰে সেইটো চাব লাগে।

শ্ৰীচৈয়দ আহমদ আলি ঃ—নটিচ দিয়া নাই, পাৰ্টিকুলাৰচ্হে কল কৰা হৈছে।

শ্ৰীগোলেক পাটগিৰি ঃ—অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যাটো দেশৰ কাৰণে এটা ভয়ানক কথা । আজি চাকৰি দি আমি নিবনুৱা সমস্যাটো সমাধান কৰিব নোৱাৰো । এই সমস্যা সমাধান কৰিবৰ কাৰণে আমাৰ চৰকাৰে বৃহৎ উদ্যোগ বা কৃষি আদিৰ বহুত কথা ভাবি চাব লাগে । অন্যান্য আঁচনিৰ কথা চিন্তা কৰিব লাগিব । শিক্ষিত নিবনুৱাই হওক বা অশিক্ষিত নিবনুৱাই হওক তেওঁলোকক আমি বিশ্বাসলৈ আনিব লাগিব । আজি চৰকাৰে যিবিলাক আঁচনি কৰি নিয়োগৰ ব্যৱস্থা কৰিছে তাৰ দ্বাৰা আমাৰ ৰাজ্যৰ যুৱকসকলক বিশ্বাসযোগ্য কৰিব পৰা নাই । সেই কাৰণে আমাৰ অফিচাৰ সকলৰ দ্বাৰাই হওঁক বা অন্য কোনো প্ৰকাৰেই হওঁক এটা ভাল আদৰ্শ দাঙি ধৰি যিভাবে বিশ্বাসৰযোগ্য কৰিব পাৰি আৰু কেনে ভাবে কৰিলে আঁচনি কাৰ্য্যকৰী কৰিব পাৰি তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে ।

কিছুদিনৰ আগতে ৰবিশস্যৰ কথা কৈছিল । তাৰ বাবে কৃষক সকলেও যথেষ্ট চেষ্টাও কৰিছিল আৰু কিছু সাহাৰ্য্যও পাইছিল । তাক কি ভাবে উন্নত কৰিব পৰা যায় তাৰ বাবে কৃষক ৰাইজে কষ্টও কৰিছিল। কিন্তু অধ্যক্ষ মহোদয় এই ৰবিশস্যৰ যিয়েই ভেৰাইটি নকৰক লাগে,

সকলোবিলাক বিধান দিয়াৰ পাছত তাত যিমান শস্য উৎপাদন হ'ব লাগে তেনে হোৱা নাই। মোৰ নিজৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰো যে এই ৰবিশস্যৰ বাবে চৰকাৰে যিমানবিলাক খৰছ আৰু কষ্ট কৰিছিল, তাৰ তুলনাত উৎপাদন বহুত কম। ১ বিঘা মাটিত কমেওঁ ১০০ টকা খৰছ কৰিছে, কিন্তু ইফালে ১ বিঘা মাটিত মাত্র ৪।৫ মোন শস্য হয়। আজি ফার্টিলাইজাৰৰ কাৰণে ১০ কোটি টকা খৰছ কৰিছে। কিন্তু তাৰ ঠাইত খেতি মুঠেই নাই। সেইবিলাক চালিজাৰি চালে খেতিয়কৰ মনত অকনো বিশ্বাস নহয়। অফিচাৰসকলে কাম কৰা নাই বুলি নকওঁ, কিন্তু কিছুমান অফিচাৰে বহুতো ক্ষেত্রত অ'হেলা কৰি থাকে। ফলত চৰকাৰৰ ফালৰ পৰা যিখিনি টকা খৰছ কৰা হয় তাৰ তুলনাত কোনো কাম নহয়। সেই কাৰণে কি ভাৱে কাম কৰিলে ভাল ফল পাব পাৰি, ৰাইজ তথা চৰকাৰ উপকৃত হ'ব পাৰি, আৰু পৰিশ্ৰমৰ ফল যাতে সকলোৱে পাব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। আনহাতে আমাৰ খেতিয়কসকলে যথাসময়ত যিবিলাক সঁচ, কঠিয়া, বীজ, সাৰ আৰু ট্রেক্টৰ পাব লাগে, সেইবিলাক যথাসময়ত নোপোৱাৰ কাৰণে কোনো আঁচনিয়েই কাৰ্য্যকৰী হোৱা নাই। বানপানীৰ কথা নকৰেই। লিপ্ত ইৰিগেচন আদি হৈছে। কিন্তু হ'লেও কি হ'ব? সাৰ যদি ঠিক সময়ত দিব নোৱাৰে বিধান যদি ঠিক সময়ত নহয়, তেনেহ'লে কেনেকৈ আঁচনি ফলৱতী হব? এই বিলাক কথা আমাৰ চৰকাৰেও জানিব লাগে।

মই আন এটা মোৰ সমষ্টিৰ কথা ক'ব বিচাৰিছো। আজিকালি যতে-ততে ইলেক্ট্রিফিকেছন হৈছে। তাৰ বাবে আমি ভাল পাইছো। এই বিজুলী শক্তি যদি মহকুমা বিলাকৰ লগত সম্পৰ্ক ৰাখি যোগান্ ধৰা হয় তেতিয়া হ'লে বেছি ভাল হয়। তাৰোপৰি পাৰিলে ডিভিজন বিলাকৰ পৰা চিভিল চাব ডিভিজন কৰিব পাৰিলেও ভাল হ'ব। তাৰ পাছত ইৰিগেচনৰ কাৰণে যিবিলাক ডিভিজন হৈছে সেইবিলাকৰ নলবাৰীত হেডকোৱাৰ্টাৰ কৰিব লাগে। এইবিলাক কাম পৰিচালনা কৰোতে যিবিলাক অসুবিধা হয় সেই বিলাকলৈ চৰকাৰৰ চকু থাকিব লাগে। তাৰ পাছত কোন কোন ডিভিজনত কিমান কাম হৈছে সেই বিলাক প্রত্যেকৰে হিচাব ৰখা দৰ্কাৰ।

আনহাতে আমাৰ ইৰিগেচনৰ যিবিলাক ডিভিজন কৰা হৈছে সেই-বিলাক প'ষ্ট ব্ৰাইজ হোৱা নাই। যিবিলাক ঠাইৰ হেড্ কোৱাৰ্টাৰ য'ত থাকিব লাগে তাত থকা নাই। যেনে কোকৰাঝাৰৰ হেড্ কোৱাৰ্টাৰ গুৱাহাটীত আছে। গুৱাহাটীৰপৰা গৈ কোকৰাঝাৰত কাম কৰা অসুবিধা আছে। গতিকে চৰকাৰে কামৰ সুবিধাৰ কাৰণে এই হেড্ কোৱাৰ্টাৰ বিলাক চিভিল চাবডিভিজনৰ লগত লগ লগাই দিয়ে। কিছু দিনৰ আগতে বঙাইগাওঁ, বিজনী আৰু অভয়াপুৰীলৈ এটা মহকুমা কৰাৰ কথা হৈছিল। কাৰণটো হ'ল অভয়াপুৰীৰ মানুহে গোৱালপাৰালৈ ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ যাব লাগে কাৰণ গোৱালপাৰা হ'ল মহকুমাৰ সদৰ ঠাই। এই মানুহবিলাক তালৈ গৈ ঘূৰি অহাত নানান অসুবিধাৰ সন্মুখীন হ'ব লাগে। কাৰণ তাত থকা ঠাইৰ অসুবিধা। সেই দৰেই বিজনীৰ মানুহবিলাক এছোৱা পথ বাছত আৰু এছোৱা পথ ৰেলত মহকুমাৰ সদৰ ঠাইলৈ যাব লাগে। ট্ৰেন্সপ'ৰ্টৰ যিবিলাক ব্যৱস্থা সেইটো অতি বেয়া। কাৰণ কোকৰাঝাৰৰ পৰা গুৱাহাটীলৈ আজি এমাহ ধৰি বাছ চলা নাই। ইয়াৰ কাৰণে কোকৰাঝাৰৰ মানুহৰ অহা-যোৱাৰ বৰ অসুবিধা হৈছে। সেইদৰে বঙাই-গাওঁৰ মানুহবিলাকেও অসুবিধা ভোগ কৰিবলগীয়া হৈছে।

আজি কিছুদিন ধৰি কোকৰাঝাৰত এখন নতুন ৰাজ্য গঠনৰ আন্দোলন চলিছে। যেনেকৈ মেঘালয়, নাগালেণ্ড, মিজোৰাম আদি বেলেগ ৰাজ্য হৈছে তেনেকৈয়ে এটা দলে নতুন ৰাজ্য গঠনৰ চেষ্টা কৰিছে। সেই আন্দোলনত যিবিলাক মানুহে যোগদান নকৰে বা যোগদান কৰিবলৈ ইচ্ছা নকৰে সেই বিলাক মানুহৰ ওপৰত জোৰ জুলুম আদি চলিছে। সেই ঠাইত কিছুমান ৰাজবংশী, নেপালি, চাওতাল সম্প্ৰদায়ৰ মানুহ আছে। কেইদিনমানৰ আগতে মাত্ৰ এই আন্দোলনত জৰিত থকা নেতা এম, পি আদি দিল্লীলৈ গৈছিল আৰু তাত প্ৰধান মন্ত্ৰীয়ে স্পষ্ট জবাব দিছে। ঠিক সেইদৰে আমাৰ মুখ্যমন্ত্ৰীয়েও চৰকাৰৰ হৈ এটা খাটাং সিদ্ধান্ত দিব লাগে যে সেই বিলাক একো ফলৱতী নহব। সেই বিলাক অঞ্চলত প্ৰায়বিলাক মানুহেই এক সম্প্ৰদায়ৰ লোক। গতিকে তাৰ মাজত যি দুই চাৰি ঘৰ অন্য মানুহ আছে তেওঁলোকৰ শান্তি নিৰাপত্তা নোহোৱাৰ নিচিনা হৈছে।

গতিকে চৰকাৰে এটা ব্যৱস্থা হাতত লব লাগে আৰু ৰাইজক কব লাগে যে এই আন্দোলন পৰিহাৰ কৰি তাৰ দ্বাৰা শান্তি শৃংখলা অটুত ৰাখিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীঘনকান্ত বড়ো :—মাননীয় অধ্যক্ষ মহোদয়, মই আৰম্ভনীতে যোৱা কালি হৈ যোৱা ঘটনা সম্পৰ্কত দুখ প্ৰকাশ কৰিছো। আজি দেশত চৰকাৰে অহিংসা নীতি চলাইছে। এই অহিংস চৰকাৰৰ দিনত গনতান্ত্ৰিক ভাৱে যিসকল শিক্ষকে সত্যাগ্ৰহ চলাই গৈছিল সেই সকল শিক্ষকৰ ওপৰত নিৰ্মম ভাৱে মাৰ পিট চলাই যোৱাটো অতি পৰিতাপৰ কথা। যদি এইটোৱেই হৈ থাকে তেনেহ'লে কব লাগিব যে সহিংস চৰকাৰৰ কাৰণে যিমান সাবধানে চলিব লগীয়া হোৱা নাছিল অহিংস চৰকাৰৰ কাৰণে তাতকৈ বেচি সাবধানে থাকিব লগীয়া হৈছে।

যোৱা ৪ তাৰিখে বিত্তমন্ত্ৰীয়ে বাজেট উত্থাপন কৰিলে। এই বাজেটখনৰ সম্পৰ্কত কবলৈ গ'লে এইখন এখন গতানুগতিক বাজেট। প্ৰত্যেক বছৰে যেনেকৈ বাজেটত টকা পইচা ধৰা হয় সেইদৰেই এইবাৰো ধৰা হৈছে। একো নতুন বস্তু নাই। বাজেটত যিমাত টকা ধৰা হৈছে, সিমান টকাৰ কাম কেতিয়াও নহয়। তাৰ বুজন সংখ্যক টকা দুৰ্নীতিত অপচয় হবই।

নিবনুৱা সমস্যা সমাধানৰ কাৰণে বাজেটত যিমানখিনি টকা ধৰা হৈছে আৰু এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ যাওঁতে যিমানখিনি টকাৰ প্ৰয়োজন হ'ব সিমানখিনি টকা ধৰা হোৱা নাই। এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ হ'লে আমাৰ চৰকাৰে উদ্যোগ আদি স্থাপন কৰাত অগ্ৰাধিকাৰ দিব লাগিব। কিন্তু আমাৰ দেশত তেনেধৰণে আনকি যি বিলাক কেঁচা মাল আছে সেই বিলাকৰ পৰা অন্য বস্তু তৈয়াৰ কৰিব লৈ.ক তেনে কোনো উদ্যোগ স্থাপন কৰা হোৱা নাই। আমাৰ দেশত যথেষ্ঠ পৰিমাণে মৰাপাট উৎপাদন হয়। এই মৰাপাটৰ কাৰণে আমাৰ প্ৰদেশত মাত্ৰ এটাহে মৰাপাটৰ কল আছে। আমাৰ দেশত আৰু যদি মৰাপাটৰ কল স্থাপন কৰিব পৰা যায় যেনেহ'লে তাৰ দ্বাৰাইও এক বুজন

সংখ্যক নিবনুৱাক কাম দিব পৰা হ'ব। গতিকে আমাৰ চৰকাৰে মৰাপাটৰ কল স্থাপন কৰাত অধিক গুৰুত্ব দিব লাগিব।

কৃষিৰ ক্ষেত্ৰত কবলৈ গলে এতিয়াও একেবাৰেই পিচ পৰি আছে। আগৰ দিনত যি অৱস্থাত আছিল এতিয়াও সেই অৱস্থাতে আছে। আমাৰ দেশৰ মাটি বিলাক আগতে সাকুৱা আছিল। কিন্তু যুগৰ পিচত যুগ ধৰি এই একে বিলাক মাটিতে খেতি কৰি অহাৰ ফলত এই মাটিবিলাক অসাকুৱা হৈ গৈছে। গতিকে এই মাটিবিলাকত সাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ খেতিয়কে এতিয়াও আগৰ দৰে বতৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লগীয়া অৱস্থা হৈছে। চৰকাৰৰ ফালৰ পৰা জলসিঞ্চন ব্যৱস্থা কৰিব পৰা নাই। চৰকাৰে যদি জলসিঞ্চনৰ ব্যৱস্থা কৰিব নোৱাৰে আমাৰ খেতিয়কৰ শস্য সদায় যদি খৰাং বতৰে নষ্ট কৰি থাকে তেনেহ'লে আমাৰ দেশ অৰ্থনৈতিক ক্ষেত্ৰত কেতিয়াও আগবাঢ়ি যাব নোৱাৰিব। আমাৰ দেশৰ উদ্যোগীকৰণৰ গতি তেনেই শামুকীয়া হৈছে। যিটো তিব্ৰ গতিত আগবাঢ়ি যাব লাগিছিল সেই গতিত আগবাঢ়ি যোৱা নাই। আমাৰ দেশৰ খেতিয়কৰ খেতিৰ অৱস্থা যদি উন্নত কৰিব পৰা যায়, আমাৰ খেতিয়কে যদি আৰু অধিক আধুনিক পদ্ধতিৰে খেতি কৰিব পাৰে আৰু সেই খেতিয়েই যদি আমাৰ দেশৰ মানুহক খাবলৈ জোৰে তেনহ'লে আমাৰ প্ৰদেশ অৰ্থনৈতিক ক্ষেত্ৰ আৰু আগবাঢ়ি যাব পাৰিব। আৰু আমি খাদ্য মুঠিৰ কাৰণে কেতিয়াও আনৰ হাতলৈ চাই থাকিব নালাগিব। গতিকে আমাৰ খেতিয়কক আধুনিক পদ্ধতিত খেতি কৰা সকলো বিলাক সুবিধা কৰি দিব লাগিব।

আমাৰ দেশত বহুত বিলাক খেলি মেলি সমস্যা আছে। সেই বিলাকৰ ভিতৰত চিকিৎসা সমস্যাটোও এটা প্ৰধান সমস্যা। আজি কিছু বছৰৰ আগতে আমাৰ দেশত মেলেৰিয়া হৈছিল। এই মেলেৰিয়াত বহুত বিলাক মানুহ মৰিছিল।

আমাৰ সেই অঞ্চলত মেলেৰীয়া আৰু বসন্তৰ প্ৰকোপ বিষম ভাবে বাঢ়িছে, আগতে সেই অঞ্চলত এটা মেলেৰীয়া স্পে-চেণ্টাৰ আছিল কিন্তু

এতিয়া সেইটো চামীল কৰি দিয়াৰ কাৰণে তাত ৰাইজৰ অত্যন্ত অসুবিধা হৈছে গতিকে মই অনুৰোধ কৰিছো যাতে আমাৰ চাব-ডিভিজনত এটা মেলেৰীয়া স্পে চেন্টাৰ প্ৰতিষ্ঠা কৰি সেই অঞ্চলৰ মেলেৰীয়া বেমাৰক নিয়ন্ত্ৰন কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। আমাৰ চিকিৎসা বিভাগৰ মন্ত্ৰীক কেবাবাৰো অনুৰোধ কৰা স্বত্বেও তেখেতে ভবানীপুৰ ডাক্তৰখানাত আজি ডেৰ বছৰেও এজন ডাক্তৰ দিব পৰা নাই। তেখেতৰ চাল বৰ ডাঠ। মই পুনৰবাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো তেখেতে যেন অতি সোনকালে সেই অঞ্চলত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰে। আকৌ আমাৰ যিবিলাক ডিচপেনচাৰী বা ডাক্তৰ খানা ইতিমধ্যে ৰাজ্যিক ডিচপেন-চাৰীলৈ ৰূপান্তৰীত হৈছে সেইবিলাকো নামতহে হৈছে তাত কোনো ধৰণৰ সুবিধা দিয়া হোৱা নাই। তাত থকা ডাক্তৰ বিলাকৰ কাৰণে কোনো কোৱাৰ্টাৰ দিয়া হোৱা নাই। ৰাজ্যিক চিকিৎসালয় হিচাবে এই ডাক্তৰখানা বিলাকৰ যিমানখিনি উচ্চমান বিশিষ্ট হ'ব লাগিছিল সেইটো হোৱা নাই। মই অনুৰোধ কৰো এই বিষয়ে যেন চৰকাৰে চকু দিয়ে।

তাৰ পিচত মই কও আমাৰ ট্ৰেন্সপোৰ্ট মিনিষ্টাৰ আৰু জেনেৰেল মেনেজাৰ যেতিয়া আমাৰ তালৈ গৈছিল তেতিয়া আমি কৈছিলো যে আজি ইমান দিনে যিখন বাছ বা গাড়ী আমাৰ তালৈ যাতায়ত কৰিছিল সেইখন হঠাতে কিয় বন্ধ কৰিব লগা হ'ল যাৰ কাৰণে আমাৰ ৰাইজে অশেষ কষ্ট ভুগিব লগাত পৰিছে সেইখন পুনৰ চলাবলৈ মই কেবাবাৰো অনুৰোধ কৰিছিলো। কিন্তু আজিলৈকে সেই কামটো হৈ নুঠিল, গতিকে মই আকৌ অনুৰোধ কৰো যে এই গাড়ীখন পুনৰ চলাবলৈ নিৰ্দেশ দিয়ে আৰু এই বিষয়ে বিশেষ নজৰ দিয়ে।

আমাৰ দেশত কেতিয়াবাৰ পৰাই চৰকাৰে 'গৰিবী হতাও শ্লগান দিছে' কিন্তু কি হব আজি দিনক দিনে নিত্য ব্যৱহাৰ্য্য বয়-বস্তুৰ দাম বৃদ্ধিহে পাইছে। চৰকাৰী চাকৰিয়ালসকলৰ দৰমহা বৃদ্ধি হোৱাৰ লগে লগে ব্যৱসায়ী সকলে বস্তুৰ দাম দুগুন বঢ়াই দিছে কিন্তু আজি যিসকল নিবনুৱা বা গাৱলীয়া বেকাৰ মানুহ আছে তেওঁলোকে কেনেকৈ টিকিব পাৰিব? জনসাধাৰণক আজি ধাৰাপাত শিকাব খুজিছে, আমাৰ দেশত চেনিৰ শতকৰা

৬০ ভাগ দিয়া হয় নিয়ন্ত্রিত দৰত আৰু বাকী ৪০ ভাগ দিয়া হয় খোলা দৰত। এতিয়া ৬০ৰ পৰা ৪০ বাদ গলে ২০ থাকে কিন্তু এতিয়া নতুনকৈ লিখিব লগীয়া হৈছে ৪০ৰ পৰা ৬০ গলে কিমান থাকিব ? মই আৰু বেছিকৈ বহলাই কব খোজা নাইকীয়া। শেষত মই এই সকলোবোৰ কথালৈ যাতে চৰকাৰে বিশেষ ভাৱে মনোযোগ দিয়ে তাকে কামনা কৰি মই আমাৰ বৰ্তমান উত্থাপিত বাজেটৰ প্ৰতি অসন্তোষ প্ৰকাশ কৰিছোঁ।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ—উপাধ্যক্ষ মহোদয়, নতুন কৰ-কাটল নথকা এখন বাজেট দাঙি ধৰাৰ কাৰণে মই বৰ্তমান আমাৰ বিত্তমন্ত্ৰী অৰ্থাৎ মুখ্যমন্ত্ৰী মহোদয়ৰ শলাগ লৈছো। কিন্তু এইটো কথা ঠিক যে কৰ কাটল নথকা এখন বাজেট হ'লেই ভাল বাজেট নহয়। সেইদৰে কৰ-কাটল থাকিলেও এখন বাজেট বেয়া হ'ব নোৱাৰে। সেই কাৰণে মই কওঁ এই বাজেট সম্পৰ্কত মোৰ মাথোন মিশ্ৰিত প্ৰতিক্ৰিয়াহে হৈছে। এতিয়া কথা হৈছে যে, আমাৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াই বছৰি বছৰি বাঢ়ি যোৱা ধাৰৰ বোজা কেনেকৈ বহন কৰিব আৰু কেনেধৰণে এই ঋণ পূৰণ কৰিব তাৰে বহল ব্যাখ্যা দিছে। বিত্তদপ্তৰৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰক অনুদান দিয়াৰ কাৰণে তাৰ বাবে শলাগ লৈছে। আমি আশা কৰিছো ষষ্ঠ বিত্তীয় আয়োগে এই পৰিস্থিতিৰ কিছু পৰিমাণে উপশম কৰিব। ধৰিলোৱা যাওঁক, ষষ্ঠ দ্বিতীয় আয়োগে আমাক ধাৰৰ-পৰা সম্পূৰ্ণ ৰেহাই অৰ্থাৎ আমাৰ ৰাজ্যিক চৰকাৰৰ ধাৰখিনি write-off কৰিলে। আমাৰ ৰাহি সূতৰ টকাৰ বাহিৰে জানো অন্য কিবা হ'ব। সেইয়া কিমান টকা? মাথো ১৪ কোটি টকা। আমাৰ যি ১৪ কোটি টকা ৰাহি হ'ব, সেই টকাৰে আমাৰ ৰাজ্য চৰকাৰে শিক্ষা, চিকিৎসা ইত্যাদিৰ ব্যৱস্থা কৰিব পাৰিব জানো ? সেইটোৱেই আমাৰ ডাঙৰ প্ৰশ্ন। ৰাজ্য চৰকাৰৰ আয় কেৱল বিক্ৰী কৰ, খাজনা আমোদ কৰ, যান বাহন কৰ, আদি এইবিলাকৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু এই কৰবিলাক কেতিয়াও পৰিবৰ্ত্তনশীল নহয়। ই সীমিত। আনহাতেদি কেন্দ্ৰীয় চৰকাৰৰ যিবোৰ কৰ, সেইবিলাক পৰিবৰ্ত্তনশীল। ইয়াৰ ফলত আমাৰ ৰাজ্যৰ ওপৰত যি বোজা জাপি দিয়া হৈছে, সেইবিলাক পূৰণ কৰিব লাগিব আমাৰ সিমীত আয়ৰ দ্বাৰাই।

অতএব ৰাজ্যখনৰ ওপৰত যি বোজা দিয়া হৈছে, সেই বোজা পুৰণ কৰিব লাগিব এই অপৰিবৰ্ত্তনশীল আয়ৰ থলিৰে। কিন্তু ধাৰখিনি যদি ৰাইট অফও কৰা হয়, তেতিয়াও পৰিস্থিতিৰ উন্নতি নহয়। পৰিস্থিতিৰ উন্নতি হ'ব যদি নতুন আয়ৰ থলি ওলায়। এই আয়ৰথল বঢ়াব লাগিব কেন্দ্ৰীয় চৰকাৰে নিজে। অৱশ্যে সাংবিধানিক কিছু আহুকাল আছে। সংবিধান সংশোধন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ কথা উল্লেখ কৰিছে। এইখিনি কথা কওঁতে মোৰ এটা কথা মনত পৰিছে। আমাৰ বিধান সভাৰ সদস্যসকলৰ ভিতৰতো ৫ টা শ্ৰেণীৰ লোক আছে। কিছুমান প্ৰথম শ্ৰেণীৰ, দ্বিতীয় শ্ৰেণীৰ, তৃতীয় শ্ৰেণীৰ ইত্যাদি। যেনে মই। মই হৈছো তৃতীয় শ্ৰেণীৰ এম, এল, এ। আমি ১০ বাৰ গলেও মিনিষ্টাৰৰ ওচৰত কাম নহয় কিন্তু প্ৰথম শ্ৰেণীৰ এম, এল, এ এজনে ফোন ধৰিলেই কাম হয়। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সম্বন্ধও তেনেকুৱা। লোক সভাত আমাৰ সদস্য ১৪ জন। কিন্তু অন্য ৰাজ্য, যেনে উত্তৰ প্ৰদেশৰ সদস্য সংখ্যা ৮৪ জন। গতিকে তেওঁলোকে হেচামাৰি ধৰি অনুদান আদায় কৰে। কাৰণ অনুদানৰ ক্ষেত্ৰত কোনো ধৰাবন্ধা নিয়ম নাই। উত্তৰ প্ৰদেশত সদস্য সংখ্যা বেছি আৰু তেওঁলোকে হেঁচি ধৰে কাৰণে প্ৰতি ৪ বছৰে গঙ্গাৰ ওপৰত এখন দলং হয়। ঠিক তেনেধৰণৰ মহাৰাষ্ট্ৰ। কিন্তু অসমত ব্ৰহ্মপুত্ৰত এখন দলং হ'বলৈ আন্দোলন কৰিবলগীয়া হৈছিল। ঠিক তেনেকৈ আমাৰ ইয়াত দশমিক ৭৫ নিযুতৰ এটা শোধানাগাৰ কৰিবলৈ আন্দোলন কৰিবলগীয়া হৈছিল। কিন্তু বিহাৰত বাৰাউনীত ১'৫০ নিযুতৰ শোধানাগাৰ কৰিবলৈ আন্দোলন কৰিবলগীয়া হোৱা নাছিল। দিল্লীৰ পৰা ফৰক্কা হৈ বঙাইগাৱঁলৈ যিখন ডাইৰেক্ট ট্ৰেইন অহাৰ কথা আছিল, সেইখন বাৰাউনী হৈ নহা কাৰণে বিহাৰৰ এম পি সকলে বাধা কৰিলে। কাৰণ উত্তৰ বিহাৰৰ উন্নয়নত বাধা হ'ব আৰু সেই কাৰণে যোৱা বছৰ ৰেলখন চলোৱা নহ'ল। এতিয়া শুনিছো যে আগৰমতেই ট্ৰেইনখন চলিব। এইদৰে কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ চকুৰে চাই আছে।

তাৰ পিচত আহিল ডিভিজিবুল ফৰমূলা। এইটোৰ সূত্ৰ আমাৰ বাবে বিশেষকৈ মোৰ বোধগম্য নহয়। অসমত প্ৰায় ১০০০ খন চাহ বাগিছা

আছে। কিন্তু তাৰ বেছি ভাগৰে হেডকোৱাৰ্টাৰ হ'ল কলিকতাত । ফলত আয়কৰ শোধ কৰা হয় কলিকতাত । তাৰ এটা শকট অংশ পশ্চিমবঙ্গ চৰকাৰে পায় । মাননীয় সদস্যসকলে খাকুৱাতেলৰ ৰয়েলটি বঢ়োৱা সম্পৰ্কে একান্ত প্ৰয়োজনৰ কথা কৈ গৈছে । উপাধ্যক্ষ মহোদয়, কোৱেইট, সুৱেজ-খালৰ পূৱফালে থকা দেশ সমূহৰ ভিতৰত জাপানক বাদ দি একমাত্ৰ খাকুৱাতেল বেছি উৎপন্ন হয় কাৰণে এই দেশখন ধনী । গতিকে আমাৰ দেশত তেলৰ ৰয়েলটি ১৫ টকাতকৈ বেছি হোৱা উচিত । খাকুৱা তেলৰ দাম অন্যান্য বস্তুৰ দৰে নিৰ্ণয় নহয়। অ,এন,জি,চি, আৰু অয়েল ইণ্ডিয়াই খাৰুৱা তেল উলিয়াই। এতিয়া অয়েল ইণ্ডিয়াৰে কথা কও, শুনক । কিন্তু আমাৰ অইল ইণ্ডিয়াৰ যি কৰ্মকৰ্তা তেওঁলোক একোজন জমিদাৰ । মেনেজিং ডাইৰেক্টৰজনৰ মাহিলী দৰ্মহা ৫ হাজাৰ আৰু তেওঁৰ ঘৰভাৰা ২৬০০ টকা । দিল্লীৰ কাৰ্য্যায়টোত ৩০-৪০ জন কাম কৰা মানুহ আছে। এই বিষয়া আৰু কৰ্মচাৰীৰ বাবে বছৰত প্ৰায় এক কোটিমান টকা খৰচ হয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী এই অয়ল ইণ্ডিয়াৰ চেয়াৰমেন আছিল । সেইবাবে মোতকৈ দিল্লী কাৰ্য্যালয়ৰ খৰচৰ কথা তেখেতে ভালকৈ জানে। যদি এনেধৰণে ৰাজকীয়ভাৱে খৰচ কৰিব পাৰে, তেন্তে খাকুৱা তেলৰ ৰয়েলিটি নিশ্চয় বঢ়াই দিয়াৰ বিত্তীয় ক্ষমতা অয়ল ইণ্ডিয়াৰ আছে। তেনে ধৰণে অ'-এন-জি-চিও ৰয়েলিটি বঢ়াই দিয়াৰ বিত্তীয় ক্ষমতা আছে। যদি প্ৰয়োজন হয় ৰয়েলিটি বঢ়োৱা সম্পৰ্কে সদনত এটা প্ৰস্তাৱ ল'ব লাগে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পৰিবহনৰ ক্ষেত্ৰত উন্নতি হোৱাৰ কথা কৈছে কিন্তু মই কওঁ, তাৰ ওলোটাহে হৈছে। তিনচুকীয়াৰপৰা গুৱাহাটীলৈ দূৰত্ব ৫১৩ কিলোমিটাৰ, ১৯৪৯ চনত ৰেলেৰে গ'লে ১১ ঘণ্টা ৪৫ মিনিট লাগিছিল । কিন্তু আজি ২৫ বছৰ পাচতো ৩ ঘণ্টা বেছিহে লগা হ'ল অৰ্থাৎ ১৪-৩০ ঘণ্টা লাগে সেই দূৰত্ব ৰেল যোগে অতিক্ৰম কৰিবলৈ। অসমৰ ক্ষেত্ৰত লাহে লাহে বুলি যি দুৰ্নাম, সেই দুৰ্নাম একেই আছে। কিন্তু মাদ্ৰাজৰ পৰা ট্ৰিবান্দ্ৰমৰ মাজত দূৰত্ব হৈছে ৮২৪ কিলোমিটাৰ কিন্তু সময় লাগে মাত্ৰ ২০-৩০ ঘণ্টা । ঠিক তেনেকৈ গুৱাহাটী আৰু বাৰাউনীৰ মাজৰ দূৰত্ব ৮২৭ কিলোমিটাৰ । মাত্ৰ ৩ কিলোমিটাৰ বেছি । কিন্তু সময়

লাগে ২৬।২৭ ঘণ্টা । এই অৱস্থা অসমৰ কাৰণে কিয় ?

On 27th May, I was at Calcutta. I found all the flights to Gauhati have been cancelled because of water on the runway. But on the same day, all the flights from Calcutta to Dacca and to Bagdogra were seen. In case of Assam, To operate the things were different and the flights were cancelled. I do not know the logic why the flights were cancelled. Sir, I am sorry I was speaking in Assamese but suddenly I changed over to English. I am sorry for that.

৫।৬ খন ৰাজ্যৰ মাজত একোটা আঞ্চলিক পাছ পোর্ট দিয়া কার্য্যালয় স্থাপন কৰাতো কেন্দ্ৰীয় চৰকাৰৰ নীতি । অসমৰ চাৰিওফালে ৬ খন ৰাজ্য আছে । ইয়াত এটা পাচপোর্ট অফিছ নাই । দৰ্কাৰ হ'লেই আমি কলিকতালৈ যাব লাগে । কিন্তু পঞ্জাব, হাৰিয়ানা ভাঙ্গি যেতিয়া বেলেগ ৰাজ্য হ'ল, চণ্ডীগড়ত আকৌ ৰিজিঅনেল পাচপোর্ট অফিছ হ'ল । গতিকে মই আশাকৰো গুৱাহাটীত এটা পাচপোর্ট অফিছ খোলা কাৰণে আমাৰ ৰাজ্য চৰকাৰে বিহীত ব্যৱস্থা হাতত লব ।

উপাধ্যক্ষ মহোদয়, আমাৰ কোনোবা এজন বিদেশলৈ যাবলগীয়া হ'লে তেওঁ পাচপোর্টৰ কাৰণে হাবাথুৰী খাবলগীয়া হয় । ইফালৰপৰা সিফালে ঘূৰিবলগীয়া হয়, পাচপোর্টৰ কাৰণে । গতিকে মই গুৱাহাটীত এটা পাচপোর্ট অফিচ বহুৱাবলৈ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো ।

ইয়াৰ পিচত আমাৰ নিবনুৱা সমস্যা আলোচনা কৰো আহক । অৱশ্যে তেইশ হাজাৰ নিবনুৱাৰ সমস্যা এদিনতে শেষ নহয় । আমাৰ যিটো ডিফেন্স, অৰ্থাৎ প্ৰতিৰক্ষা বিভাগ আছে, সেই প্ৰতিৰক্ষা বিভাগত আমাৰ থলুৱা লোক খুব কমহে নিয়োগ কৰা দেখা যায় । অসমত মুঠতে প্ৰতিৰক্ষা বিভাগত অনা মিলিটাৰী বাইশ হাজাৰ লোক নিয়োগ কৰা আছে । যেনে—মিছামাৰী, তেজপুৰ, সাতগাওঁ, মৰৈয়া আদি ঠাইত প্ৰতিৰক্ষা

বিভাগৰ কাৰণে মানুহ নিয়োগ কৰা হয়, কিন্তু তাত দুই হাজাৰো কম আমাৰ থলুৱা মানুহ মাথোন আছে। এই মানুহ বিলাক নিয়োগ কৰা হয়, লক্ষ্ণৌ, পুনা, কানপুৰ, হায়দৰাবাদ আদি ঠাইত। আৰু তাৰপৰা বদলি কৰি অনা হয় আমাৰ অসমলৈ। ইয়াৰ প্ৰতিকাৰ কৰিবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, অসমৰপৰা আৰু অসমলৈ বুজনসংখ্যক মানুহ বিমানেৰে চলাচল কৰে, আৰু যাত্ৰীৰ কাৰণে পূৰ্ব্বাঞ্চলতে আটাইতকৈ বেচি ভাৰা পোৱা ইণ্ডিয়ান এয়াৰলাইঞ্চৰ ক্ষেত্ৰত নিয়োগৰ ক্ষেত্ৰত লক্ষ্য কৰি চালে দেখিব যে ইণ্ডিয়ান এয়াৰ লাইঞ্চত আমাৰ থলুৱা মানুহ মাত্ৰ কেইজনমানহে আছে। যেনে কোকৰাঝাৰৰ ব্ৰহ্ম নামৰ এজন, চিপাঝাৰৰ চহৰীয়া বুলি এজন, উত্তৰ গুৱাহাটীৰ বৰদলৈ নামৰ এজন, ডিব্ৰুগড়ৰ ভূঞা নামৰ এজন, যোৰহাটৰ ভট্টাচাৰ্য্য নামৰ এজন এই ধৰণৰ কেইজনমান আঙুলি মূৰত গণিব পৰা লোকহে ইণ্ডিয়ান এয়াৰ লাইঞ্চত আছে। ইয়াৰ মূল কাৰণ হ'ল—আমাৰ অসমলৈ ইণ্ডিয়ান এয়াৰ লাইঞ্চৰ খালী পদৰ জাননী আহিয়েই নাপায়। এই লোকসকলক নিয়োগ কৰা হয় কলিকতা বা আন কোনো অসমৰ বাহিৰৰ ঠাইত। আন ঠাইত নিয়োগ কৰা এই লোকসকলক অসমলৈ মাত্ৰ বদলি কৰিহে অনা হয়। এই কেইজন যে কেনেকৈ সোমাল তাকো ক'ব নোৱাৰে। বোধহয় আগতে প্ৰাইভেট কোম্পানী হৈ থাকোতেই কেনেবাকৈ সোমাল।

তাৰ পিছত উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ আৰু এটা কথা কব খুজিছো। সেইটো হ'ল এক্সপোৰ্ট ইনচেন্‌টিভ হিচাবে মালবাহী জাতীয় সামগ্ৰীৰ ক্ষেত্ৰত শতকৰা ৪০ ভাগ বিদেশলৈ ৰপ্তানী কৰা বস্তুৰ ওপৰত দিয়া হয় আৰু এৰীৰ ক্ষেত্ৰত হ'লে শতকৰা ১০ ভাগহে পোৱা হয়। এই যে শতকৰা ৩০ ভাগৰ পাৰ্থক্য, এইটো কি কাৰণত হ'ল কব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰে ভাবে আমাৰ অসম সৰু ৰাজ্য, বেছি হাহাকাৰ চিঞৰ বাখৰ কৰিব নোৱাৰে, সেই ভাবিয়েই এইটো কৰিছে নেকি ? এই অবস্থাৰ কাৰণ উদঘাটন কৰি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আন এটা কথা হ'ল ষ্টেট ট্ৰেডিং। জোটা, মুগা, পাত আদি

আমেৰিকা ৰাচিয়া আদি ঠাইলৈ পঠিওৱা হয়। তাৰ ব্যৱস্থাও আছে। কিন্তু আমাৰ অসমত তৈয়াৰ হোৱা বস্তু বিলাক যেনে—এৰী-মুগা কাপোৰ আদি, অসমৰ কুটিৰ শিল্পৰ ভিতৰত পৰে যদিও সেই বস্তু বিলাক আমাৰ ইয়াত সংগ্ৰহ নকৰি, ভাৰতৰ আন আন ঠাইত সংগ্ৰহ কৰি পঠিওৱা হয়। ইয়াৰ পৰা আমাৰ অসমৰ যথেষ্ট ক্ষতি হয়। কলিকতা আৰু দিল্লীত অসমৰ বস্তু সংগ্ৰহ কৰি পঠিয়ালে, আমাৰ অসমৰ কোনো লাভ হব নোৱাৰে। মই এই ক্ষেত্ৰত বিত্ত মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যাতে ষ্টেট ট্ৰেডিংৰ শাখা এটা খোলাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে, তাৰ বাবে অনুৰোধ কৰিলো।

আমাৰ ইয়াত মিলিটাৰী আৰু এম,ই,এচ আদিত লাখ লাখ কোটি কোটি টকাৰ ঠিকাৰ কাম হৈ আছে। কিন্তু এই ক্ষেত্ৰত আমাৰ থলুৱা মানুহে খুব কম ঠিকাইহে পায়। এনে ব্যৱস্থা কৰিব লাগে, যাতে মিলিটাৰী আৰু এম,ই,এচৰ ঠিকাও আমাৰ থলুৱা মানুহে যাতে পাব পাৰে, তাৰ ব্যৱস্থা কৰিবলৈ মই বিত্ত মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এম,ই,এচৰ ঠিকা পাবলৈ আমাৰ থলুৱা মানুহৰ অৰ্হতা নাই বুলি ক'লে নহ'ব। কাৰণ থলুৱা মানুহে চৈখোৱাত এটকা চল্লিশ পইচা গাখীৰৰ লিটাৰত কিনি এক টকা লিটাৰত ৪৫ মাইল দূৰত থকা চাবুৱাত বিক্ৰি কৰিব নেজানে। ইয়াত কি ধৰণে লাভবান হ'ব পাৰে, আমি বুজি নাপাওঁ। গতিকে কেবল ৰাজ্যিক চৰকাৰৰ ঠিকাতে ব্যস্ত নাথাকি, আমাৰ থলুৱা মানুহে যাতে এম,ই,এচ মিলিটাৰী আদিতো ঠিকা আদি পাব পাৰে, তাৰ ব্যৱস্থা কৰিব লাগে। মই ভাবো মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

ইয়াৰোপৰি আমাৰ যাত্ৰী আৰু মালৰ ওপৰত কৰ আছে সেই কৰ মই জনাত পৰিবহণ নিগম আৰু আন আন বিলাকৰ ভিতৰত গুৱাহাটীৰ চিটি বাচ এছোচিয়েশ্বন দিয়াৰ বাহিৰে আন কোনেও সেই কৰ সম্পূৰ্ণ কৈ নিদিয়ে। আন আন বাচ এছোচিয়েশ্বনবিলাকে মাহেকত ক'ৰবাত পাঁচ-দহ টকাহে মাথোন দিয়ে। তাকো কোনোবাই দিয়ে. কোনোবাই নিদিয়ে। আকৌ টকা জমা দিয়া পদ্ধতিও আহুকলীয়া ধৰণৰ। ট্ৰেজাৰিত টকা জমা

দিব লগীয়া হোৱাটোও ইয়াৰ অন্যতম এটা কাৰণ। ভূটানৰ পৰা কিছুমান বাচ চলাচল কৰে আমাৰ ইয়ালৈ, কিন্তু তেওঁবিলাকে কিবা টেক্স আদি দিয়ে নে নিদিয়ে, তাকো জানিবৰ কোনো উপায় নাই। মই জনাত, তেওঁ বিলাকে কোনো কৰ আদি নিদিয়ে। ভূটান চৰকাৰে কি ভাৱে কি নীতিৰে, এই বাচ বিলাক চলাইছে তাকো জনা নাজায়।

উপাধ্যক্ষ মহোদয়, আমাৰ ইয়ালৈ ইন্টাৰ ষ্টেট চাৰ্জিচ অৰ্থাৎ অন্য ৰাজ্যৰ পৰা মালবাহী ট্ৰাক নিতৌ আহিবই লাগিছে। এই মাল অনা নিয়া কৰা ট্ৰাকবোৰে একেবাৰে ট্ৰেক্স নিদিয়ে বুলি ক'লেও অত্যুক্তি কৰা নহয়। আইনেও এই ট্ৰাকবোৰৰ মালিকক ধৰিব নোৱাৰে। কাৰণ এই ট্ৰাকবোৰ অন্য ৰাজ্যত ৰেজিষ্টাৰ। যাত্ৰী আৰু মালিকৰ আইনে সেইবাৰে এই ট্ৰাক মালিকবোৰক ঢুকি নেপায়। সেই বাবে এই আইনৰ প্ৰয়োজনীয় সংশোধনী হোৱা উচিত। তেতিয়া হলেহে কিছু ট্ৰেক্সৰ আশা কৰিব পাৰি। বিহাৰ, বঙ্গদেশ আদিৰ পৰা যিবিলাক ট্ৰাক অসমলৈ চলাচল কৰিছে, সেই বিলাকক বৰ্তমানে কৰ বিভাগৰ বিষয়াই একো কৰিব নোৱাৰে। আইনৰ সুৰঙ্গা দি, তেওঁলোকে কৰ ফাকি দি আছে। আনকি আইনৰ ব্যৱস্থা অনুসৰি তেওঁবিলাকৰ কাগজ পত্ৰত জব্দ বা বাজেয়াপ্ত কৰিব নোৱাৰি।

উপাধ্যক্ষ মহোদয়, ইয়াৰ উপৰি মই দুটা এটা দূৰনীতিৰ কথা কব খুজিছো। আমাৰ মাননীয় সদস্য, শ্ৰীবলভদ্ৰ দাসে সোনাপুৰ বাগিছাই ৪৯ লাখতকৈ বেছি ক্ষতিপূৰণ পোৱাৰ কথা উল্লেখ কৰিছে। প্ৰতিৰক্ষা বিভাগে মুঠতে ১৪৩৪ বিঘা মাটি লয়। তাৰে ২৫০ বিঘাত অৰ্থাৎ ৮৩ একৰত চাহ গছ আছিল। এই মাটিখিনিত থকা চাহ গছৰ সংখ্যাৰ ৫৬ হেজাৰ মান হ'ব। বাকী মাটিখিনিত থকা গছ-গছনি সংখ্যা প্ৰায় দহ হেজাৰ মান হ'ব। এই দহ হেজাৰ গছ-গছনিৰ ভিতৰত বাহ, বিজুলী বাহ আদিৰ সংখ্যাও ধৰা হৈছে। প্ৰথমতে ইয়াৰ মূল্য হিচাপে ৩ লাখ ৬০ হেজাৰ স্থিৰ হৈছিল। পিছত ইয়াৰ মূল্যাঙ্কন কৰা হ'ল ৪৯ লাখ টকাৰ বেছি। মাটিৰ ক্ষতিপূৰণ এতিয়াও নিৰ্ণয় হোৱা নাই। ইয়াৰ মূল্য নিৰ্দ্ধাৰিত হ'লে আৰু ৩০ লাখ মান টকা সোনাপুৰ বাগিছাৰ মালিকে পাব। উপাধ্যক্ষ মহোদয়, গছ-গছনি সংক্ৰান্তত যি জৰিপ কৰা হৈছিল,

তাৰ সম্পূৰ্ণ বিবৰণ থকা বহীটো মোৰ হাতত আছে। প্ৰয়োজন হ'লে দাখিল কৰিব পাৰিম।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিছত স্বজন প্ৰীতিৰ এটা ঘটনা ক'ব বিচাৰিছো। নেচনেল হাই-ৱেৰ দেৰগাঁৱৰ ওচৰৰ চাৰি আলিটো দেখিছে নে? বৰঙ্গা বামুনগাঁৱৰ ফালৰপৰা এটা ৰাস্তা আহি নেচনেল হাই-ৱেত লগ লাগিছে। এদিনাখন এই বাটেৰে এজন চাইকেল আৰোহী অন্যমনস্কভাৱে চাইকেল চলাই চাৰি আলিৰ পিনে আহি আছিল। সেই মুহূৰ্তত ৰাজ্যিক পৰিবহনৰ এখন যাত্ৰীবাহী বাছ গৈ আছিল নেচনেল হাইৱেৰে। অন্যমনস্ক ভাৱে অহা চাইকেল আৰোহীজন বাছৰ আগতে পাৰ হৈ যাবলৈ চেষ্টা কৰোতে গাড়ীৰ খুন্দাত পৰি যায়। দুৰ্ভাগ্যবশতঃ থিতাতে মানুহজনৰ মৃত্যু হয়। ইয়াৰ পিছত আদালতত গোচৰ ৰজু কৰা হ'ল। আদালতে ড্ৰাইভাৰ জনক নিৰ্দোষী বুলি খালাচ দিলে। ইয়াৰ পিছত মৃতকৰ মৃত্যুৰ বাবে ক্ষতি পূৰণ বিচৰা হ'ল। আলাপ আলোচনা চলিল ৰাজ্যিক পথ পৰিবহন নিগমৰ জেনেৰেল মেনেজাৰ আৰু মৃতকৰ পত্নীৰ মাজত ক্ষতিপূৰণ স্থিৰ হ'ল এক লাখ টকা। উল্লেখ কৰা ভাল যে এই মৃত কোনো আয়কৰ ইত্যাদি দিয়া নাছিল। কিন্তু বিহুৰাম দাস নামৰ ছাগ্লাইৰ এজন উচ্চ পৰ্য্যায় বিষয়াও অতীত ৰাজ্যিক পৰিবহন বাছত খুন্দাখাই মৃত্যু হয়। অকল দাসৰেই মৃত্যু হোৱা নাছিল পৰিয়ালৰ একাধিক ব্যক্তিৰ মৃত্যু হয়। দাস আয়কৰ দিয়া ব্যক্তি আছিল। তেওঁৰ উত্তৰাধিকাৰীক ৪০ হেজাৰ টকা দিয়া হয়। এই ক্ষেত্ৰত আমাৰ কবলগীয়া একো নেথাকিলেহেঁতেন যদি ক্ষতিপূৰণ সমানে দিলোহেঁতেন। কিন্তু ইয়াৰ কিয় ব্যতিক্ৰম হ'ল। কাৰণ নিগমৰ জেনেৰেল মেনেজাৰ আৰু ছাইকেল আৰোহীজনৰ পত্নী দুয়োজন একে মাতৃৰ গৰ্ভজাত সন্তান এজন ককায়েক আৰু মৃতকৰ পত্নী ভনীয়েক।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমত দুটা সূতাৰ মিল আছে। এটা হৈছে চাৰি দুৱাৰত আৰু আনটো হৈছে চন্দ্ৰপুৰত। ইয়াৰ যি সূতা উৎপন্ন হয়, সেইয়া মিলে বিক্ৰী কৰিব নোৱাৰে। তুলা নিগম বা কটন

ক'ৰপৰেশ্যন এটা গঠিত হৈছে। এতিয়া এনে সূতাখিনি এই নিগমক দিব লাগিব। কিন্তু এই নিগমক অন্য অন্য ৰাজ্য যেনে বঙ্গদেশ, মহাৰাষ্ট্ৰ আদি সোমাবই দিয়া নাই। কিন্তু আমাৰ ইয়াত দিছে। সূতা আয়ুক্ত বা টেক্সটাইল কমিছনাৰে অসমৰ বাবে ৮৫ হেজাৰ কেজি সূতা মাহেকত দিছে। কিন্তু অসমত আনুমানিক ৫ লাখ মান তাঁতশাল আছে। ইয়াৰ উপৰি আছে পাৱাৰ লুম। এনে অৱস্থাত ৮৫ হেজাৰ কেজিৰে পাচ লাখ শিপিনীক কেনেকৈ সূতাৰ যোগান ধৰিব উপাধ্যক্ষ মহোদয়, মই হ'লে বুজি পোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ মিউনিচিপালটীৰ কথা কব বিচাৰিছো। অসমৰ আটাইবোৰ মিউনিচিপালটীৰ বিত্তীয় অৱস্থা শোচনীয়। আমাৰ ৰাজ্যিক চৰকাৰৰ দৰে। অনুদান নহ'লে একেবাৰে নচলে। কিন্তু ভাৰতীয় বীমা নিগমৰ সহায় লৈ দীৰ্ঘম্যাদি ব্যৱস্থা লব পাৰে। ধৰক, মিউনিচিপালটীৰ এজন জামাদাৰে ২০ টাৰ পৰা ২৫ পাইখানা ছফা কৰিব লাগে। চহৰৰ বাহিৰত নি ময়লা ফেলোৱাৰ হিচাপকে ধৰি এই ২০।২৫ টা পাইখানা ছফা কৰা খৰচ প্ৰায় তিনি হেজাৰ চাৰিশ মান বছৰত হয়। ভাৰতীয় বীমা নিগমৰ পৰা লৈ যদি কৰ দাতাসকলক অনুদান দিয়া হয় তেন্তে বহুতে চেনিটাৰী লেট্ৰিন কৰিব। কিছু বছৰৰ পিছত এই শিতানৰ খৰচ বুজন পৰিমাণে হ্ৰাস কৰিব পৰা হ'ব।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যিক চৰকাৰে বহুতো উদ্যোগক বিকাশৰ বাবে পৰিকল্পনা কৰিছে। কিন্তু সেইবোৰ প্ৰায়ে ত্ৰুতিপূৰ্ণ। বিদ্যুতৰ পৰিকল্পনা যেতিয়া কৰা হৈছিল, তেতিয়া আমি ভাবিছিলো যে বিজুলী আমাৰ ৰাজ্যৰ বাবে যথেষ্ট হ'ব। সেইবাবে ত্ৰিপুৰা আৰু মনিপুৰলৈ বিজুলী যোগান দিবলৈ মান্তি হও। পশ্চিম বঙ্গৰ জলঢাকা আঁচনিৰ বিজুটি হোৱাত, আমি পশ্চিমবঙ্গক বিজুলী যোগান দিম বুলি প্ৰতিশ্ৰুতি দিও। কিন্তু আজি ৬।৭ বছৰৰ পিছত আমাৰ পাৱাৰ অৰ্থাৎ বিজুলী নাতনি হ'ল। ইয়াৰ ফলত বহুতো কল-কাৰখানা, ফেক্টৰীত "লে অফ" কৰা হ'ল। শিলঘাট মৰাপাট কলটোত এতিয়াও "লে অফ" চলিয়ে আছে। মন্ত্ৰী মহোদয় অৱশ্যে শিলঘাটত বিজুলীৰ নাটনি নাই বুলি কৈছে।

শিলঘাটৰ সমবায় মৰাপাট কলটোৰ সভাপতি আমাৰ মাননীয় সদস্য বৰা ডাঙৰীয়া। তেখেতে বিজুলীৰ নাটনিৰ বাবে "লে অফ" কৰা হৈছে বুলি কৈ আছে। কোনটো সঁচা বুজি পোৱা নাই। পৰ্য্যালোচনা কৰিলে দেখা যাব যে বৈত্বতিক-কৰণৰ বাবে যিমান টকা খৰচ কৰা হৈছে, সেই পৰিমাণে কাম হৈ উঠা নাই চমুকৈ কবলৈ গ'লে আমাৰ ত্বখীয়া ৰাইজৰ টকা অপচয় হৈছে।

উপাধ্যক্ষ মহোদয়, কৰ্ম্মচাৰীৰ ৰাজ্যিক বীমা আঁচনি অনুসৰি কৰ্ম্মচাৰীৰ ৰাজ্যিক বীমা নিগমে কেন্দ্ৰীয় হস্পিতাল পাতিবলৈ প্ৰস্তুত। কিন্তু অসম চৰকাৰে তাৰ বাবে প্ৰয়োজনীয় মাটি দিব পৰা নাই। এইটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক কথা। মই সেই বাবে ৰাজহমন্ত্ৰী, তথা বনুৱামন্ত্ৰী তথা স্বাস্থ্যমন্ত্ৰীক যথাবিহিত ব্যৱস্থা কৰিবলৈ টানি অনুৰোধ কৰিলোঁ—যাতে গুৱাহাটী আৰু তিনিচুকীয়াৰ প্ৰয়োজনীয় মাটিখিনি দিয়ে।

উপাধ্যক্ষ মহোদয়, "আসাম টি প্লেনটেশ্যন প্ৰাইভেট ফাণ্ড স্কীম" অনুসৰি প্ৰত্যেকজন বৰঙণি দিয়া বনুৱাকে ব্যক্তিগত হিচাবে দিব লাগে বছৰৰ শেষত। আগতে তুইবছৰমান অন্তৰত হিচাপ দিয়া হৈছিল। "অটমেশ্যন মেচিন" বহুৱা হ'ল—হিচাপ খৰটকীয়াকৈ দিবৰ বাবে। কিন্তু মেচিন বহুৱাৰ পিছৰপৰা ৫।৬ বছৰৰ পিছতহে বাগিছাৰ বনুৱাই হিচাপ পায়। আগতে হেনো হিচাপৰ কাকতখনত পাঁচটা 'কলম' আছিল, এতিয়া ছয়টা হ'ল। অনুসন্ধান কৰোতে জনা গ'ল যে এই কাৰণতে ব্যক্তিগত হিচাপ বনুৱাক দিওঁতে পলম হয়। উল্লেখ কৰা ভাল যে এই মেচিনটোৰ বাবে বছৰত প্ৰায় ৮০ হেজাৰ টকা ভাৰা দিব লাগে।

উপাধ্যক্ষ মহোদয়, চিকিৎসা সম্পৰ্কত প্ৰায়ে সমালোচনা শুনা যায়। কিন্তু ইয়াৰ কাৰণ কি? বাজেটত স্বাস্থ্য শিতানৰ টকাখিনিৰ খৰচৰ পৰ্য্যালোচনা কৰিলে দেখা যাব যে ইয়াৰ প্ৰায় ৬০ ভাগ খৰচ হয়—আমাৰ তিনিটা মেডিকেল কলেজৰ বাবে। বাকী ৪০ ভাগ খৰচ হয় গাওঁ তথা চহৰ অঞ্চলত থকা চিকিৎসা কেন্দ্ৰৰ বাবে। ৪০ ভাগ টকাৰে গাওঁ অঞ্চলৰ চিকিৎসাৰ অভাৱ পুৰণ কৰিব নোৱাৰি। আনহাতেদি ৬০

ভাগে আমাৰ মেডিকেল কলেজকেইটাৰ অভাৱ পূৰণ কৰিব পৰা নাই। সেইবাবে মেডিকেল কলেজ হাস্পাতাল সম্পৰ্কত বহুতো অভিযোগ শুনা যায়। মোৰ মতে চিকিৎসা কেন্দ্ৰবোৰে বাজেটত ধৰা পইচাৰ ৭৫ ভাগ পাব লাগিছিল আৰু মেডিকেল কলেজসমূহে ২৫ ভাগ পাব লাগিছিল। কিন্তু পৰিকল্পনাৰ ভুলৰ বাবে ইফালেও একো নহ'ল, সিফালেও একো নহ'ল। সেই বাবে ভবিষ্যতত যাতে এনে পৰিকল্পনা ঠিক মতে কৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰা হ'ল।

এতিয়া 'পে কমিটীৰ বিপোৰ্ট' দাঙি ধৰা হৈছে। কিন্তু কমিছনে প্ৰয়োজনৰ ভেটিত দৰমহা নিৰ্দ্ধাৰণ কৰা নাই। বহুতো আসোঁৱাহ আছে। টিলিঙা বাজিলেই। সেই বাবে এইখিনিতে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ডঃ কোমেশ্বৰ বৰা :—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৩-৭৪ চনৰ বাজেট যেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে মেই মাহত নিদিলে, জুন মাহত ভাল ধৰণে এখন লক্ষ্যবাদী বাজেট দাঙি ধৰিব বুলি আশা কৰিছিলো। এই বাজেটত "গৰীবি হতাও" "সেউজী বিপ্লৱ" আৰু নিবনুৱা সমস্যা, বিশেষকৈ এই তিনিটা কথাত বিশেষ গুৰুত্ব দিব বুলি আশা কৰিছিলো। কিন্তু এইখন বাজেট দেখি আমি হতাশ হৈছো আৰু লগতে ৰাইজো হতাশ হৈছে। অন্যন্যে খবৰ কাকতত ডাঙৰ ডাঙৰ আখৰেৰে লিখিছে নতুন কৰকাটল লগোৱা নাই। গতিকে ৰাইজ কিছুপৰিমাণে সন্তুষ্ট হ'ব পাৰে। কৰ কাটল নলগালে যে প্ৰগতিমুলক বাজেট হ'ব সেইটো কেতিয়াও নহয়। স্বাধীন দেশ এখন উন্নতি কৰিবলৈ হ'লে কৰ কটিল লগাব লাগিব তাত আমাৰ আপত্তি নাই যদিহে দেশখনৰ উন্নতি হয়। এই চাৰিটা পঞ্চবাৰ্ষিক পৰিকল্পনাত দেখিবলৈ পাইছো যে বহু টকা আমাৰ চৰকাৰে ধাৰ লগালে আৰু বহু কোটি টকা খৰচ হৈ গ'ল। ইয়াৰ বিনিময়ত জনসাধাৰণে কি পালে ? জনসাধাৰণে কেইটামান ৰাস্তা আৰু কেইটামান ঘৰ সজাৰ বাহিৰে বিশেষ একো পোৱা নাই বুলি মই ভাবো। এই চাৰিটা পৰিকল্পনাত জনসাধাৰণ আগতে যিমান দুখীয়া আছিল তাতোকৈ আৰু বেছি দুখীয়া হৈ গৈছে। আনহাতে কিছুমান চাকৰীয়াল আৰু ঠিকদাৰ বেছি ধনী হৈ গৈছে। এই বাজেটত গৰীবি হাতাউৰ যি শ্লো গান, দিছিল, সেউজী

বিপ্লৱৰ যি প্ৰতিশ্ৰুতি দিছিল, নিবনুৱা সমস্যা সমাধানৰ যি প্ৰতিশ্ৰুতি দিছিল তাৰ এটা দিশো ইয়াত নেদেখিলো। নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত এই আঁচনি দেখিলো যে এইবাৰ ২৮ জন বিষয়াক হায়দৰাবাদলৈ প্ৰশিক্ষন লবলৈ পঠিয়াইছে। কেনেকৈ নিবনুৱা সমস্যা সমাধান কৰিব, কেনেকৈ খেতি পথাৰ কৰিব আৰু কেনেকৈ টকা উপাৰ্জন কৰিব লাগে তাৰ শিক্ষা দিব। এই ২৮ জন মানুহে গোটেই অসম দেশখনক উন্নতিৰ পথত আগুৱাই নিব পৰাটো সম্ভৱপৰ হ'ব জানো? শিক্ষাৰ ক্ষেত্ৰত নতুন আঁচনি দেখিলো যে এইবাৰ গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক ২০ লাখৰ ঠাইত ৪০ লাখলৈ বঢ়াইছে। কিন্তু সেইটো নকৰি অৰ্থাৎ বিশ্ববিদ্যালয়ক এই ২০ লাখ টকা বঢ়াই নিদি সেই টকাটো ৰদ, বৰষুণ দিলে বহিব নোৱাৰা স্কুল বোৰক দিলে স্কুলবোৰৰ অৱস্থা উন্নত হলেহেঁতেন আৰু শিক্ষাৰ ক্ষেত্ৰত কিছু আগবাঢ়িলহেতেন। যোৱা বাজেট অধিবেশনত শিক্ষামন্ত্ৰী মহোদয়ে প্ৰাইমাৰী আৰু হাইস্কুল চৰকাৰী কৰিব বুলি ভাবুকি দিছিল। এতিয়া ডুবছৰ পাৰ হৈ গ'ল। তিনিটা বছৰত তিনিটা ভাবুকি দিলে শিক্ষাৰ উন্নতিমুলক কাম শেষ হৈ যায়। বহুতে বহু ধৰণে দুৰ্নীতিৰ কথা সমালোচনা কৰিছে। কালি শিক্ষকসকলক সদনৰ সম্মুখত পুলিচে লাঠিৰে প্ৰহাৰ কৰিছে। এই শিক্ষক সকলৰ ওপৰত গোটেই দেশখন নিৰ্ভৰ কৰিছে, শিক্ষক সকলৰ ওপৰত স্বাধীন দেশৰ ভবিষ্যত নাগৰিক সকলৰ অৱস্থা নিৰ্ভৰ কৰিছে। এনে অৱস্থাত শিক্ষক সকলৰ ওপৰত লাঠি চালনা কৰা হৈচে যেতিয়া দেশখন কেতিয়াও উন্নত হ'ব নোৱাৰিব। প্ৰাইমাৰী স্কুলত যদি ভাল শিক্ষা দিয়া নহয় কন কন ছাত্ৰ-ছাত্ৰীক যদি ভবিষ্যতে উপযুক্ত স্বাধীন নাগৰীক হোৱা শিক্ষা দিয়া নহয় তেন্তে দেশ কেতিয়াও উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। সেই কাৰণে মই শিক্ষামন্ত্ৰী তথা শিক্ষাবিদ সকলক অনুৰোধ কৰো যাতে সুপৰিকল্পিত ভাবে নতুন শিক্ষা ব্যৱস্থা প্ৰবৰ্ত্তন কৰাত সহায় কৰে।

আজি দেখা গৈছে হস্পিতালবিলাকৰ অৱস্থা একেবাৰে শোচনীয়। এইবাৰ বাজেটত শিক্ষা আৰু চিকিৎসাৰ শিতানত কিছু টকা ধৰা হৈছে। এই টকাবোৰেৰে প্ৰকৃততে ঔষধ-পাতি কিনি ৰাইজে চিকিৎসাৰ সুবিধা

পাইছে জানো ? এই টকাবোৰ ক'ত কেনেকৈ খৰচ হয় সেইটো কোনেও ধৰিব নোৱাৰে আৰু আৱশ্যকীয় ঔষধ-পাতি চিকিৎসালয়বোৰেও নাপায়। গাওঁৰ হস্পিতালবোৰৰ কথা বেলেগ, কিন্তু চহৰত থকা গুৱাহাটী, ডিব্ৰুগড়, আৰু শিলচৰ মেডিকেল কলেজৰ কাহিনী সদায় আমি নীলাচল কাগজত দেখিবলৈ পাইছো। যিবোৰ ঔষধ নহ'লে মানুহৰ মৃত্যু হ'ব পাৰে সেই-বিলাক হস্পিতালত যোগান নধৰে। কটা-চিঙাৰ কাৰণে পিনটাৰ-আয়োদিন যাৰ দাম মাত্ৰ ২.২৫ পইচা বা ২.৭৫ পইচা, তাকো যোগান নধৰে। তাৰ ফলত একো একোজন খেতিয়কে অকালতে প্ৰাণ হেৰুৱাব লগা হৈছে। ঠিক তেনেকৈ ডিচেণ্টেৰীৰ কাৰণেও কোনো ঔষধ যোগান ধৰা নাই, যাৰ ফলত হাজাৰ হাজাৰ ল'ৰা-ছোৱালী মৰিছে। মই অধিবেশনলৈ অহাৰ আগলৈকে প্ৰত্যেক হস্পিতালত ১০।১২ জনকৈ ডিচেণ্টেৰীত ল'ৰাৰ মৃত্যু হৈছে। আগতে যিটো ঔষধে কাম দিছিল এতিয়া সেইটোৱে কাম দিয়া নাই। তাক কি ঔষধে কাম কৰিব, তাৰু পৰীক্ষা কৰিবৰ কাৰণে পেথাল'জিষ্ট নাই। এই আৱশ্যকীয় ঔষধ যদি পোৱা নাযায় তেনেহ'লে চিকিৎসাৰ শিতানত ইমান টকা ধৰি কোনো লাভ নাই। ৰফিউল্লা ব্ৰাদাৰ্চে ১ হাজাৰ টকাৰ ঔষধ দি ৪১৫ হাজাৰ টকাৰ বিল পাছ কৰাই লৈ গৈছে। এইবিলাক কথা স্বাস্থ্যমন্ত্ৰীৰ অবিদিত নহ'ল। এই সংক্ৰান্তত কালি সদনত ডাক্তৰ, নাৰ্চৰ কেলেংকাৰীৰ প্ৰশ্ন উত্থাপিত হৈছিল, তাৰ বাবে মই বিশেষকৈ ডাক্তৰ হিচাবে লজ্জিত হৈছো। স্বাস্থ্যমন্ত্ৰীয়ে এইবিলাক কথা গম পাইছেনে নাই ক'ব নোৱাৰো। (ভয়চেচ—এই কথাবিলাক সঁচা জানো ?) একেবাৰে সঁচা। এই সংক্ৰান্তত মই লক্ষীমপুৰ চিভিল হস্পিতালৰ কথা ক'ব বিচাৰিছো। তাত এটা নাৰ্চিংৰ ট্ৰেইনিং চেণ্টাৰ নতুনকৈ দিছে। যি কেইগৰাকী নাৰ্চে তাত প্ৰশিক্ষণ লৈ আছে তেওঁলোকৰ করুণ কাহিনী শুনিলে অবাক হৈ যাব। তেওঁলোকৰ ভিতৰত এজনীয়ে আত্মহত্যা কৰিছে আৰু এজনীৰ মেণ্টেল অবছেট হৈ পগলা ফাটেকত আছে। ডাক্তৰৰ লগত কাজিয়া লগাৰ পাচত যোৱা বছৰ এজনী নাৰ্চহে পাছ কৰিলে, বাকীবিলাক ফেইল কৰিলে। যদি এনেকৈ ডাক্তৰ আৰু নাৰ্চৰ মাজত ঘটনা ঘটি থাকে তেন্তে এই পবিত্ৰ অনুষ্ঠানটো আৰু ডাক্তৰ-নাৰ্চৰ পবিত্ৰ সম্বন্ধটো নষ্ট হৈ যাব। ৰাইজে ডাক্তৰ আৰু নাৰ্চৰ ওপৰত যথেষ্ট আস্থা ৰাখে।

অভিভাৱকসকলে ডাক্তৰৰ চেম্বাৰত নিজৰ ল'ৰা-ছোৱালীক পৰীক্ষা কৰিবলৈ দিয়ে। সেই কাৰণে ডাক্তৰ বা নাৰ্চৰ দোষ হ'লে উদাহৰণমূলক শাস্তি বিহিব লাগে, যাতে ডাক্তৰ, নাৰ্চ, আৰু জনসাধাৰণৰ যিটো সম্বন্ধ সেইটো নষ্ট হৈ নাযায়।

পূব ভৰলীৰপৰা লক্ষীমপুৰলৈ আৰু তেজপুৰৰপৰা ধেমাজীলৈ পূৰ্ণ-পৰ্য্যায়ৰ চিকিৎসালয় নাই। প্ৰসূতি বা গেষ্টিক আলচাৰ থকা মানুহক অপাৰেচন কৰিব পৰা ব্যৱস্থা হস্পিতাল বিলাকত নাই। ধেমাজীৰপৰা নাৱেৰে তুলি ডিব্ৰুগড়লৈ নিব পাৰে, কিন্তু লক্ষীমপুৰৰপৰা গাড়ীৰে তেজ-পুৰলৈ অনা হয়। এনেকৈ আনোতে গাড়ীত মৃত্যু হোৱা বহুতো খবৰ আমি জানো। গতিকে লক্ষীমপুৰ চিভিল হস্পিতালখন পূৰ্ণপৰ্য্যায়লৈ আনিব লাগে। তাত চাৰ্জন নাই। কাৰণ লক্ষীমপুৰৰ পৰা তেজপুৰলৈ ১৪০ মাইল দূৰ। তাত চাৰি-পাঁচখন পাব্লিক হেলথ চেণ্টাৰ আছে যদিও তাত বিশেষ ধৰণৰ ব্যৱস্থা নাই। গতিকে চাৰিআলি পাব্লিক হেলথ চেণ্টাৰত আৰু বেছি বিছনা দি জৰুৰী কেচবিলাক ৰখাৰ ব্যৱস্থা কৰিব বুলি অনুৰোধ কৰিলোঁ।

বৈদ্যুতিকৰ ক্ষেত্ৰত উত্তৰ পূৱ দেউৰী পাৰাৰ পৰা ১৪০ মাইল বৰলীৰ পূব পাৰলৈ এটা মাত্ৰ ডিভিজনেল অফিছ আছে তাকো লক্ষীম পুৰত ৰাখিছে। ১৪০ মাইলৰ ভিতৰত কাম চলি আছে। চাৰি আলিত এজন এচ ডি ও আছে তেওঁ এই ১৪০ মাইল দূৰ গৈ দৰ্মহা আনিব লাগে। আচলতে চাৰিআলিৰ লগত তেজপুৰৰ বিশেষ সম্বন্ধ। গতিকে হয় চাৰিআলিত এটা মহকুমা পাতক নহয় চাৰিআলিক তেজপুৰৰ লগত লগ লগাই দিয়ক। এই চাৰিআলিত শিক্ষানুস্থানকে আৰম্ভ কৰি বহুতো বিট অফিছ বা অন্যান্য অফিছ আছে গতিকে মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰো যাতে ইয়াৰ যিখন পুলিচ থানা তাক পূৰ্ণপৰ্য্যায়ৰ থানালৈ ৰূপান্তৰিত কৰিব লাগে। বাকী সকলোখিনি অৱশ্যকীয় কথাই মাননীয় সদস্য সকলে কৈ গৈছে মই মাত্ৰ এই বাজেটখন যে বৈপ্লৱিক আৰু গৰীবি হতাও বাজেট নহয় আৰু এই বাজেটে যে ৰাইজক হতাশ কৰিছে তাকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমালচন্দ্ৰ পেগু :—উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট সদনত দাঙি ধৰিছে সেই বাজেটখনৰ কাৰণে তেখেতক প্ৰথমে মোৰ আন্তৰিক ধন্যবাদ জনাইছো কাৰণ এইখন ঘাটি বাজেট যদিও ইয়াত কোনো নতুন কৰকাটলৰ ব্যৱস্থা নাই। যোৱা বছৰৰ তুলনাত এই বছৰৰ বাজেটখন বহুত উন্নত। কাৰণ যোৱা বছৰৰ মাটিৰ পৰিমাণ আছিল ১১ কোটি ৮০৭৭০০ টকা কিন্তু এইবাৰ এক কোটিৰো কম। ইয়াৰ পৰা এইটোকে বুজা যায় মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী হিচাৱে বহুত দক্ষতাৰে কাম কৰিছে। বা যিমান খৰচ কৰিব লাগিছিল সিমান কৰা নাই বা বিভাগকো এনেয়ে খৰছ কৰিব দিয়া নাই। বৰ্ত্তমান চৰকাৰে ৪০২ কোটি টকা ধাৰ থকা স্বত্বেও যিমান বিলাক ৰাইজৰ উন্নয়নমূলক কাম হাতত লৈছে তাৰ পৰা অনুমান কৰিব পাৰি তেখেতৰ সমাজবাদৰ লক্ষ্য। এইধৰণে যদি কাম কৰা হয় তেনেহ'লে বিৰোধী দলৰ আৰু কাম কৰিবলৈ ৰাস্তা নাথাকিব।

(সদনত হুলস্থূল পৰিবেশ)

মুখ্যমন্ত্ৰীৰ বক্তৃতা যদি তেখেতসকলে ধৈৰ্য্যৰে শুনে নিশ্চয় তাৰ পৰা বহুত বুজিব পাৰিব। বৰ্তমান চৰকাৰে যি তীব্ৰ গতীত কাম কৰিবলৈ হাতত লৈছে এইবোৰ হৈ উঠিলে নিশ্চয় কমিউনিষ্ট পাৰ্টি আৰু কাম নোহোৱা হ'ব।

(পুনৰ হুলস্থূল আৰু হাঁহিৰ খলকনি)

শ্ৰীগিয়াচুদ্দিন আহমেদ :—উপাধ্যক্ষ মহোদয়, আমি খবৰ পাই আছো যে কেবিনেট হেনো ৰিচাফুল হব। তেখেতে এই সম্পৰ্কে কিবা গম পাইছে নেকি ?

(পুনৰ হাঁহি)

শ্ৰীমালচন্দ্ৰ পেগু :—আমাৰ দেশত খেতি ভাল নহয় বুলি ৰাইজে হাত সাবতি বহি আছিল কিন্তু এইবাৰ ৰবিশস্য কৰি ৰাইজে যথেষ্ট উপকাৰ পাইছে। ৰবিশস্যৰ ফলত আজি খাবলৈ নপোৱাজনেও খাবলৈ পাইছে আৰু গৰিবী হতাও আঁচনিৰ কিছু সফলকাম হৈছে।

আনহাতে আপোনালোকে জানে আমাৰ মাছমৰীয়া যিসকল লোক যাক যুগ যুগ ধৰি ধনী শ্ৰেণীয়ে শোষণ কৰি আহিছিল তেওঁলোকৰ উন্নয়নৰ কাৰণে নিগমে কৰিছে আৰু আশা কৰিছো চৰকাৰে বৰ্তমান যি

কাৰ্য্যপন্থা হাতত লৈছে সেই ক্ষেত্ৰত কৃতকাৰ্য্য হ'ব। নিগম সম্পৰ্কে আমাৰ মাননীয় সদস্য শ্ৰীৰাম চন্দ্ৰ শৰ্মা ডাঙৰীয়াই নিয়মবিলাক ভাল নহয় বুলি যি সমালোচনা কৰিছে সেইটো মই ঠিক হোৱা নাই বুলি ভাবো। তেখেতে কৈছে যে তেজপুৰৰ মানুহে তেজপুৰতে মাটি পাব লাগে আনে পাব নালাগে। মাটি বাহিৰৰ পৰা অহা মানুহকো দিব লাগিব। সেই কাৰণে কৈছো সকলো কথা বুজি লৈ তাৰ পিছতহে কিবা এটা কব লাগে। গতিকে চৰকাৰৰ যিবোৰ আঁচনি তাত বিৰোধী দলেও সহাৰি জনাব লাগিব।

প্ৰাথমিক স্কুলৰ শিক্ষক সকলোকো চৰকাৰে নিজৰ আয়ত্বাধীনলৈ আনিব খুজিছে আমি এইটো বৰ ভাল কথা বুলি ভাৱিছো। এই স্কুল বিলাক চৰকাৰৰ হাতলৈ অহাৰ লগে লগে আমাৰ স্কুল ঘৰবোৰৰ অৱস্থা ভাল হ'ব। আৰু শিক্ষক সকলৰ চাৰ্ভিচ ব্যৱস্থাও ভাল হ'ব। ডেফিচিট চিচ্‌টেমৰ হাইস্কুল আৰু কলেজ বিলাকো চৰকাৰে লব বুলি শুনি সুখী হৈছো। আজি ট্ৰেইনড্ টিচাৰক প্ৰিফাৰেন্স দিয়াৰ কথা আছে অনুসূচীত জাতি আৰু অনুসূচীত জন-জাতীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত কিন্তু যিহেতুকে ট্ৰাইবেল এৰিয়াত লোক পাবলৈ টান এতেকে মেট্ৰিকুলেটকে যদিও ট্ৰেইনড্ নহয় তথাপি তেওঁলোকক প্ৰিফাৰেন্স দিব লাগে। তেওঁলোকৰ কাৰণে ৰিক-মেণ্ডেচন কোটা দিব লাগে। তেতিয়া হলেহে ট্ৰাইবেল অঞ্চলৰ শিক্ষক সফল উপকৃত হ'ব। আৰু কোটা ফিলআপ কৰিব পাৰিব মেট্ৰিকুলেটৰ পৰা। আজি যিবিলাক অঞ্চলত হাইস্কুল হোৱা নাই, কলেজ হোৱা নাই বা এম ই স্কূল হোৱা নাই সেই বিলাক ঠাই আগবঢ়াই নিবলৈ বুলি চৰকাৰৰ ফালৰ পৰা তাত কলেজ স্কুল আদি পাতি দিব লাগে। যাতে সেই অঞ্চলৰ ল'ৰা-ছোৱালীবোৰ শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যাব পাৰে। উচ্চ শিক্ষা লাভ কৰিব পাৰে। গতিকে পিচপৰা অঞ্চল বিলাকলৈ এই ক্ষেত্ৰত বিশেষ কঢ়া নজৰ দিব লাগে। জেঙাইমুৰ অঞ্চলৰ ৰাইজে এখন কলেজ খুলিবলৈ যো-জা কৰিছে তাত চৰকাৰে যদি সহাৰি জনায় তেনেহলে সেই অঞ্চলৰ ছাত্ৰ ছাত্ৰীসকল উচ্চ শিক্ষা লাভ কৰিব পাৰিব। তাত ১৪ খন হাইস্কুল আছে যদিও আজিলৈকে এখনো কলেজ স্থাপিত হোৱা নাই। গতিকে এই কলেজখন হ'লে নিশ্চয় ল'ৰা-ছোৱালী সকল লাভৱান

হ'ব আৰু ৰাইজৰ মাজতো উৎসাহ দেখা যাব। মিক্স পপুলেচনত কলেজ আছে সঁচা কিন্তু পিউৰলি ট্ৰাইবেল এৰিয়াত এতিয়ালৈকে কোনো কলেজ হোৱা নাই। সেয়েহে সেই কলেজখন গঢ়াত চৰকাৰে বিশেষ মনোযোগ দিব বুলি আশা কৰিলো আৰু এই বিষয়ত নজৰ দিবলৈ শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক অনুৰোধ জনালো।

তাৰ পিছত আহিল নমিনেচন দিয়াৰ কথা লৈ। যোৰহাট মিউনিচিপেলিটিত এজন লোকক নমিনেচন দিছে যিজন ট্ৰাইবল নহয়। অনুসূচীত জাতি অনুসূচীত জনজাতিসকলৰ কাৰণে সংবিধানত যি সুবিধা দিয়া আছে তেনে সুবিধা আন বিলাকক দিয়া হোৱা নাই গতিকে এই সংবিধানৰ নিয়ম অনুসৰি আৰু মিউনিচিপেলিটি এক্ট মতেও অনুসূচীত জাতি বা জনজাতিৰ মানুহক নমিনেচন দিয়াৰ কথা আছিল যদিও নিদি আন এজনকহে নমিনেচন দিছে। মই বেয়া পোৱা নাই কিন্তু ট্ৰাইবেল প্ৰাৰ্থী থাকোতে ট্ৰাইবেল প্ৰাৰ্থীক নিদি আন এজনক দিয়াত মিউনিচিপেলিটিৰ এক্টৰ ৫১ ধাৰাৰ ১১ অনুচ্ছেদ খৰ্ব্ব কৰা হৈছে আৰু তাৰ যোগেদি অনুসূচীত জনজাতি আৰু জাতিৰ অধিকাৰ খৰ্ব্ব কৰিছে বুলি মই ভাবো। তাৰ সলনি তাত এজন ইলেকটেড মেম্বাৰ শ্ৰীধৰ চন্দ্ৰ বৰুৱাক দিছে অফিচৰ ফালৰ পৰা। এইটো মিউনিচিপেল এক্টত থকা স্বত্বেও কিয় চৰকাৰে এজন মানুহক নমিনেচন দিছে মই ভাবিব পৰা নাই। কিয়নো মিউনিচিপেল এক্টত স্পষ্ট ভাৱে এইটো আছে যে—

"The Comminity which has already been represcrited can be nominated."

সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক এইটো অনুৰোধ জনাওঁ যে ইয়াৰ দ্বাৰা অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলৰ অধিকাৰ খৰ্ব কৰা হৈছে। কিন্তু ইয়াৰ কাৰণে কোনো আক্ষেপ নকৰো।

তাৰ পিছত ধনশিৰি মুখত হোৱা ফায়াৰিংৰ কথালৈ আহো। তাত ঘটনাৰ পুলিচ ৰিপোৰ্ট মতে যিবিলাক কাম আন জাষ্টিফাইড বুলি ঘোষণা কৰিলে সেইমতে কমিচন অব এংকুয়েৰি এক্ট মতে কি ব্যৱস্থা ললে আমি জানিব

পৰা নাই । সেই কাৰণে সেই ৰিপোর্টৰ ওপৰত একচন লবলৈ মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালো । আৰু মুখ্যমন্ত্রীৰ নেতৃত্বত আমাৰ ট্রাইবেল ৰাইজৰ উন্নয়নৰ কাৰণে যিটো কৰপোৰেচন বা বর্ড গঠন কৰিব খুজিছে সেইখন কি ধৰণৰ হ'ব কব নোৱাৰো। আমাৰ টকা নাই বুলি কাম নহয় কিন্তু আচলতে চৰকাৰৰ টকা আছে । গতিকে তেনে বোর্ড এখন গঠনৰ অত্যন্ত আৱশ্যক হৈছে । যোৰহাট মহকুমাৰ ৰাস্তাৰ কাৰণে দুই লাখ পচিশ হাজাৰ টকা কেৱল তাৰ পৰা প্লেন এণ্ড এষ্টিমেট আহি নোপোৱা কাৰণেই খৰচ কৰিব পৰা নগ'ল । অর্থাৎ কামত নাহিল। চৰকাৰৰ ফালৰ পৰা লিখি পঠিওৱা হয় ডি-চি আৰু এচ-ডি-অ'লৈ, কিন্তু আজিলৈকে ৭০-৭১ চনৰে অত্যাৱশ্যকীয় নথি আদি দাখিল কৰা নাই। অফিচাৰসকল কি কৰিছে আমি ক'ব নোৱাৰো।

উপাধ্যক্ষ :—আপুনি আৰু কিমান সময় ক'ব ?

শ্ৰীমাল চন্দ্ৰ পেগু :—কন্‌টিনিউ কৰিম বুলি ভাবিছো।

উপাধ্যক্ষ :—তেতিয়াহ'লে কাইলৈ ক'ব।

( কাইলৈ ৰাতিপুৱা ৯ বজালৈ সদন স্থগিত থাকে )

## ADJOURNMENT

The House was the Adjourned at 4-30 P. M. to meet again till 9 A. M. on Friday, the 8th June 1973.

Dated, DISPUR
The 7th June, 1973

P. D. BARUA
Secretary
Assam Legislative Assembly